# শৈক্ষিক দিনপঞ্জী

নিম্ন প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক সকলো বিদ্যালয়ৰ বাবে
('ক' শ্ৰেণীৰ পৰা ৮ম শ্ৰেণীলৈ)

# শিক্ষাবৰ্ষ
## ২০১৭

অসম চৰকাৰ

প্ৰাথমিক শিক্ষা বিভাগ

প্ৰস্তুতকৰ্তা
ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম
কাহিলিপাৰা, গুৱাহাটী-৭৮১০১৯

# প্ৰদূষণ সজাগতা

আমাৰ সকলোৰে বাবে এই পৃথিৱীখনেই হৈছে এখনি সুন্দৰ স্বৰ্গ। মানৱ জাতিৰ বাবে একমাত্ৰ গৃহ, যিয়ে সকলো জীৱকে জীয়াই থকাৰ সম্বল দিছে। সেয়ে আমাৰ পৃথিৱীখনক আমি প্ৰদূষণমুক্ত কৰি ৰাখো আহক।

আমাৰ এটি সুন্দৰ কামেই এটা মহৎ ব্যৱধান আনি দিব পাৰে, কিয়নো —

১) গছে আমাক অক্সিজেন যোগান ধৰে। সেয়েহে আমি বনাঞ্চল ৰক্ষা কৰোঁ আহক।

২) প্ৰতিটো স্মৰণীয় দিনত একোটাকৈ গছৰ পুলি ৰুই পৃথিৱীখনক সুৰক্ষিত কৰো আহক।

৩) গছৰ শুকান পাত, জাৱৰ-জোঁথৰ, প্লাষ্টিক আদি জ্বলোৱাত বাধা দিওঁ আহক।

৪) পেলনীয়া শাক-পাচলি আৰু ফল-মূলৰ পৰা জৈৱিক সাৰ প্ৰস্তুত কৰি খেতি-বাতিত দিওঁ আহক।

৫) শব্দৰ তীব্ৰতা হ্ৰাস কৰি পৰিৱেশ প্ৰদূষণমুক্ত কৰি ৰাখো আহক।

৪০ ফুট ডাল-পাত ব্যাসাৰ্ধৰ এজোপা আঁহত গছে প্ৰতি ঘণ্টাত ৪০০০ কিলোগ্ৰাম কাৰ্বন-ডাই-অক্সাইড, ছালফাৰ-ডাই-অক্সাইড, নাইট্ৰাছ অক্সাইড আৰু অন্যান্য গেছ গ্ৰহণ কৰে আনহাতে প্ৰতি ঘণ্টাত ২০০০ কিলোগ্ৰাম অক্সিজেন গেছ এৰি দিয়ে।

**উৎস ঃ বেচৰকাৰী সংস্থা 'বন-বননি'**

অসম চৰকাৰ

**ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম**

**কাহিলিপাৰা, গুৱাহাটী-৭৮১০১৯**

**ফোন/ফেক্স ঃ (০৩৬১) ২৩৮২৫০৭**

## জাননী

২০১৬ চনৰ ২৬ ডিচেম্বৰ তাৰিখে যুটীয়া সমন্বয়ৰক্ষী সমিতিয়ে লোৱা সিদ্ধান্ত অনুসৰি অসমৰ সমূহ প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক বিদ্যালয়ত ২০১৭ চনৰ শিক্ষাবৰ্ষত শৈক্ষিক দিনপঞ্জী কাৰ্যকৰীকৰণৰ বাবে জাননী জাৰি কৰা হ'ল।

প্ৰয়োজন হোৱা যিকোনো স্পষ্টীকৰণৰ বাবে নিম্ন লিখিত স্বাক্ষৰকাৰীৰ সৈতে যোগাযোগ কৰিব পাৰে।

(শেৰালী দেৱী শৰ্মা, এ.চি.এছ)
সঞ্চালক
ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম
কাহিলিপাৰা, গুৱাহাটী-৭৮১০১৯।

স্মাৰক নং এচ.চি.ই.আৰ.টি/এ.চি.এ/এ.চি./৩২৭/২০১৪/৭৯ তাৰিখ ঃ ২৬/১২/২০১৬

প্ৰতিলিপি ঃ-

১। মাননীয় শিক্ষামন্ত্ৰীৰ জ্ঞাতাৰ্থে, মাননীয় শিক্ষামন্ত্ৰীৰ ব্যক্তিগত সচিব, অসম, দিছপুৰ, গুৱাহাটী-৬।
২। আয়ুক্ত-সচিব, শিক্ষা বিভাগ, অসম সচিবালয়, দিছপুৰ, গুৱাহাটী-৬।
৩। মিছন সঞ্চালক, সৰ্বশিক্ষা অভিযান, অসম, কাহিলিপাৰা, গুৱাহাটী-১৯।
৪। মিছন সঞ্চালক, ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযান, অসম।
৫। সঞ্চালক, মাধ্যমিক শিক্ষা সঞ্চালকালয়, অসম, কাহিলিপাৰা, গুৱাহাটী-১৯।
৬। সঞ্চালক, প্ৰাথমিক শিক্ষা সঞ্চালকালয়, অসম, কাহিলিপাৰা, গুৱাহাটী-১৯।
৭। শিক্ষা সঞ্চালক, বড়োলেণ্ড টেৰিট'ৰিয়েল কাউন্সিল।
৮। সচিব, অসম উচ্চতৰ মাধ্যামিক শিক্ষা সংসদ, বামুণীমৈদাম, গুৱাহাটী-২১।
৯। সচিব, অসম মাধ্যমিক শিক্ষা পৰিষদ, বামুণীমৈদাম, গুৱাহাটী-২১।
১০। সমূহ জিলা প্ৰাথমিক শিক্ষা বিষয়ালৈ।
১১। সমূহ বিদ্যালয় পৰিদৰ্শকলৈ।
১২। স্বায়ত্ব শাসিত জিলা পৰিষদসমূহৰ কাৰ্যবাহী সদস্য - কাৰ্বি আংলং আৰু ডিমা হাছাও জিলা।
১৩। জিলা প্ৰাথমিক শিক্ষা বিষয়া - কাৰ্বি আংলং আৰু ডিমা হাছাও জিলা।
১৪। উচ্চতৰ মাধ্যমিক, উচ্চ মাধ্যমিক, মাধ্যমিক, মাদ্ৰাছা আৰু প্ৰাথমিক বিদ্যালয়ৰ মূৰব্বীসকললৈ।
১৫। উচ্চ মাধ্যমিক, মাধ্যমিক আৰু প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক সংস্থাসমূহৰ সভাপতি আৰু সাধাৰণ সম্পাদকসকললৈ।
১৬। ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদৰ সমূহ বিষয়ালৈ।

(শেৰালী দেৱী শৰ্মা, এ.চি.এছ)
সঞ্চালক
ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম
কাহিলিপাৰা, গুৱাহাটী-৭৮১০১৯।

## নির্দেশনা

- প্ৰতিখন বিদ্যালয়ৰ প্ৰধান শিক্ষকে শৈক্ষিক দিনপঞ্জীখন আৰম্ভণিৰ পৰা শেষলৈকে পুংখানুপুংখভাৱে পঢ়িব।
- প্ৰতিমাহত সহকাৰী শিক্ষকৰ সৈতে শৈক্ষিক দিনপঞ্জীৰ নিৰ্দেশনাসমূহ আলোচনা কৰি মাহটোৰ বাবে ল'বলগীয়া কাৰ্যসমূহৰ আগতীয়া পৰিকল্পনা প্ৰস্তুত কৰিব।

# সূচীপত্ৰ


| | | |
|---|---|---|
| ১। | শিশুৰ অধিকাৰ সুৰক্ষা আইন, ২০০৫ | ১ |
| ২। | দিনপঞ্জীৰ উল্লেখনীয় দিশসমূহ | ২-৩ |
| ৩। | বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ মাজত নীতি শিক্ষা আহৰণৰ বাবে কৰিবলগীয়া কিছু কাম | ৪-৫ |
| ৪। | বিদ্যালয় পৰিচালনাৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীৰ ভূমিকা | ৬ |
| ৫। | প্ৰাক্-প্ৰাথমিক, প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক পৰ্যায়ৰ কাৰিকুলামত সন্নিবিষ্ট বিষয়সমূহ | ৭-১৬ |
| ৬। | বাৰ্ষিক কাৰ্য পৰিকল্পনা | ১৬-১৮ |
| ৭। | প্ৰাতঃসভাত কৰিবলগীয়া বাধ্যতামূলক কাৰ্য | ১৮ |
| ৮। | মূল্যবোধ শিক্ষা | ১৯ |
| ৯। | গোটভিত্তিক পাঠসমূহৰ বিভাজন | ২০-২১ |
| ১০। | অবিৰত আৰু সামগ্ৰিক মূল্যায়ন | ২২-৩০ |
| ১১। | ছাত্ৰ-ছাত্ৰীৰ অগ্ৰগতিৰ খতিয়ান | ৩১-৩৩ |
| ১২। | মাহ অনুসৰি বিস্তৃত কাৰ্যসূচী | ৩৪-৪৫ |
| ১৩। | ২০১৭ শৈক্ষিক বৰ্ষৰ মাহ অনুযায়ী শ্ৰেণী দিন, কৰ্ম দিন, উদ্‌যাপন দিন, মূল্যায়ন দিন আৰু বন্ধৰ দিনৰ তালিকা | ৪৬ |
| ১৪। | দৈনিক সময় তালিকা | ৪৭-৫০ |
| ১৫। | প্ৰাতঃসভাত ল'বলগীয়া সংকল্পৰ আৰ্হি | ৫১ |
| ১৬। | উদ্‌যাপন কৰিবলগীয়া দিৱসসমূহৰ তাৎপৰ্যৰ সংক্ষিপ্ত বিৱৰণ | ৫২-৫৭ |
| ১৭। | স্বাস্থ্যবিধি সম্পৰ্কে শিক্ষকৰ দায়িত্ব আৰু ভূমিকা | ৫৭ |
| ১৮। | জাতীয় সংগীত আৰু ৰাষ্ট্ৰীয় সংগীত | ৫৮ |
| ১৯। | গুণোৎসৱ (গুণগত শিক্ষা প্ৰসাৰৰ এক অভিনৱ পদক্ষেপ) | ৫৯-৬০ |
| ২০। | শিশুসকলে যি দেখে তাকে শিকে | |
| ২১। | ২০১৭ বৰ্ষৰ দিনপঞ্জী | |

# শিক্ষাৰ অধিকাৰ আইন, ২০০৯

**শিশুৰ শিক্ষাৰ অধিকাৰ সুৰক্ষিত কৰিবলৈ...**

- ৬-১৪ বছৰ বয়সৰ প্ৰতিজন শিশুৰ ৮ বছৰীয়া **বিনামূলীয়া আৰু বাধ্যতামূলক** প্ৰাথমিক শিক্ষা নিশ্চিত কৰিব লাগিব।
- যদিহে ৬ বছৰৰ উৰ্ধৰ কোনো শিশুক বিদ্যালয়ত নামভৰ্তি কৰোৱা হোৱা নাই বা কোনোবাই যদি প্ৰাথমিক শিক্ষা সম্পূৰ্ণ নকৰাকৈ বিদ্যালয় এৰিছে, তেনেহ'লে সেই শিশুক বয়স অনুসৰি নিৰ্দিষ্ট শ্ৰেণীত নামভৰ্তি কৰিব লাগিব।
- নাম ভৰ্তিৰ বেলিকা শিশু, পিতৃ-মাতৃ অথবা অভিভাৱকৰ বাছনি পৰীক্ষা লব নোৱাৰিব।
- নাম ভৰ্তিৰ বাবে বদলি বা জন্মৰ প্ৰমাণপত্ৰ অন্তৰায় হ'ব নোৱাৰিব।
- ভাষা, ধৰ্ম, লিঙ্গ, জাতি, বাধাগ্ৰস্ততা নিৰ্বিশেষে সকলো শিশুৰ প্ৰতি সম আচৰণ আৰু শিক্ষা নিশ্চিত কৰিব লাগিব।
- কোনো শিশুকে নিৰ্দিষ্ট শিক্ষাবৰ্ষত পৰৱৰ্তী শ্ৰেণীলৈ উত্তীৰ্ণ নকৰাকৈ ৰখাই থ'ব নোৱাৰিব বা প্ৰাথমিক শিক্ষা সম্পূৰ্ণ নোহোৱা পৰ্যন্ত বিদ্যালয়ৰ পৰা বহিষ্কাৰ কৰিব নোৱাৰিব।
- ৬ - ১৪ বছৰৰ কোনো শিশুকে শাৰীৰিক শাস্তি আৰু মানসিক নিৰ্যাতন দিব নোৱাৰিব।
- বিদ্যালয়ত সকলো শিক্ষক তথা ছাত্ৰ-ছাত্ৰীৰ নিয়মীয়া উপস্থিতি নিশ্চিত কৰিব লাগিব।
- ছাত্ৰ-ছাত্ৰীৰ শিকন ক্ষমতানুযায়ী শিশুকেন্দ্ৰিক শিক্ষণ-শিকন ব্যৱস্থাৰ প্ৰৱৰ্তন আৰু শিকন অৰ্হতা নিৰ্ণয় কৰিবলৈ অবিৰত সামগ্ৰিক মূল্যায়নৰ ব্যৱস্থা কৰিব লাগিব।
- বিদ্যালয় বহিৰ্ভূত সকলো শিশুকে চিনাক্ত কৰি বিদ্যালয়মুখী কৰিবলৈ যত্নপৰ হ'ব আৰু অৰ্হতা অৰ্জনৰ অৰ্থে বিশেষ প্ৰশিক্ষণৰ ব্যৱস্থা কৰিব। এনে প্ৰচেষ্টা প্ৰব্ৰজনকাৰী শিশুৰ ক্ষেত্ৰতো ল'ব লাগিব।
- শিক্ষকে ঘৰুৱা শিক্ষকতা কৰা কাৰ্যৰ পৰা বিৰত থাকিব।
- বিশেষ প্ৰয়োজন সম্পন্ন ছাত্ৰ-ছাত্ৰীসকলকো সম সুবিধা, নিৰাপত্তা আৰু সম্পূৰ্ণ অংশগ্ৰহণেৰে প্ৰাথমিক শিক্ষা লাভ কৰিবলৈ উৎসাহিত কৰিব লাগিব।
- প্ৰথম শ্ৰেণীৰ পৰা পঞ্চম শ্ৰেণী পৰ্যন্ত ন্যূনতম কৰ্মদিন ২০০ আৰু ৪০০ ঘন্টা পাঠদান। ষষ্ঠ শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণী পৰ্যন্ত ন্যূনতম ২২০ দিন আৰু ১০০০ ঘন্টা পাঠদান হোৱাটো নিশ্চিত কৰিব।
- **প্ৰতি গৰাকী শিক্ষকে সপ্তাহত ৪৫ ঘণ্টা অৰ্থাৎ দৈনিক গড় হিচাপে ৭ ঘণ্টা ৩০ মিনিট বিদ্যালয়ত অতিবাহিত কৰিব লাগিব। দৈনিক সময় তালিকাৰ বাহিৰেও অতিৰিক্ত সময়খিনি শিক্ষক সকলে শিক্ষণীয় দিশৰ প্ৰস্তুতি অৰ্থাৎ পিছৰ দিনৰ বাবে পাঠ পৰিকল্পনা, শিক্ষণ-শিকন সামগ্ৰীৰ প্ৰস্তুতি আৰু ছাত্ৰ-ছাত্ৰীৰ শ্ৰেণী আৰু গৃহকৰ্ম মূল্যায়ন কৰা, অনুপস্থিত ছাত্ৰ-ছাত্ৰীৰ নিয়মীয়াকৰণৰ বাবে অভিভাৱকসকলক যোগাযোগ কৰা, বিদ্যালয়ৰ উন্নয়ন পৰিকল্পনা ৰূপায়নৰ কৰ্মসূচী ঠিক কৰা আৰু শৈক্ষিক দিশত সমানে আগবাঢ়িব নোৱৰা ছাত্ৰ-ছাত্ৰীৰ প্ৰয়োজনীয় দিশসমূহৰ অগ্ৰগতিৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব।**

# শিশুৰ অধিকাৰ সুৰক্ষা আইন, ২০০৫

**শিশুৰ অধিকাৰ সুৰক্ষা আয়োগ আইন, ২০০৫ৰ ক্ষমতা আৰু কাৰ্যাৱলী—**

- প্ৰচলিত কোনো আইনৰ অধীনত বা আইনৰ দ্বাৰা প্ৰদান কৰা শিশুৰ অধিকাৰ সুৰক্ষা সম্বন্ধীয় ব্যৱস্থাসমূহ পৰীক্ষা আৰু পুনৰীক্ষণ কৰি এইসমূহ বাস্তৱায়িত কৰাৰ ক্ষেত্ৰত যথাযথ পৰামৰ্শ প্ৰদান কৰা।
- আয়োগৰ সুবিধা অনুযায়ী শিশুৰ নিৰাপত্তাজনিত ব্যৱস্থাসমূহৰ কাৰ্যকৰণৰ ওপৰত ৰাজ্য চৰকাৰক সময়ে সময়ে প্ৰতিবেদন দাখিল কৰা।
- শিশুৰ কোনো অধিকাৰ উলংঘা কৰাৰ ক্ষেত্ৰত তাৎক্ষণিক তদন্ত সম্পাদন কৰা আৰু এনে ক্ষেত্ৰত ল'বলগীয়া কাৰ্যব্যৱস্থাৰ বাবে পৰামৰ্শ দিয়া।
- শিশুৰ অধিকাৰ বাধাগ্ৰস্ত কৰা উপাদানসমূহ, যেনে— সন্ত্ৰাসবাদ, সাম্প্ৰদায়িক হিংসা, বিদ্ৰোহ, প্ৰাকৃতিক দুৰ্যোগ, এইচ আই ভি/এইড্‌ছ, মানৱ সৰবৰাহ, অসৎ আচৰণ, উৎপীড়ন আৰু শোষণ, অশ্লীলতা আৰু বেশ্যাবৃত্তি আদিৰ দৰে অসামাজিক কাৰ্যবোৰ প্ৰতিৰোধ কৰাৰ কাৰণে ব্যৱস্থাৱলীৰ নিৰ্দেশ দিয়া।
- যন্ত্ৰণাক্লিষ্ট শিশু, পশ্চাৎপদতা অথবা অনগ্ৰসৰতাত ভোগা শিশু, শিশু/কৈশোৰ অপৰাধত লিপ্ত হোৱা শিশু, পৰিয়ালবিহীন শিশু, কাৰাবন্দী শিশুৰ ক্ষেত্ৰত দিবলগীয়া বা পাবলগীয়া যত্ন আৰু নিৰাপত্তা সম্পৰ্কীয় দিশসমূহ চালি-জাৰি চোৱা আৰু তাৰ বাবে ল'বলগীয়া উপযোগী ব্যৱস্থাৱলী সন্দৰ্ভত নিৰ্দেশ দিয়া।
- শিশুৰ অধিকাৰ সন্দৰ্ভত সময়ে সময়ে স্বাক্ষৰিত হোৱা বিভিন্ন চুক্তি, আন্তৰ্জাতিক বিধিসমূহ অধ্যয়ন কৰা, শিশুৰ অধিকাৰ বিষয়ক কাম-কাজ, আঁচনি আৰু অন্যান্য কাৰ্যাৱলীসমূহ সময়ে সময়ে পুনৰীক্ষণ কৰি চোৱা আৰু এই কাৰ্যাৱলী তথা নীতি-নিয়মসমূহৰ প্ৰতি শিশুৰ আগ্ৰহ তথা মনোযোগ সাপেক্ষে কাৰ্যকৰী কৰাৰ নিৰ্দেশ জাৰি কৰা।
- 'শিশুৰ অধিকাৰ' শীৰ্ষক বিষয়ৰ ওপৰত গৱেষণামূলক অধ্যয়ন চলোৱা আৰু সেইমৰ্মে উচিত পদক্ষেপ গ্ৰহণ কৰা।
- শিশুৰ অধিকাৰ কাৰ্যকৰীকৰণ সন্দৰ্ভত সংবাদ মাধ্যম, আলোচনা চক্ৰ, সজাগতামূলক কাৰ্যসূচী তথা অন্যান্য মাধ্যমৰ যোগেদি সমাজৰ বিভিন্ন শ্ৰেণীৰ মানুহৰ মাজত প্ৰচাৰ চলোৱা আৰু অধিকাৰসমূহ সুৰক্ষিত কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা।
- যিকোনো অভিযোগ সন্দৰ্ভত অনুসন্ধান চলোৱা আৰু নিজাববীয়া জাননী জাৰি কৰা।

**বিঃ দ্ৰঃ** - অসম চৰকাৰে ৪ মাৰ্চ তাৰিখটোক ৰাজ্যিক ভিত্তিত **'শিশু সুৰক্ষা দিৱস'** হিচাপে পালন কৰাৰ নিৰ্দেশ জাৰি কৰিছে।

# দিনপঞ্জীৰ উল্লেখনীয় দিশসমূহ

- বিদ্যালয়ৰ নিৰ্ধাৰিত কাৰ্যসূচী আৰম্ভ হোৱাৰ ১৫ মিনিট আগতে নিতৌ সকলো ছাত্ৰ-ছাত্ৰীয়ে প্ৰধান শিক্ষক আৰু আন শিক্ষকৰ তত্বাৱধানত বিদ্যালয় প্ৰাঙ্গণত সমবেত হৈ সমূহীয়া চাফাই কাৰ্যৰে বিদ্যালয় চৌহদ পৰিষ্কাৰ কৰিব। প্ৰয়োজন সাপেক্ষে সময়ে সময়ে বিদ্যালয়ৰ চৌপাশ সমূহীয়াকৈ পৰিষ্কাৰ কৰাৰ ব্যৱস্থা ল'ব।
- দৈনন্দিন নিৰ্ধাৰিত সময়ত প্ৰাতঃসভাৰে বিদ্যালয়ৰ কাৰ্যসূচী আনুষ্ঠানিকভাৱে অনুষ্ঠিত কৰিব। **প্ৰাতঃসভাত প্ৰতিদিনে ৰাষ্ট্ৰীয় সংগীত বা অসমৰ জাতীয় সংগীত গোৱাৰ ব্যৱস্থা কৰিব।** প্ৰধান শিক্ষকে শ্ৰেণী শিক্ষকৰ সহায়ত ছাত্ৰ-ছাত্ৰীৰ ব্যক্তিগত চাফ-চিকুণতা, প্ৰাতঃসভাত সময়মতে উপস্থিত হোৱা আৰু সকলো কাৰ্যসূচীত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰাৰ ওপৰত পৰ্যবেক্ষণ কৰি টোকা প্ৰস্তুত কৰিব আৰু তাৰ ওপৰত ভিত্তি কৰি মূল্যায়নৰ ব্যৱস্থা কৰিব।
- প্ৰাথমিক স্তৰৰ ছাত্ৰ-ছাত্ৰীয়ে যাতে সৰু কালৰ পৰাই সু-স্বাস্থ্য আৰু সু-অভ্যাস গঢ়ি তুলিব পাৰে তাৰ বাবে প্ৰতিগৰাকী শিক্ষক-শিক্ষয়িত্ৰীয়ে তলত দিয়া দিশসমূহত চকু দিব —
  — অনাময় ব্যৱস্থা
  — খোৱা পানী আৰু খাদ্য গ্ৰহণ
  — পৰিষ্কাৰ-পৰিচ্ছন্নতা
- 'ক' শ্ৰেণীৰ বাবে নিতৌ ২ ঘণ্টা ৩০ মিনিট সময়সূচী নিৰ্ধাৰণ কৰা হৈছে। এই সময়সূচী প্ৰাতঃসভাৰ পৰা আৰম্ভ হ'ব।
- প্ৰাথমিক পৰ্যায় আৰু উচ্চ প্ৰাথমিক পৰ্যায়ৰ বাবে দৈনিক সময়সূচী যথাক্ৰমে **৪ ঘণ্টা ৪৫ মিনিট** অৰ্থাৎ **(৯ বজাৰ পৰা ১.৪৫ বজালৈ) আৰু ৫ ঘণ্টা ৩০ মিনিট অৰ্থাৎ (৯ বজাৰ পৰা ২.৩০ বজালৈ)** নিৰ্ধাৰণ কৰা হৈছে। ইয়াৰে ৩০ মিনিট সময় মধ্যাহ্ন ভোজনৰ বাবে আৰু ১৫ মিনিট সময় প্ৰাতঃসভাৰ বাবে গণ্য কৰা হ'ব। **পাঠদান কাৰ্য ঠিক ৯.১৫ বজাৰ পৰা আৰম্ভ হ'ব।** সকলো শিক্ষকে বিদ্যালয় আৰম্ভ হোৱাৰ ১৫ মিনিট আগতে বিদ্যালয়ত উপস্থিত হৈ শ্ৰেণীকোঠাসমূহ আৰু বিদ্যালয়খন চাফ-চিকুণ কৰাৰ লগতে প্ৰাৰ্থনাৰ ব্যৱস্থা কৰিব।

**বিদ্যালয়ৰ সময়সূচী ঃ**

'ক' শ্ৰেণীৰ শিশুৰ বাবে নিৰ্ধাৰিত ২ ঘণ্টা ৩০ মিনিট সময় তলত দিয়া ধৰণে ভাগ কৰি ল'ব —

| | | |
|---|---|---|
| প্ৰাতঃসভা (প্ৰয়োজন অনুসৰি এই সময় বৃদ্ধি কৰিব পাৰে) | – | ১৫ মিনিট |
| শৈক্ষিক বিষয়ৰ আদান-প্ৰদান | – | ১২৫ মিনিট |
| বিৰতি | – | ১০ মিনিট |

প্ৰাথমিক পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীসকল ৪ ঘণ্টা ৪৫ মিনিট (৯ বজাৰ পৰা ১.৪৫ বজালৈ) সময় বিদ্যালয়ত থাকিব লাগিব। উক্ত সময়খিনি সিপিঠিত দিয়া ধৰণে ভাগ কৰি ল'ব —

| | | |
|---|---|---|
| প্ৰাতঃসভা (প্ৰয়োজন অনুসৰি এই সময় বৃদ্ধি কৰিব পাৰে) | – | ১৫ মিনিট |
| শৈক্ষিক বিষয়ৰ আদান-প্ৰদান | – | ২৪০ মিনিট |
| মধ্যাহ্ন ভোজন আৰু বিৰতিৰ বাবে | – | ৩০ মিনিট |

উচ্চ প্ৰাথমিক পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীসকল ৫ ঘণ্টা ৩০ মিনিট (৯ বজাৰ পৰা ২.৩০ বজালৈকে) সময় বিদ্যালয়ত উপস্থিত থাকিব লাগিব। উক্ত সময়খিনি তলত দিয়া ধৰণে ভাগ কৰি ল'ব —

| | | |
|---|---|---|
| প্ৰাতঃসভা (প্ৰয়োজন অনুসৰি এই সময় বৃদ্ধি কৰিব পাৰে) | – | ১৫ মিনিট |
| শৈক্ষিক বিষয়ৰ আদান-প্ৰদান | – | ২৮৫ মিনিট |
| মধ্যাহ্ন ভোজন আৰু বিৰতিৰ বাবে | – | ৩০ মিনিট |

- ❑ শৈক্ষিক দিনপঞ্জী অনুযায়ী জানুৱাৰী মাহৰ ২ তাৰিখৰ পৰাই শিক্ষণ-শিকন প্ৰক্ৰিয়া আৰম্ভ কৰিব। এই দিনটো শিকাৰুৰ নামত **বিদ্যাৰম্ভ উৎসৱ** হিচাপে গণ্য কৰিব।
- ❑ অভিভাৱকৰ সৈতে পাঠ্যপুথি প্ৰাপ্তি আৰু নিয়মীয়া পাঠদান সম্পৰ্কে ১৮ জানুৱাৰীত আলোচনা কৰিব।
- ❑ শৈক্ষিক দিনপঞ্জীত উল্লেখ কৰা **'উদ্‌যাপন দিৱস'** বিদ্যালয়ত উদ্‌যাপন কৰি তাৰ প্ৰতিবেদন কৰ্তৃপক্ষৰ ওচৰত দাখিল কৰিব (যদিহে উদ্‌যাপন কৰিবলগীয়া দিনটো কোনো বন্ধ বা ৰবিবাৰত পৰে তেনেহ'লে বিদ্যালয়ৰ সুবিধা অনুসৰি আগতীয়াকৈ বা বন্ধৰ পিছৰ দিনা অনুষ্ঠিত কৰিব পাৰিব)। ইয়াৰোপৰি স্থান বিশেষে বিশিষ্ট ব্যক্তিৰ নামত উদ্‌যাপন কৰিবলগীয়া দিনসমূহ স্থানীয় কৰ্তৃপক্ষৰ লগত আলোচনা কৰি বিদ্যালয়ত উদ্‌যাপনৰ ব্যৱস্থা কৰিব।
- ❑ জিলা কৰ্তৃপক্ষৰ ঘোষণা অনুযায়ী স্থানীয় বন্ধৰ দিন পালন কৰিব।
- ❑ **কোনো বিশিষ্ট ব্যক্তিৰ বিয়োগ হ'লে সেইদিনা শ্ৰেণী শেষ হোৱাৰ পাছত 'শোক সভা' অনুষ্ঠিত কৰিব। কোনো কাৰণতে যাতে জিলা কৰ্তৃপক্ষৰ অনুমতি নোলোৱাকৈ বিদ্যালয় বন্ধ বা অৰ্ধ ছুটী ঘোষণা কৰা নহয় তাৰ প্ৰতি দৃষ্টি ৰাখিব।**
- ❑ চৰকাৰৰ নিৰ্দেশ অনুযায়ী সময়ে সময়ে শৈক্ষিক দিনপঞ্জীৰ সালসলনি ঘটিব পাৰে; এই সালসলনিসমূহ যথা সময়ত জনোৱা হ'ব।
- ❑ বানপানীৰ ফলত বা অন্যান্য কাৰণত শিক্ষাদান ব্যাহত হ'লে বন্ধ দিন, ৰবিবাৰ বা পৰৱৰ্তী কাৰ্য দিনত স্কুল ছুটীৰ পিছত পাঠদান কৰি এই ক্ষতি পূৰ কৰিব।
- ❑ মণ্ডল সমল শিক্ষক সভা, কেন্দ্ৰ সভা আৰু উচ্চ প্ৰাথমিক পৰ্যায়ৰ জোনেল মিটিং প্ৰতি মাহত সুবিধা অনুসৰি যিকোনো এটা শনিবাৰে বিদ্যালয়ৰ ছুটীৰ পিচত অনুষ্ঠিত কৰিব।
- ❑ বিশেষ প্ৰয়োজন সম্পন্ন শিশুৰ [Children with Special Needs (CWSN)] পাঠ আদান-প্ৰদানৰ ক্ষেত্ৰত শিক্ষকে প্ৰয়োজন অনুসৰি কাৰিকুলামত সন্নিবিষ্ট ক্ৰিয়া-কলাপসমূহ সালসলনি কৰি তেওঁলোকৰ সহায়ক হোৱাকৈ নমনীয় ব্যৱস্থা ল'ব।
- ❑ শিক্ষকসকলে শিশুৰ পিতৃ-মাতৃ আৰু অভিভাৱকৰ লগত প্ৰতিমাহত অতি কমেও এবাৰ সাক্ষাৎকাৰৰ ব্যৱস্থা কৰি শিশুসকলৰ উপস্থিতি, শিকন দক্ষতা, শৈক্ষিক অগ্ৰগতি আৰু তেওঁলোকৰ ব্যক্তিগত-সামাজিক গুণৰাজিৰ বিকাশ সন্দৰ্ভত তেওঁলোকক অৱগত কৰাব।

সঞ্চালক

ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম

কাহিলিপাৰা, গুৱাহাটী - ৭৮১০১৯।

# বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ মাজত নীতি শিক্ষা আহৰণৰ বাবে কৰিবলগীয়া কিছু কাম

ছাত্ৰ-ছাত্ৰীৰ মাজত নীতি শিক্ষা আৰু মূল্যবোধৰ ভাব জগাই তুলিবলৈ শিক্ষকে কৰিবলগা কিছু কাম তলত দিয়া হ'ল—

- প্ৰাতঃসভাত ৫ মিনিট সময় নীতি শিক্ষা আৰু মূল্যবোধ শিক্ষাৰ বাবে ৰাখিব। ইয়াৰে ১ মিনিট সময় ধ্যান কৰিবলৈ দিব আৰু ৪ মিনিট সময় মহৎ লোকৰ বাণী পঢ়িব (শিক্ষক বা ছাত্ৰ-ছাত্ৰীয়ে লিখি আনিব)।
- কেতিয়াবা মৌনব্ৰত কৰাব। মৌনব্ৰতৰ পিছত ছাত্ৰ-ছাত্ৰীৰ মনৰ ভাব ব্যক্ত কৰিবলৈ দিব।
- শাৰীৰিক শিক্ষাৰ পিৰিয়ডত ড্ৰিল, যোগাসন, প্ৰাণায়াম কৰাব।
- ভাষাৰ পিৰিয়ডত মাহত এদিন পাঠ্যপুথিৰ পৰা নীতি আৰু মূল্যবোধ সমন্বিত সাধু বাছি উলিয়াই ছাত্ৰ-ছাত্ৰীৰ আগত ক'ব। পাঠ্যপুথিৰ বাহিৰেও প্ৰকৃতিৰ লগত সম্পৰ্ক থকা সত্য, ত্যাগ, পৰোপকাৰ, শ্ৰদ্ধা, ভক্তি, প্ৰেম আদি সদ্‌গুণ প্ৰকাশ পোৱা সাধু শুনাব লাগে, যেনে— হৰিচন্দ্ৰ উপাখ্যান, শ্ৰৱণৰ পিতৃভক্তি, ঈছপৰ সাধু, লোককাহিনী আদি। ইয়াৰোপৰি মাহত অন্ততঃ এদিন মহৎ লোক, বীৰ পুৰুষ, সাহিত্যিক, শিল্পী আদিৰ জীৱনী আৰু তেওঁলোকৰ অৱদানৰ বিষয়ে ক'ব।
- কলা শিক্ষাৰ পিৰিয়ডত সপ্তাহত এদিন দেশপ্ৰেমমূলক, ভ্ৰাতৃত্ববোধ, সহনশীলতা, সাংস্কৃতিক বৈশিষ্ট্যৰ ভাৱ জাগ্ৰত কৰিব পৰা গীত গোৱাব।
- পৰিৱেশন কলা হিচাপে শিক্ষকে ছাত্ৰ-ছাত্ৰীক সমূহীয়া গীত-মাত, বিভিন্ন জনগোষ্ঠীৰ গীত-মাত আদি গোৱাব। নৃত্য, নাট, অভিনয় আদিৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীৰ মাজত শান্তি শিক্ষা, মূল্যবোধৰ ভাব জগাব।
- অসমৰ জাতীয় সঙ্গীতটি বিদ্যালয় ছুটী হোৱাৰ সময়ত সকলো ছাত্ৰ-ছাত্ৰীক শাৰী পাতি থিয় হৈ গাবলৈ দিব।
- নিজৰ জন্মদিনত এটি গছপুলি ৰোপন কৰা আৰু তাৰ প্ৰতিপালনৰ অভ্যাস গঢ়াত উৎসাহিত কৰিব।
- ধঁপাত সেৱন, ৰাগিয়াল বস্তুৰ অপকাৰিতা তথা এই বস্তু সেৱনৰ পৰা বিৰত থকাটো নিশ্চিত কৰিবলৈ এনে বস্তুৰ সেৱনৰ ফলত হোৱা ভয়াৱহ ৰোগসমূহৰ বিষয়ে সতৰ্কতামূলক কথা ক'ব।
- ৰাস্তা বা পদপথত নিয়মমতে খোজ কঢ়োৱাৰ অভ্যাস গঠন কৰোৱা, আনৰ কথা ধৈৰ্য সহকাৰে শুনি উত্তৰ দিয়াৰ অভ্যাস কৰোৱা।
- মূল্যবোধৰ ভাব আহৰণ কৰিবলৈ কলা শিক্ষাৰ পিৰিয়ডত জীৱৰ প্ৰতি সহনশীলতা, শান্তিৰ প্ৰতীক (কপৌ, পাৰ চৰাই), ধঁপাত সেৱনৰ পৰা বিৰত থকা আদি বিষয়ক ছবি ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা অঁকাই শ্ৰেণীকোঠাত বা বিদ্যালয়ৰ আন ঠাইত ওলোমাই থ'ব।
- সমাজ বিজ্ঞান, বিজ্ঞান, পৰিৱেশ অধ্যয়নৰ পিৰিয়ডত ধঁপাত তথা আন ৰাগিয়াল বস্তু সেৱনৰ পৰা নিজে বিৰত থকা আৰু আনকো বিৰত থকাৰ প্ৰতি সচেতন কৰাৰ ওপৰত আলোচনাৰ ব্যৱস্থা কৰিব।

- মাহত এদিন শিক্ষকৰ নেতৃত্বত সমজুৱাভাৱে কোনো অঞ্চলত চাফাই কাম কৰিব।
- শিক্ষকৰ নেতৃত্বত ছাত্ৰ-ছাত্ৰীয়ে বিদ্যালয়ৰ তৰফৰ পৰা কোনো সামাজিক অনুষ্ঠানত স্বেচ্ছামূলক সেৱা আগবঢ়াব।
- ছাত্ৰ-ছাত্ৰীয়ে ঘৰত/গাঁৱত/নিজ অঞ্চলত কোনো বয়সস্থ লোক বা শাৰীৰিকভাৱে অক্ষম লোক থাকিলে তেওঁলোকক ফুৰাচকাত সহায় কৰিব। এনে কাৰ্যৰ বাবে শ্ৰেণীত শিক্ষকে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত কথোপকথনৰ ব্যৱস্থা কৰিব।
- ছাত্ৰ-ছাত্ৰীক মাক-দেউতাকক ঘৰুৱা কামত সহায় কৰিবলৈ; যেনে— শাক-পাচলিৰ বাৰীত, ফুলনি বাৰীত, খেতিপথাৰত পানী দিয়া, ৰন্ধা-বঢ়া, চিলাই আদিত সহায় কৰিবলৈ উৎসাহ যোগাব। তদুপৰি প্ৰত্যেকে যাতে নিজৰ কাম নিজে কৰে তাৰ ওপৰত গুৰুত্ব দিব। ছাত্ৰ-ছাত্ৰীৰ সামগ্ৰিক অগ্ৰগতিৰ খতিয়ান পত্ৰত কোনে কিদৰে পৰিয়ালক সহায় কৰে তাক লিপিবদ্ধ কৰি থ'ব।
- পৰিৱেশ অধ্যয়ন বিষয়ৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীয়ে যাতে সঠিক আচাৰ-ব্যৱহাৰ, সৎ ব্যৱহাৰ আহৰণ কৰে শিক্ষকে তাক নিশ্চিত কৰিব, যেনে— জ্যেষ্ঠজনক সন্মান কৰা, কনিষ্ঠজনক মৰম-চেনেহ কৰা, ব্যক্তিগত সম্পদৰ লগতে ৰাজহুৱা সম্পদৰ সংৰক্ষণ, বিদ্যালয়ৰ ক্ৰিয়া-কলাপত নিয়মানুবৰ্তিতা/শৃংখলাবদ্ধতা মানি চলা, পৰিষ্কাৰ-পৰিচ্ছন্ন হৈ থকা আদি।
- সংবিধানত থকা নাগৰিকৰ মৌলিক দায়িত্ব আৰু কৰ্তব্যসমূহ প্ৰায়বিলাক প্ৰাথমিক পৰ্যায়ৰ পাঠ্যপুথিৰ ভিতৰৰ বেটুপাতত সংলগ্ন কৰা হৈছে। শিক্ষকে সময়ে সময়ে ছাত্ৰ-ছাত্ৰীৰ লগত এই সন্দৰ্ভত আলোচনা কৰি ইয়াৰ গুৰুত্ব উপলব্ধি কৰাব। বিশেষকৈ পৰিৱেশ অধ্যয়ন আৰু সমাজ বিজ্ঞানৰ পিৰিয়ডত ইয়াৰ ওপৰত বিশদভাৱে আলোচনা কৰিব।
- তদুপৰি সমাজ বিজ্ঞান বিষয়ৰ পিৰিয়ডত তলত দিয়া বিষয়বস্তুৰ ওপৰত বছৰত অন্ততঃ দুটা আলোচনাৰ ব্যৱস্থা কৰিব।

  — ভাৰতৰ সংবিধানৰ মূল বৈশিষ্ট্য
  — মৌলিক অধিকাৰ
  — মৌলিক দায়িত্ব আৰু কৰ্তব্য
  — অনৈক্যৰ মাজত ঐক্য, ইত্যাদি।

  (ইয়াৰ বাবে প্ৰয়োজন হ'লে স্থানীয় সমল ব্যক্তিৰ সহায় ল'ব।)



*সঞ্চালক,*

ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম

কাহিলিপাৰা, গুৱাহাটী-১৯

## বিদ্যালয় পৰিচালনাৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীৰ ভূমিকা

### ছাত্ৰ সংসদ ঃ

বিদ্যালয়খন সুচাৰুৰূপে পৰিচালনা কৰিবলৈ সকলোৰে সহায়-সহযোগ অপৰিহাৰ্য। প্ৰতি বিদ্যালয়তে শিক্ষকসকলক সহায় কৰিবৰ বাবে আৰু বিদ্যালয়ৰ বিভিন্ন কাম-কাজ সুচাৰুৰূপে চলাবৰ বাবে ছাত্ৰ-ছাত্ৰীসকলক **ছাত্ৰ সংসদ** গঠন কৰি বিভিন্ন কামৰ দায়িত্ব অৰ্পণ কৰিব।

ইয়াৰ জৰিয়তে শিশুসকলক স্বাধীনভাৱে কাম কৰা আৰু চিন্তা কৰি চোৱাৰ সুযোগ দিব পৰা যাব। মন কৰিবলগীয়া কথা যে ছাত্ৰ-ছাত্ৰীয়ে নিখুঁতভাৱে কাৰ্য সম্পাদন কৰাটো ছাত্ৰ সংসদৰ একমাত্ৰ লক্ষ্য নহয়। ছাত্ৰ সংসদৰ উদ্দেশ্য হ'ল —

- ইয়াৰ জৰিয়তে তেওঁলোকে স্বতঃস্ফূৰ্তভাৱে বহুত কথা শিকিব।
- ছাত্ৰ-ছাত্ৰীয়ে সভা পাতি ভাষণ দিবলৈ, নাচ-গান, কবিতা আবৃত্তি, অভিনয় আদি পৰিবেশন কৰিবলৈ শিকিব।
- মিলিজুলি কাম কৰিবলৈ আৰু যিকোনো বিষয়ত আলোচনা কৰি সিদ্ধান্ত ল'বলৈ শিকিব।
- আত্মবিশ্বাস গঢ়িব, নেতৃত্ব গুণৰ বিকাশ হ'ব, শৃঙ্খলাবদ্ধতা আৰু সমাজ সচেতনতা বাঢ়িব।
- অভিভাৱকে নিয়মিতভাৱে বিদ্যালয়ৰ খবৰবোৰ পাব আৰু নিজৰ চিন্তা, ধ্যান-ধাৰণা বিদ্যালয়লৈ প্ৰেৰণ কৰিব পাৰিব।
- ছাত্ৰ, শিক্ষক আৰু অভিভাৱকৰ মাজত মধুৰ সম্পৰ্ক গঢ়ি উঠিব।

বিদ্যালয়ৰ প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীয়ে যাতে বিভিন্ন কামৰ নেতৃত্ব লোৱাৰ সুবিধা পায়, সেই অৰ্থে দায়িত্বসমূহ প্ৰতি দুমাহৰ মূৰে মূৰে পৰিৱৰ্তন কৰিব।

প্ৰতিখন বিদ্যালয়ত অসমৰ প্ৰসিদ্ধ ব্যক্তিৰ নামত কেইবাটাও গোট গঠন কৰিব, যেনে- জয়মতী গোট, লাচিত বৰফুকন গোট, কনকলতা গোট, মণিৰাম দেৱান গোট, জ্যোতিপ্ৰসাদ আগৰৱালা গোট আদি। প্ৰতিটো গোটত প্ৰতিটো শ্ৰেণীৰ সমান সংখ্যক ছাত্ৰ-ছাত্ৰী সভ্য হ'ব। এই গোটসমূহে পৰ্যায়ক্ৰমে বিভিন্ন কাম-কাজৰ দায়িত্ব ল'ব। প্ৰতিটো দলৰ কাৰ্যাৱলীৰ ওপৰত ভিত্তি কৰি বছৰৰ শেষত শ্ৰেষ্ঠ গোটক স্বীকৃতি প্ৰদান কৰি উৎসাহিত কৰিব।

তদুপৰি বিদ্যালয়ৰ স্বাস্থ্যবিধিসন্মত ব্যৱস্থাৱলী, যেনে— বিশুদ্ধ খোৱা পানী, শৌচাগাৰ, প্ৰস্ৰাৱগাৰ, হাত ধোৱা চাবোন, জাবৰ পেলোৱা পাত্ৰ, বিদ্যালয় প্ৰাঙ্গনৰ চাফ-চিকুণতাৰ লগতে শ্ৰেণীকোঠা, শিক্ষকৰ জিৰণিকোঠাৰ পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ তদাৰক কৰিবলৈ ছাত্ৰ সংসদৰ পৰা এজন বা ততোধিক ছাত্ৰ প্ৰতিনিধি নিযুক্ত কৰিব যাতে প্ৰতিখন বিদ্যালয়ৰ স্বচ্ছতা অটুত থাকে। এইক্ষেত্ৰত ছাত্ৰ প্ৰতিনিধিৰ দায়িত্ব সময়ে সময়ে সলনি কৰিব। এনে ব্যৱস্থাই স্বাস্থ্যসন্মত পৰিৱেশত ছাত্ৰ-ছাত্ৰীসকলৰ সামগ্ৰিক বিকাশ ত্বৰাণ্বিত কৰিব আৰু প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীয়ে এখন স্বচ্ছ দেশৰ নাগৰিক হোৱাৰ গৌৰৱ অৰ্জন কৰিব।

**প্ৰাক্-প্ৰাথমিক, প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক পৰ্যায়ৰ কাৰিকুলামত সন্নিবিষ্ট বিষয়সমূহ—**

**(ক) 'ক' শ্ৰেণী**

**'ক' শ্ৰেণীৰ শিক্ষাৰ উদ্দেশ্য হৈছে —**

- শিশুসকলক বিদ্যালয়মুখী কৰাৰ বাবে পৰিৱেশ সৃষ্টি কৰা
- শিশুৰ সৰ্বাংগীন বিকাশত অৰিহণা যোগোৱা
- আনুষ্ঠানিক শিক্ষাৰ বাবে ধাউতি বঢ়োৱা আৰু প্ৰস্তুত কৰি তোলা

**সৰ্বাংগীন বিকাশৰ প্ৰধান দিশসমূহ হৈছে —**

- ভাষাৰ বিকাশ
- বোধ শক্তিৰ বিকাশ
- শাৰীৰিক বিকাশ
- সামাজিক আৰু আৱেগিক বিকাশ
- সৌন্দৰ্যবোধৰ বিকাশ
- সৃজনীমূলক শক্তিৰ বিকাশ

এই স্তৰত শিশুক খেল-ধেমালিৰ জৰিয়তে উক্ত গোটেই কেইটা দিশৰে বিকাশ সাধন কৰিবলৈ বিভিন্ন ক্ৰিয়া-কলাপৰ ব্যৱস্থা কৰা হয়।

এইক্ষেত্ৰত শিক্ষয়িত্ৰীসকলে বিশেষ মন কৰিবলগীয়া দিশকেইটা হৈছে — 'ক' শ্ৰেণীৰ বাবে অনুমোদিত কৰ্মপুথিসমূহ বিদ্যালয়ত প্ৰথম দুটা মাহত ব্যৱহাৰ কৰিবলৈ দিব নালাগে। এই দুটা মাহত বিদ্যালয়ৰ পৰিৱেশৰ লগত শিশুসকল যাতে খাপ খাব পাৰে তাৰ বাবে গীত-মাত, খেলা-ধূলা আৰু কথোপকথন আদি কাৰ্য কৰাব লাগে।

**'ক' শ্ৰেণীৰ কাৰ্যক্ৰমত সামৰি লোৱা দিশসমূহ —**

শিশুৰ সৰ্বাংগীন বিকাশৰ বাবে শিক্ষয়িত্ৰীয়ে বিষয়ভিত্তিক পৰিকল্পনা কৰিব লাগে। বিষয়ভিত্তিক পৰিকল্পনা হৈছে —

⇨ বিভিন্ন বিষয়বস্তুক কেন্দ্ৰ কৰি 'ক' শ্ৰেণীৰ শিশুৰ উপযোগীকৈ যুগুতোৱা ক্ৰিয়া-কলাপৰ এক বিশদ বিৱৰণ।

⇨ বিষয়ভিত্তিক পৰিকল্পনাৰ গুৰুত্বপূৰ্ণ দিশবোৰ ক্ৰমে সহজৰ পৰা জটিললৈ আগবাঢ়ে অৰ্থাৎ প্ৰথমে বিষয়বস্তু সহজ বা শিশুৰ চিনাকি হ'ব লাগে আৰু লাহে লাহে অচিনাকি বা জটিললৈ আগবাঢ়িব লাগে।

⇨ শিশুক বিদ্যালয়ৰ পৰিৱেশৰ প্ৰতি আগ্ৰহান্বিত কৰিবলৈ চিনাকি হোৱা, খেল-ধেমালি, গীত-মাত, কথোপকথন আদি কৰাব লাগে। এইক্ষেত্ৰত শিক্ষয়িত্ৰীসকলে তলত দিয়া ধৰণে মাহভিত্তিক, বিষয়বস্তুভিত্তিক ক্ৰিয়া-কলাপৰ পৰিকল্পনা কৰিলে শিশুক বিদ্যালয় পৰিৱেশৰ প্ৰতি আকৰ্ষিত কৰিব পাৰিব।

| | |
|---|---|
| মাৰ্চ | — গছ-গছনি, ফুল |
| এপ্ৰিল | — ফল-মূল, শাক-পাচলি |
| মে’ | — জীৱ, চৰাই |
| জুন | — অংগ-প্ৰত্যংগ, যান-বাহন |
| জুলাই | — গৰমৰ বন্ধ |
| আগষ্ট | — ঘৰ, পোছাক |
| ছেপ্তেম্বৰ | — পানী, কীট-পতংগ |
| অক্টোবৰ | — আকাশ, জীৱিকা |
| নৱেম্বৰ | — বজাৰ, উৎসৱ |
| ডিচেম্বৰ | — পুনৰ আলোচনা |

ইয়াৰ বিশদ বিৱৰণ ‘ক’ শ্ৰেণীৰ শিক্ষয়িত্ৰীৰ বাবে প্ৰস্তুত কৰা “বিষয়বস্তুভিত্তিক ক্ৰিয়া-কলাপৰ পৰিকল্পনা”ত দাঙি ধৰা হৈছে।

**(খ) প্ৰাথমিক স্তৰ (প্ৰথম শ্ৰেণীৰ পৰা পঞ্চম শ্ৰেণীলৈ)**

<u>**বিষয়**</u>

- **ভাষা ১** (মাতৃভাষা আৰু মাধ্যম ভাষা)
- **ভাষা ২** ○ ইংৰাজী (অনা ইংৰাজী মাধ্যমৰ বিদ্যালয়ৰ বাবে)
  ○ ৰাজ্যিক/সহযোগী ৰাজ্যিক ভাষাৰ যিকোনো এটা (ইংৰাজী মাধ্যমৰ বিদ্যালয়ৰ বাবে)
- **গণিত**
- **পৰিৱেশ অধ্যয়ন** (প্ৰথম আৰু দ্বিতীয় শ্ৰেণীত সমন্বিতভাৱে ভাষা আৰু আন বিষয়ৰ লগত সংলগ্নভাৱে থাকিব)
- **স্বাস্থ্য আৰু শাৰীৰিক শিক্ষা**
- **কলা শিক্ষা**

(যিবোৰ বিদ্যালয়ত অন্য ভাষা যেনে— মিছিং, তিৱা, ৰাভা, টাই, দেউৰী, বিষ্ণুপ্ৰিয়া মণিপুৰী আদি ভাষাৰ ছাত্ৰ-ছাত্ৰী আছে, সেইসকল ছাত্ৰ-ছাত্ৰীৰ বাবে মাধ্যম ভাষাৰ লগতে তেওঁলোকৰ মাতৃভাষা শিকাৰ বাবে পাঠদান কৰাৰো ব্যৱস্থা কৰিব।)

(গ) **উচ্চ প্ৰাথমিক স্তৰ (ষষ্ঠ শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈ)**

<u>বিষয়</u>

- **ভাষা ১** (মাতৃভাষা বা মাধ্যম ভাষা)
- **ভাষা ২** ○ ইংৰাজী (অনা ইংৰাজী মাধ্যমৰ বিদ্যালয়ৰ বাবে)
  ○ ৰাজ্যিক/সহযোগী ৰাজ্যিক ভাষাৰ যিকোনো এটা (ইংৰাজী মাধ্যমৰ বিদ্যালয়ৰ বাবে)
- **ভাষা ৩** ছাত্ৰ-ছাত্ৰীয়ে ভাষা ৩ৰ বাবে বিদ্যালয়ৰ মাধ্যম অনুসৰি (ক) বা (খ) ল'ব পাৰিব।

(ক) ○ হিন্দী (১০০%)
বা
○ হিন্দী (৫০%) + ভাষা ৪ (৫০%)
} অনা হিন্দী মাধ্যম বিদ্যালয়ৰ বাবে

(খ) ৰাজ্যিক ভাষা/সহযোগী ৰাজ্যিক ভাষাৰ যিকোনো এটা (১০০%)
বা
ৰাজ্যিক ভাষা {(৫০%) + ভাষা ৪ (৫০%)}
} হিন্দী মাধ্যম বিদ্যালয়ৰ বাবে

{ভাষা ৪ বাধ্যতামূলক নহয়। শিক্ষাৰ্থীয়ে তৃতীয় ভাষাৰ (৫০%) লগতে যদি ইচ্ছা কৰে চতুৰ্থ ভাষা (৫০%) অৰ্থাৎ সংস্কৃত/আৰবী/অন্য ভাষা (যদিহে ভাষাটো প্ৰথম ভাষা হিচাপে পঢ়িবলৈ সুবিধা নাপায়) ল'ব পাৰিব}।

- **পৰিৰেশ শিক্ষা** (ভাষা, বিজ্ঞান, সমাজ বিজ্ঞান পাঠ্যপুথিত সন্নিবিষ্ট হৈ আছে)
- **গণিত**
- **বিজ্ঞান**
- **সমাজ বিজ্ঞান**
- **স্বাস্থ্য আৰু শাৰীৰিক শিক্ষা**
- **কলা শিক্ষা** আৰু
- **কৰ্ম শিক্ষা**

## স্বাস্থ্য আৰু শাৰীৰিক শিক্ষা ঃ

ছাত্ৰ-ছাত্ৰীৰ সু-স্বাস্থ্যৰ বাবে শাৰীৰিক শিক্ষাৰ ওপৰত বিশেষ গুৰুত্ব দিব। বছৰেকীয়া খেল-ধেমালি অনুষ্ঠিত কৰাটো নিশ্চিত কৰিব। সকলো ছাত্ৰ-ছাত্ৰীয়ে যাতে ইয়াত অংশগ্ৰহণ কৰে তাৰ বাবে স্বাস্থ্য আৰু শাৰীৰিক শিক্ষাৰ পিৰিয়ডত খেল-ধেমালিৰ অভ্যাসন কৰাৰ প্ৰতি লক্ষ্য ৰাখিব। ইয়াৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীয়ে প্ৰতিভা বিকাশৰ সুযোগ লাভ কৰিব আৰু লগতে বিশেষ পাৰদৰ্শিতা থকা ছাত্ৰ-ছাত্ৰীক চিনাক্ত কৰিব পৰা যাব যাৰ ফলত ভৱিষ্যতৰ বাবে এনে ছাত্ৰ-ছাত্ৰীক খেলুৰৈ হিচাপে আগবঢ়াই লৈ যাব পাৰিব।

প্ৰাথমিক স্তৰত প্ৰতিদিনে প্ৰতিটো শ্ৰেণীৰ বাবে কমেও এটাকৈ পিৰিয়ড আৰু সপ্তাহৰ এটা দিনত পাঁচটা শ্ৰেণী একেলগ কৰি স্বাস্থ্য আৰু শাৰীৰিক শিক্ষাৰ আদান-প্ৰদানৰ ব্যৱস্থা কৰিব।

উচ্চ প্ৰাথমিক পৰ্যায়ৰ বাবে সপ্তাহত কমেও দুই বা তিনিটা পিৰিয়ড স্বাস্থ্য আৰু শাৰীৰিক শিক্ষাৰ বাবে নিৰ্ধাৰিত কৰিব।

**কাৰিকুলাম অনুযায়ী স্বাস্থ্য আৰু শাৰীৰিক শিক্ষাৰ ক্ৰিয়া-কলাপসমূহ ঃ**
**(প্ৰাথমিক শ্ৰেণীৰ বাবে) ঃ—**

- ⇨ স্বাস্থ্য , পৰিষ্কাৰ-পৰিচ্ছন্নতা আৰু সু-অভ্যাস গঠন
- ⇨ সহজ ব্যায়াম
- ⇨ ড্ৰিল আৰু মাৰ্চিং
- ⇨ যোগাসন আৰু প্ৰাণায়াম
- ⇨ লঘু খেল/স্থানীয় খেল
- ⇨ এথ্‌লেটিক্‌চ
- ⇨ কাব্‌-বুলবুল
- ⇨ সুৰক্ষা শিক্ষা, প্ৰাকৃতিক দুৰ্যোগ আৰু আকস্মিক দুৰ্ঘটনাৰ পৰা ৰক্ষা
- ⇨ বেমাৰ-আজাৰ, খাদ্য আৰু পৰিপুষ্টিৰ সৰ্ম্পকীয় সচেতনতা

**উচ্চ প্ৰাথমিক শ্ৰেণীৰ বাবে ঃ**

- ⇨ স্বাস্থ্য, পৰিষ্কাৰ-পৰিচ্ছন্নতা আৰু সু-অভ্যাস গঠন
- ⇨ সহজ ব্যায়াম
- ⇨ ড্ৰিল আৰু মাৰ্চিং
- ⇨ যোগাসন আৰু প্ৰাণায়াম
- ⇨ গুৰু খেল/স্থানীয় খেল
- ⇨ এথ্‌লেটিক্‌চ
- ⇨ স্কাউট-গাইড
- ⇨ সুৰক্ষা শিক্ষা, প্ৰাকৃতিক দুৰ্যোগ আৰু আকস্মিক দুৰ্ঘটনাৰ পৰা ৰক্ষা পোৱাৰ ব্যৱস্থাৰ বিষয়ে জনা
- ⇨ বেমাৰ-আজাৰ, খাদ্য আৰু পৰিপুষ্টি সৰ্ম্পকীয় সচেতনতা গঢ়ি তোলা

স্বাস্থ্য আৰু শাৰীৰিক শিক্ষাৰ বিষয়বস্তুসমূহৰ আদান-প্ৰদানৰ বাবে বিদ্যালয় কৰ্তৃপক্ষই তলত উল্লেখ কৰা অনুষ্ঠানসমূহত থকা অভিজ্ঞ ব্যক্তিৰ পৰা সহায় ল'ব পাৰিব —

⇨ জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান (ডায়েট)

⇨ বুনিয়াদী প্ৰশিক্ষণ কেন্দ্ৰ (বি.টি.চি)

⇨ নৰ্মাল স্কুল

⇨ ক্ৰীড়া বিভাগ

⇨ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগ

⇨ ৰাষ্ট্ৰীয় গ্ৰাম্য স্বাস্থ্য অভিযান মিছন

ইয়াৰ বাহিৰেও কাব্-বুলবুল, স্কাউট আৰু গাইডৰ বাবে জিলাভিত্তিক সমল ব্যক্তি, স্থানীয় ক্ৰীড়া সংগঠন, ক্ৰীড়া ক্লাবৰ পাৰদৰ্শী ব্যক্তি বা অন্যান্য প্ৰশিক্ষণপ্ৰাপ্ত ব্যক্তিৰো সহায় ল'ব পাৰে।

**অন্য বিষয়ৰ দৰে স্বাস্থ্য আৰু শাৰীৰিক শিক্ষাৰো মূল্যায়ন কৰিব লাগিব। স্বাস্থ্য আৰু শাৰীৰিক শিক্ষাৰ মূল্যায়ন কৰোঁতে শিক্ষক-শিক্ষয়িত্ৰীসকলে তলৰ কথাকেইটালৈ মন কৰিব—**

⇨ প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ বিষয়গত অগ্ৰগতিৰ খতিয়ান (ওপৰত উল্লেখ কৰা বিষয়বস্তুসমূহৰ ওপৰত) টোকাবহীত লিখি থ'ব।

⇨ প্ৰতিভা সম্পন্ন ছাত্ৰ-ছাত্ৰীক চিনাক্ত কৰি তেওঁলোকক জিলা, ৰাজ্যিক, ৰাষ্ট্ৰীয় বা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত অংশগ্ৰহণ কৰাৰ বাবে সুযোগ দিব।

⇨ মূল্যায়ন কৰোঁতে পোৱা শিকাৰুৰ দুৰ্বলতাৰ দিশসমূহ ফঁহিয়াই চাই তেওঁলোকক সেই দিশসমূহত সবল কৰিবলৈ যত্ন কৰিব।

## কলা শিক্ষা ঃ

প্ৰথম শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈ কলা শিক্ষাক **দৃশ্য কলা আৰু পৰিৱেশন কলাত** ভাগ কৰা হৈছে। দৃশ্য কলাক ড্ৰয়িং, ডিজাইন, ছপা চিত্ৰ, ক'লাজ, ভাস্কৰ্য আৰু পৰিৱেশন কলাক নৃত্য, অভিনয়, সংগীত হিচাপে ভাগ কৰা হৈছে।

প্ৰাথমিক পৰ্যায়ত তত্ত্বৰ ওপৰত বেছি গুৰুত্ব নিদি কেৱল বিষয়টোৰ প্ৰতি আৰু ব্যক্তিগত/দলগত কামৰ প্ৰতি আগ্ৰহ জন্মাবলৈ প্ৰয়াস কৰা হৈছে। বিষয়টো আদান-প্ৰদানৰ বাবে সপ্তাহত মুঠ ৫ টা পিৰিয়ডৰ ব্যৱস্থা থাকিব। বিদ্যালয় সপ্তাহ বা বিদ্যালয়ৰ লগত জড়িত হোৱা অন্য কোনো অনুষ্ঠানত কলা শিক্ষাৰ বিভিন্ন ক্ৰিয়া-কলাপত অংশগ্ৰহণ কৰিবলৈ ছাত্ৰ-ছাত্ৰীক অনুপ্ৰেৰণা যোগাব। কলা শিক্ষাৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীয়ে প্ৰতিভা বিকাশৰ বাবে সুবিধা পোৱাৰ লগতে তেওঁলোকৰ মনত প্ৰতিযোগিতাৰ ভাৱো গঢ়ি উঠিব ।অন্যান্য বিষয়ৰ সৈতেও কলা শিক্ষাক জড়িত কৰি পাঠদান কৰিব পাৰে। শিক্ষকসকলে

প্ৰয়োজনবোধে স্থানীয় দক্ষ ব্যক্তিৰ সহায়ো ল'ব পাৰে। জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ অভিজ্ঞ ব্যক্তিৰো সহায় ল'ব পাৰে।

বাকী বিষয়ৰ দৰে এই বিষয়ৰো নিয়মিত মূল্যায়ন কৰিব লাগিব। ছাত্ৰ-ছাত্ৰীসকলে কৰা কামৰ নমুনাসমূহেৰে বছৰৰ শেষত প্ৰদৰ্শনী পাতি ছাত্ৰ-ছাত্ৰীক উৎসাহিত কৰাৰ লগতে অভিভাৱকেও এই বিষয়ে জানিব। পৰিৱেশন কলাৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰিব।

কাৰিকুলামত দৃশ্য কলা আৰু পৰিৱেশন কলাৰ গুৰুত্ব তলত দিয়া ধৰণৰ—

| | | **নিম্ন প্ৰাথমিক** | **উচ্চ প্ৰাথমিক** |
|---|---|---|---|
| **দৃশ্য কলা** | ড্ৰয়িং | ২০% | ২০% |
| | ডিজাইন | ১০% | ১০% |
| | ছপাচিত্ৰ | ১০% | ১০% |
| | ভাস্কৰ্য | ১০% | ১০% |
| **পৰিৱেশন কলা** | সঙ্গীত, নৃত্য, অভিনয় | ৫০% | ৫০% |

বিশেষ উদ্‌যাপন দিনৰ লগত সংগতি ৰাখি বা কোনো এটা মাহৰ এটা শনিবাৰে এটা বা দুটা পিৰিয়ড লগ কৰি কলা শিক্ষা তথা সাহিত্য সংস্কৃতিৰ কাম-কাজ যেনে— কুইজ, তৰ্ক প্ৰতিযোগিতা, বক্তৃতা, গীত-নৃত্য, কলা, নাটক, আবৃত্তি, প্ৰদৰ্শনী আদি অনুষ্ঠিত কৰি বিদ্যায়তনিক দিশ সামৰিব পাৰে।

**দ্বীনিয়াত ঃ** উচ্চ প্ৰাথমিক পৰ্যায়ত মাদ্ৰাছা স্কুলত কলা শিক্ষণৰ বাবে নিৰ্ধাৰিত পিৰিয়ডৰ পৰা কিছু পিৰিয়ড দ্বীনিয়াত বিষয়ৰ আদান-প্ৰদানৰ বাবে ব্যৱহাৰ কৰিব। এনে ব্যৱস্থাই ছাত্ৰ-ছাত্ৰীৰ ওপৰত শিকনৰ অতিৰিক্ত বোজা হ্ৰাস কৰিব।

## কৰ্ম শিক্ষা ঃ

**প্ৰাথমিক পৰ্যায়ৰ কাৰিকুলামত কৰ্ম শিক্ষাৰ উদ্দেশ্য হ'ল—**

- ⇨ ছাত্ৰ-ছাত্ৰীয়ে যাতে শ্ৰমক মৰ্যাদা দিবলৈ শিকে
- ⇨ নিজৰ কাম নিজে কৰি আত্মনিৰ্ভৰশীল হ'বলৈ শিকে
- ⇨ উৎপাদনমুখী কাৰ্যত নিজকে জড়িত কৰাৰ কৌশল শিকি নিজৰ লগত পৰিয়াল তথা সমাজৰ উন্নতি সাধন কৰিব পাৰে
- ⇨ শিক্ষা আৰু কৰ্মৰ যোগসূত্ৰ স্থাপন কৰিবলৈ শিকে

**কৰ্ম শিক্ষাৰ বিষয়বস্তুৰ গুৰুত্ব ঃ**

**বাধ্যতামূলক কামৰ গুৰুত্ব — ৪০%**

১। পৰিষ্কাৰ-পৰিচ্ছন্নতা

২। সৌন্দৰ্য বৰ্দ্ধন

৩। অভিভাৱক, ওচৰ-চুবুৰীয়াক বিভিন্ন কামত সহায় কৰা

৪। বিদ্যালয়ত বিভিন্ন কামত শিক্ষক-শিক্ষয়িত্ৰীক সহায় কৰা

৫। চাৰ্ট, মডেল, প'ষ্টাৰ, শ্লোগান আদি প্ৰস্তুত কৰা

৬। বৃক্ষৰোপন, প্ৰতিপালন আৰু ৰক্ষণাবেক্ষণ

৭। সামাজিক সেৱা

**ঐচ্ছিক কৰ্মৰ গুৰুত্ব — ৫০%**

বিদ্যালয়ত থকা সা-সুবিধা অনুযায়ী আৰু অঞ্চল ভেদে আৰু ছাত্ৰ-ছাত্ৰীৰ উৎসাহ অনুযায়ী ছাত্ৰ-ছাত্ৰীয়ে ঐচ্ছিক কৰ্ম নিৰ্বাচন কৰিব। যেনে—

- ⇨ চিলাই
- ⇨ কাপোৰ, কাগজৰ পৰা প্ৰস্তুত কৰা সামগ্ৰী (যেনে— বিভিন্ন ধৰণৰ বেগ ইত্যাদি)
- ⇨ পেলনীয়া সামগ্ৰীৰ পৰা প্ৰস্তুত কৰা বস্তু
- ⇨ মাটিৰ পৰা প্ৰস্তুত কৰা বস্তু
- ⇨ ঔষধি উদ্ভিদৰ ৰোপন, প্ৰতিপালন
- ⇨ বাঁহ-বেতৰ সামগ্ৰী প্ৰস্তুত
- ⇨ কিতাপ বন্ধন, নোট বুক, এলবাম, অভ্যসন বহী প্ৰস্তুত কৰা
- ⇨ খাদ্য প্ৰস্তুত আৰু সংৰক্ষণ প্ৰণালী

**বাস্তৱ কৰ্মক্ষেত্ৰৰ লগত মুখামুখি কৰোৱা — ১০%**

তলত দিয়া বিভিন্ন কৰ্মক্ষেত্ৰৰ লগত ছাত্ৰ-ছাত্ৰীক পৰিচয় কৰোৱাৰ বাবে বিদ্যালয়ে সুযোগ দিব যাতে ছাত্ৰ-ছাত্ৰীয়ে বাস্তৱ কৰ্মক্ষেত্ৰৰ অভিজ্ঞতা অৰ্জন কৰিব পাৰে আৰু লগতে কৰ্মৰ প্ৰতি অনুপ্ৰাণিত হয়। এই অভিজ্ঞতাৰ ভিত্তিত ছাত্ৰ-ছাত্ৰীয়ে সৰুকৈ প্ৰতিবেদন প্ৰস্তুত কৰি বিদ্যালয়ত জমা দিব।

- ⇨ ফল-মূল সংৰক্ষণ
- ⇨ ৰন্ধন

- ⇨ বোৰা-কটা
- ⇨ চুলি কটোৰা আৰু সৌন্দৰ্য বৰ্ধন
- ⇨ গৃহসজ্জা
- ⇨ মৌ-পালন/কাঠফুলাৰ খেতি/গো-পালন
- ⇨ কাপোৰ ধোৱা আৰু ইস্ত্ৰি কৰা/ব্যৱসায়িক ভিত্তিত কাপোৰ ধুই ইস্ত্ৰি কৰি দিয়া প্ৰতিষ্ঠান (Laundry/dry cleaner)
- ⇨ মৎস্য পালন
- ⇨ বাঁহ-বেতৰ কাম/মাটিৰ কাম/কাঠৰ কাম
- ⇨ ছপাশাল, চাইনবোৰ্ড প্ৰস্তুত
- ⇨ বাগিছাৰ কাম/কৃষিকৰ্ম
- ⇨ চামৰাৰ/ধাতুৰ কাম
- ⇨ যোগাযোগ মাধ্যম (প'ষ্ট অফিচ, ৰেডিঅ' কেন্দ্ৰ, দূৰদৰ্শন কেন্দ্ৰ, বাতৰি কাকত, ইণ্টাৰনেট)

**সৰ্বাত্মক শিক্ষা ঃ**

সৰ্বাত্মক শিক্ষা ব্যৱস্থা হৈছে শিক্ষণ-শিকন প্ৰক্ৰিয়াত সকলো ছাত্ৰ-ছাত্ৰীৰ সমান অংশগ্ৰহণৰ সুবিধা। "শিক্ষাৰ অধিকাৰ আইন, ২০০৯" ৰ মতে প্ৰাথমিক শিক্ষা প্ৰতিজন শিশুৰ মৌলিক অধিকাৰ। সেয়েহে এই আইন চৰকাৰী আৰু বেচৰকাৰী বিদ্যালয়সমূহৰ বাবে অতিকৈ তাৎপৰ্যপূৰ্ণ।

সৰ্বাত্মক শিক্ষাই এনে এক শিক্ষা ব্যৱস্থাক বুজায় য'ত সকলো ছাত্ৰ-ছাত্ৰীয়ে শিক্ষণ-শিকন প্ৰক্ৰিয়াত সমভাৱে ভাগ লোৱাৰ সুবিধা পায়। ই সমাজৰ সকলো ল'ৰা-ছোৱালীক সামৰি লয়। এক কথাত ক'বলৈ গ'লে বিশেষ প্ৰয়োজন সম্পন্ন শিশু বিভিন্ন ভাষা-ভাষী তথা জাতি-জনজাতি, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে সকলো শ্ৰেণীৰ ল'ৰা-ছোৱালী উভয়কে প্ৰয়োজন সাপেক্ষে সমভাৱে শিক্ষা দিয়াৰ বাবে সৰ্বাত্মক শিক্ষা এক বাস্তৱ আৰু বৈজ্ঞানিক প্ৰয়াস। ইয়াৰ উপৰি এটা সৰ্বাত্মক শ্ৰেণীকোঠাত প্ৰখৰ মেধাসম্পন্ন ল'ৰা-ছোৱালীকে ধৰি সকলোকে নিজৰ নিজৰ প্ৰয়োজন অনুসৰি শিক্ষা প্ৰদানৰ এক সুপৰিকল্পিত প্ৰচেষ্টা।

এটা শ্ৰেণীকোঠাত সৰ্বাত্মক শিক্ষাৰ বাতাবৰণ সৃষ্টি কৰিবলৈ যাওঁতে প্ৰতিগৰাকী শিক্ষকে প্ৰথমে পাঠ্যক্ৰমখনৰ গুৰুত্ব ভালদৰে বুজি ল'ব লাগিব, কিয়নো শিক্ষণ-শিকনৰ সমগ্ৰ প্ৰক্ৰিয়াটো পৰিচালিত হয় কাৰিকুলামৰ আধাৰত যিয়ে সেই পৰ্যায়ৰ শিক্ষাৰ শিক্ষণীয় সকলো দিশ সামৰি লয়। এই দিশসমূহ হ'ল মূলত পাঠ্যক্ৰম, পাঠ্যপুথি, শিক্ষণ-শিকন সামগ্ৰী, শিক্ষণ-শিকন কৌশল/পদ্ধতি, মান নিৰূপণ প্ৰক্ৰিয়া, মূল্যায়ন আদি। কোনো কোনো ক্ষেত্ৰত শিক্ষণ-শিকনৰ উদ্দেশ্যত উপনীত হোৱাৰ বাবে ছাত্ৰ-ছাত্ৰীৰ প্ৰয়োজন অনুসৰি পাঠ্যক্ৰম, পাঠদানত ব্যৱহাৰ হোৱা সামগ্ৰী, শ্ৰেণীকোঠাৰ পৰিৱেশ, মূল্যায়ন

ব্যৱস্থা এনেধৰণে সালসলনি কৰিব লাগে যাতে ছাত্ৰ-ছাত্ৰীয়ে শিক্ষণ-শিকন প্ৰক্ৰিয়াত সমভাৱে অংশগ্ৰহণ কৰি বিকাশৰ পথেৰে আগবাঢ়ি যোৱাত সহায়ক হয়।

**শান্তি শিক্ষা ঃ**

বৰ্তমান সময়ৰ লগত সংগতি ৰাখি কাৰিকুলামত শান্তি শিক্ষাক যথেষ্ট গুৰুত্ব দিয়া হৈছে। ইয়াৰ অৰ্থ হৈছে **সমাজত শান্তিৰে বাস কৰিবলৈ প্ৰয়োজনীয় গুণৰ বিকাশ ঘটোৱা।** শান্তি শিক্ষা বিদ্যালয়ৰ বাবে এটা বেলেগ বিষয় বুলি ধৰা নহয় যদিও ছাত্ৰ-ছাত্ৰীৰ মাজত মূল্যবোধৰ ভাব জগাবলৈ বিভিন্ন ক্ৰিয়া-কলাপৰ সহায় লোৱা হৈছে। ছাত্ৰ-ছাত্ৰীসকলে কৰিবলগীয়া কামসমূহ যাতে নিৰ্দিষ্ট শৈক্ষিক বৰ্ষত কৰিব পাৰে তাৰ বাবে বিদ্যালয় কৰ্তৃপক্ষই ব্যৱস্থা গ্ৰহণ কৰিব। শান্তিক আগবঢ়াই নিয়া আৰু শান্তি শিক্ষাৰ অনুশীলন কৰোৱাত শিক্ষক-শিক্ষয়িত্ৰীক সহায় কৰিবৰ বাবে ইয়াত কিছু ক্ৰিয়া-কলাপৰ সংযোজন কৰা হৈছে। সেইবোৰ অনুশীলন কৰাৰ লগতে তাৰ মূল্যায়নো কৰিব।

**শান্তি শিক্ষাৰ বাবে কৰিবলগীয়া কিছু ক্ৰিয়া-কলাপ—**

**ধ্যান ঃ**

⇨ পাঠদান আৰম্ভ হোৱাৰ আগতে ক্ষন্তেক সময় ছাত্ৰ-ছাত্ৰীক মৌনব্ৰত অৱলম্বন কৰিবলৈ দিব। ইয়াৰ ফলত মন শান্ত হৈ পৰিব আৰু মনোযোগ বাঢ়িব।

**শান্তি বাৰ্তা ঃ**

⇨ মনৰ খেলিমেলি ভাব দূৰ কৰি শান্ত সমাহিতভাৱে মনৰ ভাব ব্যক্ত কৰিবলৈ সৃজনীমূলক লিখনিৰ প্ৰতি অনুপ্ৰাণিত কৰিব।

**প্ৰকৃতিৰ সৈতে একাত্মতা ঃ**

⇨ সুবিধাজনক নিৰিবিলি ঠাইত কিছু সময় প্ৰাকৃতিক পৰিৱেশৰ লগত কটাবলৈ ছাত্ৰ-ছাত্ৰীক উৎসাহিত কৰিব।

**শান্তিৰ প্ৰতীক ঃ**

⇨ শান্তিৰ প্ৰতীক কিছুমান, যেনে— কপৌ চৰাই বা পাৰ চৰাইৰ ছবি আঁকি বা হাতৰ ছবিত **'শান্তি'** লিখি শ্ৰেণীৰ বেৰত আঁৰি থব।

**বিশ্ব শান্তিৰ বাবে ৰচিত গীত শুনা আৰু গোৱা ঃ**

⇨ ছাত্ৰ-ছাত্ৰীৰ মনত সহানুভূতি, সমবেদনা, মানৱীয়তাবোধ আদি ভাবৰ বিকাশ ঘটাবলৈ এই সম্পৰ্কীয় কিছুমান প্ৰচলিত গান শুনিবলৈ, গাবলৈ বা কবিতা আবৃত্তি কৰিবলৈ অনুপ্ৰাণিত কৰিব।

**বিদ্যালয়ত শান্তি প্ৰতিষ্ঠাৰ বাবে শিক্ষকৰ কৰণীয় ঃ**

মানুহৰ কিছুমান কাৰ্য, কথা-বাৰ্তা আৰু আচৰণত হিংসা জড়িত হৈ থাকে। তেনে হিংসা সম্বলিত

কেতবোৰ উদাহৰণ দাঙি ধৰা হ'ল যিবোৰ **শিক্ষকসকলে বৰ্জন কৰা উচিত।**

- **আচৰণ,** যিবোৰে অনিষ্ট কৰে/ আঘাত কৰে
  - — বেছিকৈ খাবলৈ প্ৰৰোচনা কৰা (শাৰীৰিক)
  - — কামৰ সম্পৰ্কত দায়িত্বৰ অভাৱ (মনস্তাত্বিক)
  - — সম্প্ৰদায় আৰু ধৰ্মৰ ভিন্নতাকলৈ কৰা অসন্মান (সামাজিক)
  - — শব্দ, আৱৰ্জনা পেলোৱা, প্ৰদূষণ ইত্যাদি সম্পৰ্কত থকা চৰ্তাৱলীৰ প্ৰতি সন্মান প্ৰদৰ্শন নকৰা অথবা মানি নচলা (পাৰিপাৰ্শ্বিক)
- **কথা,** যিবোৰে অনিষ্ট/ ক্ষতি কৰে/ আঘাত কৰে
  - — আনক মূৰ্খ বোলাৰ দৰে শব্দৰ প্ৰয়োগ কৰা (মনস্তাত্বিক)
  - — অশ্লীল অথবা সাম্প্ৰদায়িক শব্দ প্ৰয়োগ কৰা (সামাজিক)
- **কাৰ্য,** যিবোৰে অনিষ্ট কৰে/ আঘাত কৰে
  - — শিশুৰ কাণ পকোৱা (শাৰীৰিক)
  - — আনক উপলুঙা কৰা (মনস্তাত্বিক)
  - — পৰিয়াল, সম্প্ৰদায় অথবা বৃত্তিক লৈ মন্তব্য কৰা (সামাজিক)
  - — অবাবত পানী, বিদ্যুৎ নষ্ট কৰা অথবা প্ৰদূষণ কৰা (পাৰিপাৰ্শ্বিক)
- **গঠন আৰু ব্যৱস্থা,** যিবোৰে ক্ষতি কৰে/ আঘাত কৰে
  - — শাৰীৰিক আৰু মানসিক শাস্তি
  - — অকৃতকাৰ্য হোৱা ছাত্ৰ-ছাত্ৰীৰ নাম জাননীফলকত আঁৰি দিয়া, নিয়মানুৱৰ্তিতাৰ নামত প্ৰাতঃসভাত ছাত্ৰ-ছাত্ৰীক তিৰস্কাৰ কৰা (মনস্তাত্বিক)
  - — সংস্কৃতি, সম্প্ৰদায়, ভাষা, ধৰ্ম অথবা অঞ্চলৰ ওপৰত ভিত্তি কৰি ছাত্ৰ-ছাত্ৰীক বিভক্ত কৰা (সামাজিক)
  - — বিদ্যালয় চৌহদত গছৰ পাত জ্বলোৱাৰ অভ্যাস, সুৰক্ষাৰ মানৰ প্ৰতি সন্মান প্ৰদৰ্শন নকৰা, ইত্যাদি (পাৰিপাৰ্শ্বিক)

**বাৰ্ষিক কাৰ্য পৰিকল্পনা ঃ**

শৈক্ষিক বৰ্ষ আৰম্ভ হোৱাৰ লগে লগে কৰিবলগীয়া কামসমূহ যাতে নিয়াৰিকৈ কৰিব পাৰে তাৰ বাবে বিদ্যালয় কৰ্তৃপক্ষই আগতীয়া বাৰ্ষিক পৰিকল্পনা কৰি লোৱাটো নিতান্তই বাধ্যতামূলক। ক্ৰিয়া-কলাপসমূহ কৰাৰ লগে লগে মূল্যায়ন কৰি উপযুক্ত নথিত সংৰক্ষণ কৰি থ'ব।

| কাৰ্য | নিৰ্ধাৰিত সময় |
|---|---|
| চাফাই | প্ৰতিদিনে ১৫ মিনিট |
| প্ৰাতঃসভা | প্ৰতিদিনে ১৫ মিনিট (প্ৰয়োজন অনুসৰি নিৰ্ধাৰিত সময়তকৈ আগবঢ়াই বেছি সময় ল'ব পাৰিব)। |
| গছ পুলি ৰোপন আৰু বাগিচাৰ কাম | মাহেকত এটা পিৰিয়ড সকলোৰে বাবে আৰু প্ৰতিদিনে ৩০ মিনিট সময় বাগিচাৰ প্ৰতিপালনৰ বাবে একোটা একোটা গোটে দায়িত্ব ল'ব। |
| বিশেষ দিৱসৰ উদ্‌যাপন নিৰ্ধাৰণ কৰিব। | এটা দিৱস উদ্‌যাপনৰ বাবে অতি বেছি তিনিটা পিৰিয়ডৰ সময়খিনিৰ প্ৰয়োজন হ'ব বুলি নিশ্চিত কৰিব পাৰি। |
| সাহিত্য-সংস্কৃতিৰ অনুষ্ঠান পতা (কমেও দহটা দিশ যেনে- গীত, নৃত্য, অভিনয়, মূকাভিনয়, তৰ্ক, ৰচনা প্ৰতিযোগিতা, আকস্মিক বক্তৃতা, কুইজ, আবৃত্তি, সৃজনীমূলক লিখনি ইত্যাদি) | প্ৰতিটো কাৰ্যক্ৰমৰ বাবে তিনি পিৰিয়ডকৈ বছৰত দুবাৰকৈ অনুষ্ঠিত কৰিব। |
| বাৰ্ষিক খেল-ধেমালি | ৩ দিন |
| সামাজিক কাম | বছৰত দুবাৰ তিনিটাকৈ পিৰিয়ড নিৰ্ধাৰণ কৰিব। |
| কাব-বুলবুল/স্কাউট-গাইড সম্পৰ্কীয় কাম-কাজ | বছৰত ৪০টা পিৰিয়ড নিৰ্ধাৰণ কৰিব। |
| ক্ষেত্ৰ ভ্ৰমণ / শৈক্ষিক ভ্ৰমণ / বনভোজ | ২ দিন বা ১০ ঘণ্টা |
| গ্ৰীষ্মকালীন শিবিৰ/শীতকালীন শিবিৰ/আন্তঃ বিদ্যালয় শিবিৰ/ শান্তি শিক্ষাৰ শিবিৰ/মূল্যবোধৰ শিবিৰ | ১২ দিন |

**ক্ষেত্ৰ পৰ্যৱেক্ষণৰ প্ৰয়োজনীয়তা ঃ**

আধুনিক শিক্ষা ব্যৱস্থাৰ এক অন্যতম উদ্দেশ্য হৈছে ছাত্ৰ-ছাত্ৰীৰ জ্ঞানৰ পৰিসৰ ব্যাপক আৰু পৰিপুষ্ট কৰা। এই উদ্দেশ্য আগত ৰাখিয়ে কাৰিকুলামে ক্ষেত্ৰ পৰ্যৱেক্ষণৰ প্ৰয়োজনীয়তাৰ ওপৰত যথেষ্ট গুৰুত্ব আৰোপ কৰিছে। ছাত্ৰ-ছাত্ৰীক শ্ৰেণীকোঠাৰ বাহিৰৰ পৃথিৱীখনৰ লগত পৰিচিত কৰি পুথিগত জ্ঞানৰ সৈতে চাক্ষুষ জ্ঞানৰ সমন্বয় ঘটোৱাটোৱেই হৈছে ক্ষেত্ৰ পৰ্যৱেক্ষণৰ মূল উদ্দেশ্য। ক্ষেত্ৰ পৰ্যৱেক্ষণ পৰিচালনা কৰাৰ ক্ষেত্ৰত বিষয় শিক্ষকে প্ৰধান শিক্ষক তথা ছাত্ৰ-ছাত্ৰীৰ সৈতে মিলি আগতীয়া পৰিকল্পনা যুগুত কৰি থ'ব লাগিব। ক্ষেত্ৰ পৰ্যৱেক্ষণৰ সময়ত সংগৃহীত তথ্য/সামগ্ৰীসমূহ সংৰক্ষণ কৰি শিক্ষকে প্ৰয়োজন সাপেক্ষে বিদ্যালয়/শ্ৰেণীকোঠাত তাক ব্যৱহাৰ কৰিব। ভ্ৰমণৰ কালছোৱাত ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক আৰু ব্যক্তিগত-সামাজিক গুণৰাজিৰ দিশবোৰ পৰ্যৱেক্ষণ কৰি শিক্ষকে টোকাবহীত লিপিবদ্ধ কৰি থ'ব যাতে ছাত্ৰ-ছাত্ৰীৰ সামগ্ৰীক মূল্যায়নৰ ক্ষেত্ৰত ই সহায়ক হয়।

**প্ৰাতঃসভাত কেইটামান কৰিবলগীয়া বাধ্যতামূলক কাৰ্য (তলত দিয়াবোৰৰ পৰা নিৰ্ধাৰণ কৰিব)**

১) দল গঠন

২) প্ৰাৰ্থনা সভাৰ প্ৰস্তুতি

৩) প্ৰাৰ্থনা আৰু মৌনতা অৱলম্বন

৪) ড্ৰিল/মুক্ত ব্যায়াম

৫) সংকল্প গ্ৰহণ/ মহৎ লোকৰ বাণী শুনোৱা

৬) বাতৰি কাকতৰ ছাত্ৰ-ছাত্ৰী বা শিক্ষা সম্বন্ধে প্ৰচাৰিত প্ৰধান বাতৰিসমূহ পঢ়া/দিনটোৰ উল্লেখযোগ্য ঘটনাৰ বিষয়ে কোৱা

৭) ব্যক্তিগত চাফ-চিকুণতাৰ পৰিদৰ্শন আৰু স্বাস্থ্যজনিত সু-অভ্যাস গঠনৰ প্ৰদৰ্শন আৰু আলোচনা

৮) ৰাষ্ট্ৰীয়/অসমৰ জাতীয় সংগীত (তিনিদিন ৰাষ্ট্ৰীয় সংগীত আৰু তিনিদিন অসমৰ জাতীয় সংগীত)

৯) উদ্‌যাপন কৰিবলগীয়া দিনত প্ৰাতঃসভাত নিৰ্দিষ্ট কৰি দিয়া কামসমূহ কৰিব লাগিব

১০) মূল্যবোধৰ ভাব যোগাব পৰা বিষয়ৰ ওপৰত আলোচনা

**মূল্যবোধ শিক্ষা ঃ**

**কাৰিকুলামত বিভিন্ন বিষয়ৰ জৰিয়তে মূল্যবোধ জগাব পৰা কিছুমান গুণ হৈছে—**

| **বিষয়** | **মূল্যবোধ** |
|---|---|
| ভাষা | মৰম, স্নেহ, দেশপ্ৰেম, সহিষ্ণুতা, সহায়ৰ মনোভাৱ, সাহসিকতা ইত্যাদি। |
| সমাজ বিজ্ঞান | ভ্ৰাতৃত্ববোধ, নেতৃত্বভাৱ, সৌন্দৰ্যবোধ, ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় বুজাবুজি, সামাজিক দায়বদ্ধতা, ৰাষ্ট্ৰীয় সজাগতা, সহিষ্ণুতা, কৰ্তব্যপৰায়ণতা ইত্যাদি। |
| বিজ্ঞান | বিজ্ঞানসন্মত মনোভাৱ, সৌন্দৰ্যবোধ, শৃঙ্খলাৱদ্ধতা, ধনাত্মক মনোভাব, নিয়মানুৱৰ্তিতা ইত্যাদি। |
| গণিত | ধৈৰ্য, ক্ষুদ্ৰ সঞ্চয়, দৃঢ়তা, শৃঙ্খলাবদ্ধতা, মিতব্যয়ী, যুক্তিযুক্ততা ইত্যাদি। |
| কলা আৰু শাৰীৰিক শিক্ষা | নেতৃত্ববোধ, দলীয় শৃঙ্খলা, সৌন্দৰ্যবোধ, পৰিষ্কাৰ-পৰিচ্ছন্নতা, সু-অভ্যাস গঠন, কৰ্মৰ প্ৰতি আগ্ৰহ, শ্ৰমৰ মৰ্যাদা ইত্যাদি। |
| পৰিৱেশ অধ্যয়ন | প্ৰকৃতিৰ প্ৰতি মৰম আৰু দায়িত্ববোধ, জীৱ আৰু পৰিৱেশৰ মাজত পাৰস্পৰিক সম্বন্ধ, পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষা, পৰিৱেশৰ সু-চিন্তিত ব্যৱহাৰ।<br>যিকোনো পৰিৱেশতে কাম কৰাৰ মনোবৃত্তি গঠন, ইত্যাদি। |
| কৰ্ম শিক্ষা | উৎপাদনমুখী মনোভাৱৰ সৃষ্টি, বিভিন্ন বৃত্তিৰ প্ৰতি শ্ৰদ্ধাৰ মনোভাব, শ্ৰমৰ মৰ্যাদা, আত্মবিশ্বাস, পাৰস্পৰিক সহযোগিতা, দলীয় মনোভাব, সহিষ্ণুতা আদি গুণৰ বিকাশ ঘটোৱা। |

# গোটভিত্তিক পাঠসমূহৰ বিভাজন (নিম্ন প্ৰাথমিক) ২০১৭

| গোট | বিষয় | প্ৰথম শ্ৰেণী | দ্বিতীয় শ্ৰেণী | তৃতীয় শ্ৰেণী | চতুৰ্থ শ্ৰেণী | পঞ্চম শ্ৰেণী |
|---|---|---|---|---|---|---|
| | | পাঠ/অধ্যায় নং | পাঠ/অধ্যায় নং | পাঠ/অধ্যায় নং | পাঠ/অধ্যায় নং | পাঠ/অধ্যায় নং |
| গোট মূল্যায়ন - ১ | ভাষা | ১,২,৩ | ১,২,৩ | ১,২,৩ | ১,২,৩ | ১,২,৩ |
| | গণিত | ১,২,৩ | ১,২,৩ | ১,২,৩ | ১,২,৩,৪ | ১,২,৩,৪ |
| | ইংৰাজী | ১,২ | ১,২ | ১,২ | ১,২ | ১,২ |
| | পৰিৱেশ অধ্যয়ন | | | ১,২,৩,৪ | ১,২,৩,৪ | ১,২,৩,৪ |
| গোট মূল্যায়ন - ২ | ভাষা | ৪,৫,৬,৭ | ৪,৫,৬,৭,৮ | ৪,৫,৬,৭,৮ | ৪,৫,৬,৭,৮ | ৪,৫,৬,৭,৮ |
| | গণিত | ৪,৫,৬ | ৪,৫,৬,৭ | ৪,৫,৬,৭ | ৫,৬,৭ | ৪,৫,৬,৭ |
| | ইংৰাজী | ৩,৪,৫ | ৩,৪,৫ | ৩,৪,৫ | ৩,৪,৫ | ৩,৪,৫ |
| | পৰিৱেশ অধ্যয়ন | | | ৫,৬,৭,৮,৯ | ৫,৬,৭,৮,৯ | ৫,৬,৭,৮,৯ |
| গোট মূল্যায়ন - ৩ | ভাষা | ৮,৯,১০ | ৯,১০,১১,১২ | ৯,১০,১১,১২ | ৯,১০,১১,১২ | ৯,১০,১১,১২ |
| | গণিত | ৭,৮,৯,১০ | ৮,৯,১০,১১ | ৮,৯,১০,১১ | ৮,৯,১০,১১ | ৮,৯,১০,১১ |
| | ইংৰাজী | ৬,৭,৮ | ৬,৭,৮ | ৬,৭,৮ | ৬,৭,৮ | ৬,৭,৮ |
| | পৰিৱেশ অধ্যয়ন | | | ১০,১১,১২,১৩,১৪ | ১০,১১,১২,১৩,১৪ | ১০,১১,১২,১৩,১৪ |
| গোট মূল্যায়ন - ৪ | ভাষা | ১১,১২ | ১৩,১৪ | ১৩,১৪ | ১৩,১৪ | ১৩,১৪ |
| | গণিত | ১১,১২,১৩ | ১২,১৩,১৪ | ১২,১৩,১৪ | ১২,১৩,১৪ | ১১,১২,১৩,১৪ |
| | ইংৰাজী | ৯,১০ | ৯,১০ | ৯,১০ | ৯,১০ | ৯,১০ |
| | পৰিৱেশ অধ্যয়ন | | | ১৫,১৬,১৭,১৮ | ১৫,১৬,১৭,১৮ | ১৫,১৬,১৭,১৮ |

# গোটভিত্তিক পাঠসমূহৰ বিভাজন (উচ্চ প্ৰাথমিক) ২০১৭

| গোট | বিষয় | ষষ্ঠ শ্ৰেণী | সপ্তম শ্ৰেণী | অষ্টম শ্ৰেণী |
|---|---|---|---|---|
| | | পাঠ/অধ্যায় নং | পাঠ/অধ্যায় নং | পাঠ/অধ্যায় নং |
| গোট মূল্যায়ন - ১ | ভাষা | ১,২,৩ | ১,২,৩,৪ | ১,২,৩ |
| | গণিত | ১,২,৩,৪ | ১,২,৩,৪ | ১,২,৩,৪ |
| | ইংৰাজী | ১,২ | ১,২ | ১,২ |
| | বিজ্ঞান | ১,২,৩,৪ | ১,২,৩,৪,৫ | ১,২,৩,৪,৫ |
| | সমাজ বিজ্ঞান | ভূগোল - ১,২<br>ইতিহাস - ৯,১০<br>ৰাজনীতি বিজ্ঞান- ১৭,২১ | ভূগোল - ১,২<br>ইতিহাস - ১০,১১<br>অৰ্থনীতি-১৮, ৰাজনীতি বিজ্ঞান-২২ | ভূগোল - ১<br>ইতিহাস - ৯,১০<br>অৰ্থনীতি-১৭, ৰাজনীতি বিজ্ঞান-২১ |
| | হিন্দী | ১,২,৩,৪ | ১,২,৩,৪ | ১,২,৩,৪ |
| গোট মূল্যায়ন - ২ | ভাষা | ৪,৫,৬,৭,৮ | ৫,৬,৭,৮,৯ | ৪,৫,৬,৭,৮ |
| | গণিত | ৫,৬,৭ | ৫,৬,৭,৮ | ৫,৬,৭,৮ |
| | ইংৰাজী | ৩,৪,৫ | ৩,৪,৫ | ৩,৪,৫ |
| | বিজ্ঞান | ৫,৬,৭,৮ | ৬,৭,৮,৯ | ৬,৭,৮,৯,১০ |
| | সমাজ বিজ্ঞান | ভূগোল - ৩,৪<br>ইতিহাস - ১১,১২<br>ৰাজনীতি বিজ্ঞান- ১৮,২২ | ভূগোল - ৩,৪,৫,<br>ইতিহাস - ১২,১৩<br>অৰ্থনীতি-১৯, ৰাজনীতি বিজ্ঞান-২৩ | ভূগোল - ২,৩,৪<br>ইতিহাস - ১১,১২<br>অৰ্থনীতি-১৮, ৰাজনীতি বিজ্ঞান-২২ |
| | হিন্দী | ৫,৬,৭,৮ | ৫,৬,৭,৮ | ৫,৬,৭ |
| গোট মূল্যায়ন - ৩ | ভাষা | ৯.১০,১১,১২,১৩ | ১০,১১,১২,১৩,১৪,১৫ | ৯,১০,১১,১২,১৩ |
| | গণিত | ৮,৯,১০,১১ | ৯,১০,১১,১২ | ৯,১০,১১,১২,১৩ |
| | ইংৰাজী | ৬,৭,৮ | ৬,৭,৮ | ৬,৭,৮ |
| | বিজ্ঞান | ৯,১০,১১,১২ | ১০,১১,১২,১৩,১৪ | ১১,১২,১৩,১৪ |
| | সমাজ বিজ্ঞান | ভূগোল - ৫,৬<br>ইতিহাস - ১৩,১৪<br>ৰাজনীতি বিজ্ঞান- ১৯,২৩ | ভূগোল - ৫,৬,৭<br>ইতিহাস - ১৪,১৫<br>অৰ্থনীতি-২০,ৰাজনীতি বিজ্ঞান-২৪ | ভূগোল - ৫,৬<br>ইতিহাস - ১৩,১৪<br>অৰ্থনীতি-১৯, ৰাজনীতি বিজ্ঞান-২৩ |
| | হিন্দী | ৯,১০,১১,১২ | ৯,১০,১১,১২ | ৮,৯,১০ |
| গোট মূল্যায়ন - ৪ | ভাষা | ১৪,১৫ | ১৬,১৭,১৮ | ১৪,১৫ |
| | গণিত | ১২,১৩,১৪ | ১২,১৩,১৪,১৫ | ১৪,১৫,১৬ |
| | ইংৰাজী | ৯,১০ | ৯,১০ | ৯,১০ |
| | বিজ্ঞান | ১৩,১৪,১৫,১৬ | ১৫,১৬,১৭,১৮ | ১৫,১৬,১৭,১৮ |
| | সমাজ বিজ্ঞান | ভূগোল - ৭,৮<br>ইতিহাস - ১৫,১৬<br>ৰাজনীতি বিজ্ঞান- ২০,২৪ | ভূগোল - ৮,৯<br>ইতিহাস - ১৬,১৭<br>অৰ্থনীতি-২১,ৰাজনীতি বিজ্ঞান-২৫ | ভূগোল - ৭,৮<br>ইতিহাস - ১৫,১৬<br>অৰ্থনীতি-২০, ৰাজনীতি বিজ্ঞান-২৪ |
| | হিন্দী | ১৩,১৪,১৫,১৬ | ১৩,১৪,১৫,১৬ | ১১,১২,১৩,১৪ |

## অবিৰত আৰু সামগ্ৰিক মূল্যায়ন

মূল্যায়ন হৈছে শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ এক অবিচ্ছেদ্য অংগ। পাঠ্যক্ৰম এখনে শিক্ষণ-শিকন ব্যৱস্থাৰ লগত জড়িত আটাইবোৰ দিশ সামৰি লয় য'ত মূল্যায়নৰ স্থান অতিশয় গুৰুত্বপূৰ্ণ। প্ৰতিজন শিকাৰুৰ বিদ্যায়তনিক অগ্ৰগতি আৰু ব্যক্তিগত-সামাজিক গুণৰাজিৰ বিকাশৰ খতিয়ান দাঙি ধৰে মূল্যায়ন ব্যৱস্থাই। অকল ছাত্ৰ-ছাত্ৰীৰ সামগ্ৰিক সাফল্য বা অগ্ৰগতিৰ খতিয়ানেই নহয় পাঠ্যক্ৰম আৰু পাঠ্যপুথিৰ মান, শিক্ষকৰ পাঠদানৰ মান, শ্ৰেণীকোঠাত ব্যৱহৃত শিক্ষণ-শিকন সামগ্ৰীৰ মান, প্ৰধান শিক্ষকৰ প্ৰশাসনীয় দক্ষতা, বিদ্যালয়ৰ আন্তঃগাঁঠনিমূলক সা-সুবিধা আদিৰ খতিয়ানো মূল্যায়ন ব্যৱস্থাই নিৰূপন কৰে।

অবিৰত আৰু সামগ্ৰিক মূল্যায়ন ব্যৱস্থাই এনে এক উন্নত পৰিসৰ সামৰি লৈছে যিয়ে ছাত্ৰ-ছাত্ৰীৰ সামগ্ৰিক বিকাশৰ দিশটোক সঠিকভাৱে নিৰূপন কৰাত সহায় কৰে। পূৰ্বৰ সময়সাপেক্ষ মূল্যায়ন ব্যৱস্থাৰ বিপৰীতে (য'ত পুথিগত জ্ঞানক প্ৰাধান্য দিয়া হৈছিল) এই ব্যৱস্থাই ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক, শাৰীৰিক, আৱেগিক, সামাজিক আৰু সৃষ্টিমূলক ক্ৰিয়া-কলাপৰ বিকাশৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছে। চিৰাচৰিত মুখস্থ বিদ্যাৰ পোষকতা নকৰা অবিৰত আৰু সামগ্ৰিক মূল্যায়ন ব্যৱস্থাই শিকাৰুৰ চিন্তা আৰু বোধশক্তিৰ উন্মেষ ঘটাত সহায় কৰে।

মূল্যায়নৰ এই নতুন পৰিভাষাত অবিৰত মূল্যায়নৰ অৰ্থ হ'ল বিৰতিহীনভাৱে কৰা মূল্যায়ন য'ত শিকাৰুৰ পূৰ্বৰ শিকন স্থিতিৰ কিমান পৰিৱৰ্তন হৈছে তাক নিৰ্ধাৰণ কৰাৰ লগতে শিকন ব্যৱধানৰ কাৰণসমূহো নথিভুক্ত কৰা হয়, বিশ্লেষণ কৰা হয় আৰু তাৰ প্ৰতিকাৰৰ উপায় নিৰ্ণয় কৰা হয়। এইধৰণৰ মূল্যায়নে ছাত্ৰ-ছাত্ৰী, শিক্ষক তথা অভিভাৱক আটাইকে নিজৰ কৰ্তব্যৰ প্ৰতি সজাগ কৰি ৰাখে যাতে যথা সময়ত তেওঁলোক নিজৰ উদ্দেশ্যত সফলতা অৰ্জন কৰিব পাৰে।

সামগ্ৰিক শব্দটোৱে কোনো এটা প্ৰক্ৰিয়াৰ বাবে প্ৰয়োজনীয় সকলো কাৰক বা দিশসমূহক নিজৰ পৰিধিৰ ভিতৰত সামৰি লয়। শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ প্ৰধান উদ্দেশ্য হ'ল ছাত্ৰ-ছাত্ৰীক সকলো দিশত গুণগতভাৱে শিক্ষিত কৰা। সামগ্ৰিক মূল্যায়নে এইটো নিশ্চিত কৰে যে অকল পুথিগত শিক্ষাই ছাত্ৰ-ছাত্ৰীক গুণগত শিক্ষা প্ৰদান কৰিব নোৱাৰে যদিহে তাৰ সমান্তৰালভাৱে তেওঁলোকৰ ব্যক্তিগত আৰু সামাজিক গুণৰাজিৰ বিকাশৰ পথ প্ৰশস্ত কৰা নহয়। অৰ্থাৎ সামগ্ৰিক মূল্যায়নে এজন ছাত্ৰ বা ছাত্ৰীৰ শৈক্ষিক, বৌদ্ধিক, মানসিক, সামাজিক, আৱেগিক, মনস্তাত্বিক অগ্ৰগতিৰ সকলোদিশৰ সঠিক পৰ্যালোচনা কৰে। ছাত্ৰ-ছাত্ৰীৰ সৰ্বাংগীন বিকাশ সম্ভৱ হ'ব যদিহে শিক্ষা আৰু জ্ঞান আহৰণৰ বেলিকা এই দিশসমূহৰো সঠিক মূল্যায়ন কৰা হয়।

**কিয় অবিৰত আৰু সামগ্ৰিক মূল্যায়ন?**

অবিৰত আৰু সামগ্ৰিক মূল্যায়ন গতানুগতিকভাৱে চলি থকা মূল্যায়ন ব্যৱস্থাতকৈ তুলনামূলকভাৱে অধিক ফলপ্ৰসূ। কিয়নো এই ব্যৱস্থাই প্ৰত্যেক ছাত্ৰ-ছাত্ৰীৰ শিক্ষা আহৰণ আৰু সামগ্ৰিক বিকাশৰ বাবে

প্ৰয়োজন হোৱা সহায়, সুবিধা আৰু সুযোগ নিশ্চিত কৰিব পাৰে। অৰ্থাৎ শিক্ষা আহৰণৰ ক্ষেত্ৰত থকা বাধাসমূহ দূৰ কৰে।


এই মূল্যায়ন ব্যৱস্থা মতে এজন ছাত্ৰ/ছাত্ৰীয়ে কিমান শিকিলে সেই কথা জানিবলৈ বছৰটোৰ শেষলৈ বাট চাব নালাগে। শিক্ষকে তেওঁৰ পাঠদান প্ৰক্ৰিয়াৰ মাজতে ছাত্ৰ-ছাত্ৰীক অহৰ্নিশে পৰ্যৱেক্ষণ কৰি, ব্লেকবোৰ্ডত লিখিবলৈ দি, মৌখিক তথা লিখিতভাৱে মূল্যায়ন কৰি, বিভিন্ন ক্ৰিয়া-কলাপত অংশগ্ৰহণ কৰিবলৈ সুবিধা দি তেওঁলোকে কিমান শিকিলে সেই বিষয়ে জানিব পাৰে। এইদৰে শিক্ষকে কোনজন ছাত্ৰ/ছাত্ৰীয়ে কি কি ক্ষেত্ৰত শিক্ষা গ্ৰহণত অসুবিধাৰ সন্মুখীন হৈছে সেইটো চিনাক্ত কৰিব পাৰে আৰু সেই অনুসৰি নিদানমূলক ব্যৱস্থা ল'ব পাৰে। এনে তাৎক্ষণিক শিকন মান নিৰ্ধাৰণৰ জৰিয়তে শিকন ব্যৱধান আঁতৰাই প্ৰত্যেক ছাত্ৰ-ছাত্ৰীক অৰ্হতা আয়ত্ত কৰোৱাই ওপৰ শ্ৰেণীলৈ উন্নীত কৰিব পাৰিব। আনহাতে শিক্ষকে নিজৰ পাঠদানৰ প্ৰতিফলনৰ জৰিয়তে তেওঁৰ শিক্ষণ পদ্ধতি উন্নত কৰিবলৈ বা সলনি কৰিবলৈ কি কৰিব লাগিব সেই বিষয়ে জানি লৈ তাৰ ব্যৱস্থা ল'ব পাৰিব।

অবিৰত আৰু সামগ্ৰিক মূল্যায়নৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীয়ে পাঠ্যক্ৰমত থকা কথাবোৰ শিকি, বুজি বাস্তৱ জীৱনত প্ৰয়োগ কৰিব পৰা হৈছেনে নাই তাৰ খতিয়ান লয়, যেনে— সৃজনীমূলক লিখনি, খেল-ধেমালি, সংগীত, নৃত্য, চিত্ৰাংকন, অভিনয়, যোগাসন আৰু বিদ্যালয়ৰ বিভিন্ন কাৰ্যত অংশগ্ৰহণ ইত্যাদি দিশৰ খতিয়ান লয়। ইয়াৰোপৰি ব্যক্তিগত-সামাজিক গুণৰাজি আৰু প্ৰমূল্যসমূহৰ বিকাশ পৰ্যৱেক্ষণ কৰি উন্নীতকৰণৰ ব্যৱস্থা লোৱাও অবিৰত আৰু সামগ্ৰিক মূল্যায়নৰ অবিচ্ছেদ্য অংগ। প্ৰত্যেক শিশুৰে বেলেগ বেলেগ দিশত প্ৰতিভা থাকে। অবিৰত আৰু সামগ্ৰিক মূল্যায়নে প্ৰত্যেক শিশুৰে সেই প্ৰতিভা বিকাশত সহায় কৰিব পাৰে।

**অবিৰত আৰু সামগ্ৰিক মূল্যায়নৰ লগত জড়িত কেইটামান উল্লেখযোগ্য দিশ—**

- শিক্ষণ-শিকন প্ৰক্ৰিয়া চলি থকাৰ লগে লগে ছাত্ৰ-ছাত্ৰীৰ গুণগত দিশৰ সফলতা —অৰ্থাৎ শিকোৱা কথাখিনি কিমানদূৰ আয়ত্ত কৰিব পাৰিছে তাক জুখি চোৱা অবিৰত আৰু সামগ্ৰিক মূল্যায়নৰ প্ৰধান লক্ষ্য।
- নিৰ্দিষ্ট সময়ৰ অন্তত ছাত্ৰ-ছাত্ৰীয়ে প্ৰকৃতাৰ্থত কি পৰ্যায়লৈ অগ্ৰগতি লাভ কৰিছে তাৰ ওপৰত আলোকপাত কৰি যথাযথ ব্যৱস্থা লোৱাৰ সুযোগ পোৱা যায়।
- 'সামগ্ৰিক' শব্দটোৰ দ্বাৰা মূল্যায়নত সমগ্ৰ পাঠ্যক্ৰমখন সামৰাৰ কথা বুজোৱা হৈছে যদিও ছাত্ৰ-ছাত্ৰীয়ে অগ্ৰগতিৰ ক্ষেত্ৰত তেওঁলোকৰ সামৰ্থ আৰু অভিৰুচি থকা বিষয়ৰহে অগ্ৰগতিৰ মূল্যায়ন কৰাৰ ওপৰত গুৰুত্ব দিছে।
- ইয়াৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীৰ ব্যক্তিত্ব বিকাশৰ, উদাহৰণস্বৰূপে— শিকনৰ প্ৰতি তেওঁলোকৰ মনোভাব, সামাজিক আদান-প্ৰদান, আৱেগিক নিয়ন্ত্ৰণ, অভিৰোচন, স্বাস্থ্য, সবলতা আৰু দুৰ্বলতা ইত্যাদি দিশৰ উন্নীতকৰণত সহায় কৰাৰ ওপৰতহে গুৰুত্ব আৰোপ কৰিছে। এইক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীক আনৰ সৈতে তুলনা কৰাতকৈ নিজে আগতকৈ কিমানখিনি উন্নতি কৰিছে সেই কথাকে কৈ ছাত্ৰ-ছাত্ৰীক উদ্‌গনি দিয়া উচিত।

**অবিৰত আৰু সামগ্ৰিক মূল্যায়নত কি কি মূল্যায়ন কৰিব?**




## ব্যক্তিগত আৰু সামাজিক গুণৰাজি

ব্যক্তিগত আৰু সামাজিক গুণৰাজিৰ বিকাশ বুলিলে শিশুৰ নিজৰ আৰু আনৰ লগত সম্পৰ্কিত জ্ঞান, বোধ, দক্ষতা আৰু কৌশল — এইকেইটা দিশৰ বিকাশ হোৱাকে বুজায়। শিশুৰ ব্যক্তিগত আৰু সামাজিক গুণৰাজি বিকাশত পৰিয়ালৰ উপৰি বিদ্যালয়ৰ প্ৰধান ভূমিকা আছে। এই গুণৰাজিৰ বিকাশৰ বাবে শিক্ষকে ছাত্ৰ-ছাত্ৰীক ভাল ব্যৱহাৰ কৰিব লাগিব, গুৰুত্ব দিব লাগিব আৰু বিভিন্ন ধৰণৰ ব্যক্তিগত আৰু সামাজিক সমস্যা সমাধানৰ কাৰণে ছাত্ৰ-ছাত্ৰীক অনুপ্ৰাণিত কৰিব। পাঠ্যক্ৰমৰ সকলো বিষয়তে ব্যক্তিগত আৰু সামাজিক গুণৰ বিকাশৰ সুবিধা অন্তৰ্নিহিত হৈ থাকে। সেয়েহে শিক্ষকে বিভিন্ন বিষয়

আদান-প্ৰদান কৰোঁতে এই গুণসমূহৰ বিকাশৰ বাবে উপযুক্ত পৰিৱেশ গঢ়ি তুলিবলৈ প্ৰয়াস কৰিব।

এটা বিশেষ বিষয় বা এটা বিশেষ কাম বিশেষ সময়ত কৰিবলৈ দি ব্যক্তিগত আৰু সামাজিক গুণৰাজিৰ মূল্যায়ন কৰিব নোৱাৰি। কিন্তু ইয়াক শ্ৰেণীকোঠাত হোৱা বিভিন্ন বিষয়ৰ পাঠৰ আদান-প্ৰদান আৰু বিদ্যালয়ত হোৱা বিভিন্ন ক্ৰিয়া-কলাপত ছাত্ৰ-ছাত্ৰীৰ অংশগ্ৰহণ ধাৰাবাহিকভাৱে পৰ্যৱেক্ষণ কৰি মূল্যায়ন কৰিব পাৰি।

ব্যক্তিগত আৰু সামাজিক গুণৰাজি মূল্যায়নৰ লক্ষ্য হৈছে ছাত্ৰ-ছাত্ৰীৰ মাজত অন্তৰ্নিহিত দিশসমূহ চিনাক্তকৰণ কৰা আৰু সেই দিশসমূহৰ অধিক বিকাশৰ বাবে ব্যৱস্থা গ্ৰহণ কৰি তেওঁলোকক অনুপ্ৰাণিত কৰা। কাৰণ লিংগ, অৰ্থনৈতিক অৱস্থা, সংখ্যালঘু সম্প্ৰদায় বা বিশেষ প্ৰয়োজন সম্পন্ন ছাত্ৰ-ছাত্ৰী, ঘৰুৱা পৰিৱেশ আৰু সামাজিক পৰিৱেশ অনুযায়ী একে পৰ্যায়ৰ বা একে বয়সৰ ছাত্ৰ-ছাত্ৰীৰ ব্যক্তিগত আৰু সামাজিক গুণৰাজি বেলেগ বেলেগ হয়। এইখিনিতে উল্লেখনীয় যে ছাত্ৰ-ছাত্ৰীৰ অনাকাংখিত আচৰণৰ ওপৰত আলোকপাত কৰা অনুচিত যদিও তাক সুপথে নিয়াৰ ব্যৱস্থা কৰিব লাগে। যিহেতু অবিৰত আৰু সামাগ্ৰিক মূল্যায়নৰ লক্ষ্য হৈছে বিকাশ সাধনহে।

এই গুণৰাজিৰ বিকাশৰ বাবে শিক্ষকে ছাত্ৰ-ছাত্ৰীক জ্ঞান আৰু অভিজ্ঞতা আহৰণৰ উপযুক্ত পৰিৱেশ সৃষ্টি কৰিব লাগিব। ছাত্ৰই ভাল কাম কৰিলে স্বীকৃতি দিব লাগে, লগতে পুৰস্কৃতও কৰিব লাগে। শিক্ষকে ছাত্ৰ-ছাত্ৰীক নিজৰ কাম নিজে আৰম্ভ কৰা, নিজৰ শিক্ষাৰ দায়িত্ব লোৱা, নিজৰ পচন্দ অনুসৰি ক্ৰিয়া-কলাপ কৰা ইত্যাদি কামত উৎসাহিত কৰিব লাগে। পাঠদান প্ৰক্ৰিয়াত এনে কামসমূহ অন্তৰ্ভুক্ত হ'ব লাগে যাতে ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ, নেতৃত্ব প্ৰদান, সহায়-সহযোগিতা, সহনশীলতা আদি গুণসমূহৰ বিকাশ কৰাৰ সুবিধা পায়। লগতে ছাত্ৰ-ছাত্ৰীয়ে নিজৰ ধ্যান-ধাৰণা, কল্পনা আদিৰ আদান-প্ৰদান কৰি সিদ্ধান্ত ল'ব পৰা হয়।

শিক্ষকে নিজেও ছাত্ৰ-ছাত্ৰীয়ে ক'বলৈ বিচৰা কথাবিলাক বা মতামতসমূহ ধৈৰ্য সহকাৰে শুনিব লাগে যাতে ছাত্ৰ-ছাত্ৰীয়ে নিজকে শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ এক গুৰুত্বপূৰ্ণ অংশ বুলি অনুভৱ কৰে।

**প্ৰাথমিক স্তৰত ব্যক্তিগত-সামাজিক গুণৰাজিৰ উদাহৰণসমূহ—**

| **স্তৰ** | **ব্যক্তিগত-সামাজিক গুণৰাজি** | **কেনেকৈ বুজিব পাৰি** |
|---|---|---|
| প্ৰাথমিক | স্ব-নিয়মানুৰৰ্তিতা | নিজৰ কাম নিজে সময়মতে কৰিবলৈ সমৰ্থ হোৱা (নিজৰ যত্ন নিজে ল'ব পৰা, চাফ-চিকুণতা, পোছাক-পৰিচ্ছদ, শৌচ-প্ৰস্ৰাৱ ঠিকমতে কৰা), সকলো কাম নিয়মমতে কৰা (কিতাপ বা অন্য সামগ্ৰী বিদ্যালয়লৈ নিয়মমতে অনা), শ্ৰেণীত মনোযোগ দিয়া, যিকোনো কাম সময়মতে কৰা। নিজৰ ব্যৱহাৰ, কিতাপ-পত্ৰ, পুতলা আৰু পোহনীয়া জীৱৰ দায়িত্ব নিজে ল'ব পৰা। |

| | | |
|---|---|---|
| | সহযোগিতা | প্ৰয়োজনৰ সময়ত নিজৰ বস্তু আনক দিয়া, দলত কাম কৰিবলৈ সমৰ্থ হোৱা (ক্ৰিয়া-কলাপ, প্ৰকল্প, খেল-ধেমালি ইত্যাদি), প্ৰয়োজনৰ সময়ত সহায় কৰা/বিচৰা/ খেল-ধেমালি/কামৰ সময়ত আনক সহায় কৰা। |
| | আবেগ নিয়ন্ত্ৰণ | আনৰ কথোপকথনৰ মাজত হঠাৎ ভাগ ল'ব নিবিচৰা বা নিজৰ পাল পৰাৰ সময়লৈ বাট চাব পৰা, শিক্ষক শ্ৰেণীত উপস্থিত থাকক বা নাথাকক শ্ৰেণীৰ নিয়মসমূহ মানি চলা (কিয় নিয়মসমূহ প্ৰস্তুত কৰা হৈছে আৰু এইবোৰ কিয় মানি চলিব লাগে বুজি পোৱা), কোনো বস্তুলৈ প্ৰয়োজনতকৈ বেছি সময় ৰ'ব লগা হ'লেও ধৈৰ্য ধৰি থকা, বন্ধু-বান্ধৱৰ মাজত হোৱা বাদানুবাদ নিয়ন্ত্ৰণ কৰিব পৰা। |
| | অন্যৰ প্ৰতি চিন্তা/সমমৰ্তিতা | আনৰ অনুভৱ আৰু চিন্তাক বুজি পোৱা, আনৰ কথা শুনা, অন্যৰ দৃষ্টিভংগী, আৱেগ বুজি পোৱা আৰু ইয়াৰ প্ৰতি সংবেদনশীল হোৱা। |
| | আগৰণুৱা | নিজৰ কাম নিজে কৰিবলৈ আগ্ৰহী হোৱা, যেনে- খেল-ধেমালি বা ক্ৰিয়া-কলাপত নিজে অন্তৰ্ভুক্ত হ'ব বিচৰা, সমনীয়াৰ লগত আলোচনাত আগভাগ ল'ব বিচৰা, উৎসাহ-উদ্দীপনাৰে নতুন কাম কৰিবলৈ লোৱা, অচিনাকি মানুহৰ সন্মুখত বা পৰিস্থিতিত আত্মনিৰ্ভৰশীল হৈ থিয় হ'ব পৰা, দৃষ্টিভংগী স্পষ্টভাৱে প্ৰকাশ কৰিব পৰা। |

**অবিৰত আৰু সামগ্ৰিক মূল্যায়ন কেনেকৈ কাৰ্যকৰী কৰা হ'ব?**

১) বছৰৰ আৰম্ভণিতে শিক্ষকে তেওঁৰ ছাত্ৰ-ছাত্ৰীয়ে কোনে কিমান শিকি আহিছে সেই কথা জানিবলৈ মূল্যায়ন কৰিব আৰু নিৰ্ধাৰিত পাঠ্যক্ৰমৰ ভিত্তিত তেওঁ বছৰেকীয়া পৰিকল্পনা প্ৰস্তুত কৰিব, য'ত প্ৰত্যেকজন ছাত্ৰ-ছাত্ৰীয়ে বছৰৰ শেষত কি জানিবলৈ আৰু কৰিবলৈ সমৰ্থ হ'ব, সেয়া লিখা থাকিব।

২) শিকনৰ লক্ষ্যৰ ওপৰত ভিত্তি কৰি শিক্ষকে কেনেকৈ শিকালে ছাত্ৰ-ছাত্ৰীয়ে শিকিব পাৰিব তাৰ পৰিকল্পনা কৰিব। শিকোৱাৰ ক্ষেত্ৰত শিক্ষকে বিভিন্ন ক্ৰিয়া-কলাপ, আলোচনা আৰু প্ৰশ্ন সোধাৰ মাজেৰে এনেকৈ আগবাঢ়িব যাতে ছাত্ৰ-ছাত্ৰীয়ে শিক্ষণ-শিকন কাৰ্যত কিমান অংশগ্ৰহণ আৰু শিক্ষা লাভ কৰিলে শিক্ষকে জানিব পাৰিব।

৩) বিভিন্ন ক্ৰিয়া-কলাপ, গৃহ কাৰ্য, প্ৰকল্প, সৰু সৰু অভীক্ষাৰ দ্বাৰা কোনজন ছাত্ৰ/ছাত্ৰীয়ে নিৰ্দিষ্ট গোটত

শিকনৰ লক্ষ্যত উপনীত হৈছে আৰু কোনজন ছাত্ৰ/ছাত্ৰীক আৰু অধিক সহায়ৰ প্ৰয়োজন হ'ব সেয়া শিক্ষকে আনুষ্ঠানিক অথবা অনানুষ্ঠানিক উপায়েৰে নিয়মিত পৰ্যৱেক্ষণ কৰিব আৰু প্ৰত্যেক সপ্তাহৰ বাবে টোকা লিখিব।

৪) যদি প্ৰয়োজন হয় শিক্ষকে শিক্ষণ-শিকন পদ্ধতি সলনি কৰিব। যিসকল ছাত্ৰ/ছাত্ৰীক অতিৰিক্ত সহায়ৰ প্ৰয়োজন হয় তেওঁলোকক কেনেকৈ সহায় কৰিলে তেওঁলোকে শিকিব পাৰে তাৰ পৰিকল্পনা কৰিব। পৰিকল্পনা কৰোঁতে প্ৰথমে ছাত্ৰ/ছাত্ৰীয়ে কিয় পৰা নাই তাক উলিয়াই ল'ব। এনে ছাত্ৰ/ছাত্ৰীক শিকোৱাৰ ক্ষেত্ৰত অন্য ছাত্ৰ/ছাত্ৰীয়ে কিধৰণে সহায় কৰিব পাৰে, তেওঁলোকৰ প্ৰতি ব্যক্তিগত মনোযোগ, মাক-দেউতাকৰ লগত আলোচনা বা বেলেগ ক্ৰিয়া-কলাপ বা পুনৰ অভ্যাস কৰা আদি দিশবোৰ বিবেচনা কৰিব যাতে ছাত্ৰ/ছাত্ৰীয়ে সহজতে আয়ত্ত কৰিব পাৰে।

৫) প্ৰতিটো গোট মূল্যায়নৰ অন্তত শিক্ষকে অগ্ৰগতিৰ প্ৰতিবেদন পত্ৰত প্ৰত্যেক ছাত্ৰ/ছাত্ৰীৰ অগ্ৰগতিৰ খতিয়ান লিখি উলিয়াব আৰু ছাত্ৰ-ছাত্ৰীৰ সন্মুখত মাক-দেউতাকৰ লগত আলোচনা কৰিব। প্ৰতিবেদনত বিদ্যায়তনিক দিশৰ প্ৰতিটো বিষয়ৰ প্ৰদৰ্শনৰ মান, কোনটো দিশত ছাত্ৰ/ছাত্ৰীগৰাকী ভাল, কোনটো দিশত ছাত্ৰ/ছাত্ৰীগৰাকীক অধিক মনোযোগ দিব লাগিব আদিৰ বৰ্ণনা থাকিব। শিক্ষকে ছাত্ৰ-ছাত্ৰীয়ে বিদ্যালয়ত কৰা কিছুমান কাম, যেনে— টোকাবহী, প্ৰকল্প, কলা আদিৰ নমুনা মাক-দেউতাক বা অভিভাৱকক দেখুৱাই ছাত্ৰ-ছাত্ৰীৰ সামগ্ৰিক বিকাশৰ কথা আলোচনা কৰিব।

৬) ব্যক্তিগত আৰু সামাজিক গুণৰাজিৰ দ্বাৰা যাতে ছাত্ৰ-ছাত্ৰীৰ কিছুমান ইপ্সিত পৰিৱৰ্তন সাধন হয় তাৰ প্ৰতি শিক্ষক-শিক্ষয়িত্ৰীয়ে লক্ষ্য ৰাখিব। ছাত্ৰ-ছাত্ৰীৰ অগ্ৰগতিৰ খতিয়ানত থকা ব্যক্তিগত আৰু সামাজিক গুণৰাজিৰ দিশসমূহৰ প্ৰতিটোতে শিক্ষক-শিক্ষয়িত্ৰীয়ে পৰ্যৱেক্ষণ কৰি গোট মূল্যায়নৰ সময়ত বৰ্ণনামূলক মন্তব্য প্ৰদান কৰিব।

৭) ব্যক্তিগত আৰু সামাজিক গুণৰাজিৰ মূল্যায়ন কেৱল বৰ্ণনামূলক মন্তব্যৰে দিব। এনে মন্তব্য দিয়াৰ সময়ত শিক্ষণ-শিকন প্ৰক্ৰিয়াত জড়িত সকলো শিক্ষকৰ মতামত লৈহে দিয়া উচিত।

**অবিৰত আৰু সামগ্ৰিক মূল্যায়নৰ আহিলা —**

১) মৌখিক প্ৰশ্ন
২) লিখিত প্ৰশ্ন
৩) ক্ৰিয়া-কলাপ
৪) প্ৰকল্প
৫) দলীয় কাৰ্য
৬) পৰ্যৱেক্ষণ/নিৰীক্ষণ তালিকা
৭) ক্ষেত্ৰ অধ্যয়ন
৮) কুইজ/আকস্মিক বক্তৃতা/তৰ্ক প্ৰতিযোগিতা ইত্যাদি

**শিক্ষকে বিশেষভাৱে মন কৰিবলগীয়া কথা (শিক্ষকৰ প্ৰতিফলন) ঃ**

- ছাত্ৰ-ছাত্ৰীসকলক বিভিন্ন ক্ৰিয়া-কলাপত সম্পূৰ্ণভাৱে জড়িত কৰিব পাৰিছোঁনে?
- তেওঁলোকে উপযুক্তভাৱে শিকিব পাৰিছেনে?
- তেওঁলোকৰ বিভিন্ন প্ৰয়োজন বুজিব পাৰিছোঁনে?
- শ্ৰেণীত কোনোবা ছাত্ৰ-ছাত্ৰী বুজি নোপোৱাকৈ আছে নেকি? তেওঁলোকৰ মনোযোগ আকৰ্ষণ কৰি শিকন কাৰ্যত অধিক আগ্ৰহান্বিত কৰিবলৈ কি কি ব্যৱস্থা হাতত ল'ব পাৰোঁ?

**ব্যক্তিগত-সামাজিক গুণৰাজি কেনেকৈ মূল্যায়ন কৰিব?**

ব্যক্তিগত-সামাজিক গুণৰাজি মূল্যায়নৰ উদ্দেশ্য হ'ল এই গুণৰাজিৰ বিকাশত ছাত্ৰ-ছাত্ৰীয়ে কিমান ভালকৈ আগবাঢ়িছে তাক জনাটো। এই গুণৰাজি একে পৰ্যায়ৰ বা একে বয়সৰ ছাত্ৰ-ছাত্ৰীৰ ক্ষেত্ৰত বেলেগ বেলেগ হ'ব পাৰে, সেয়েহে ইয়াক নিৰ্ণয় কৰাৰ কোনো নিৰ্দিষ্ট মাপ-কাঠি নাই।
ব্যক্তিগত আৰু সামাজিক গুণৰাজি মূল্যায়ন কৰাৰ সময় —

১) শ্ৰেণীকোঠাত ছাত্ৰ-ছাত্ৰীক প্ৰশ্ন সোধোতে লাভ কৰা সঁহাৰি
২) শিক্ষকে ছাত্ৰ-ছাত্ৰীক নিৰ্দেশনা দিওঁতে বা কোৱা কথা শুনোঁতে
৩) আলোচনা আদিত ভাগ লওঁতে
৪) ছাত্ৰ-ছাত্ৰীয়ে কোনো পৰীক্ষা-নিৰীক্ষা সম্পাদন কৰোঁতে
৫) ছাত্ৰ-ছাত্ৰীয়ে নিজৰ বক্তব্য প্ৰকাশ কৰোঁতে
৬) ছাত্ৰ-ছাত্ৰীয়ে চলা-ফিৰা কৰোঁতে
৭) শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত কথোপকথনৰ সময়ত
৮) ছাত্ৰ-ছাত্ৰীৰ আচৰণত
৯) সমনীয়াৰ লগত কাৰ্য কৰোঁতে
১০) লিখোঁতে

শিক্ষকে প্ৰতিদিনে বিদ্যালয়ত বিভিন্ন পৰিৱেশত, শ্ৰেণীকোঠাৰ ভিতৰত বা বাহিৰত, মূল্যায়নৰ সময়ত বা পুথিভঁৰালত কাম কৰি থকাৰ সময়ত, খেল পথাৰত খেলি থকাৰ সময়ত অবিৰতভাৱে পৰ্যৱেক্ষণৰ দ্বাৰা এই কাৰ্য সম্পাদন কৰিব পাৰে। আকৌ বিভিন্ন ক্ৰিয়া-কলাপ, যেনে — কলা, সংগীত, নৃত্য, খেল-ধেমালি, বিদ্যালয়ত পালন কৰা যিকোনো উৎসৱত শিক্ষকে ব্যক্তিগত আৰু সামাজিক গুণৰ লগত জড়িত থকা দিশসমূহ পৰ্যৱেক্ষণ কৰিব পাৰে। শিক্ষকে গোটেই বছৰ জুৰি ছাত্ৰ-ছাত্ৰীক এনেদৰে পৰ্যৱেক্ষণ কৰিব আৰু একো একোটা গোট মূল্যায়নৰ অন্তত প্ৰত্যেক ছাত্ৰ-ছাত্ৰীৰ প্ৰধান ব্যক্তিগত-সামাজিক গুণৰাজিৰ খতিয়ান দাঙি ধৰিব। এই খতিয়ান বৰ্ণনামূলক হোৱা উচিত আৰু ইয়াক গ্ৰেডত প্ৰকাশ কৰা অনুচিত।

ছাত্ৰ-ছাত্ৰীৰ ব্যক্তিগত-সামাজিক গুণৰাজিৰ টোকা লিখোঁতে কোনো ছাত্ৰ বা ছাত্ৰীৰ ভাল গুণৰাজিহে উল্লেখ কৰিব লাগে। কাৰণ এজন শিশুৰ সকলোবোৰ গুণ নাথাকিব পাৰে। তেওঁৰ যিখিনি গুণ আছে তাৰ উন্নীতকৰণতহে শিক্ষকে গুৰুত্ব দিয়া উচিত।

**মূল্যায়ন ব্যৱস্থাৰ নিৰ্দেশনাৱলী ঃ**

চৰকাৰী জাননী নং AEE.499/2010/14-A dated 29/04/2011 ৰ জৰিয়তে তলত উল্লেখ কৰা মতে বছৰটোত প্ৰতিটো বিষয়ৰ বাবে চাৰিটা গোট মূল্যায়ন ল'বলৈ স্থিৰ কৰা হৈছে। তাৰবাবে প্ৰতিটো পাঠ শেষ হোৱাৰ পিছত পাঠত থকা ধাৰণা/অৰ্হতাসমূহ মূল্যায়ন কৰি যাব। পিছত নিৰ্দিষ্ট মাহকেইটাত শিক্ষণ-শিকন শেষ হোৱা পাঠসমূহৰ ওপৰত গোটভিত্তিক মূল্যায়ন কৰিব আৰু নথিত লিপিবদ্ধ কৰি ৰাখিব। বিশেষ প্ৰয়োজন সম্পন্ন শিশুৰ (Children with Special Needs) মূল্যায়নৰ ক্ষেত্ৰত ল'বলগীয়া কিছুমান নিৰ্দেশনা তলত উল্লেখ কৰা হ'ল। শিক্ষক-শিক্ষয়িত্ৰীসকলে নিজ নিজ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ প্ৰয়োজনবোধে নিৰ্দেশনাৱলী সুবিধা অনুযায়ী গ্ৰহণ কৰিলে এনে শিশুসকল উপকৃত হ'ব। এই নিৰ্দেশনাসমূহ হ'ল —

১) প্ৰয়োজন অনুসৰি এইসকল ছাত্ৰ-ছাত্ৰীক অতিৰিক্ত সময় দিব। অৱসাদ দূৰ কৰাৰ বাবে এই সময়খিনিৰ ভিতৰতে জিৰণিৰ অনুমতি দিব।

২) ছাত্ৰ-ছাত্ৰীৰ ব্যক্তিগত প্ৰয়োজন অনুসৰি বিভিন্ন সজুঁলি ব্যৱহাৰ কৰিবলৈ দিব, উদাহৰণস্বৰূপে— কেলকুলেটৰ, এবেকাচ, টেইলৰ ফ্ৰেইমৰ যোগাযোগ ব'ৰ্ড, হেলনীয়া ব'ৰ্ড, টেপ ৰেকৰ্ডাৰ, পেইন গ্ৰিপচ্ অৰ্থাৎ কলম ধৰা সঁজুলি ইত্যাদি।

৩) শ্ৰৱণ বাধাগ্ৰস্ত ছাত্ৰ-ছাত্ৰীৰ ক্ষেত্ৰত ভাষা আহৰণৰ অসুবিধা থকাৰ বাবে মূল্যায়নৰ পদ্ধতি ৰচনাভিত্তিক হোৱাৰ পৰিৱৰ্তে বস্তুনিষ্ঠ হোৱা উচিত। প্ৰশ্নসমূহৰ ভাষা সহজ-সৰল হোৱাটো নিতান্তই প্ৰয়োজনীয়।

৪) দৃষ্টি শক্তিৰ অসুবিধা থকাসকলৰ বাবে প্ৰশ্নকাকতসমূহ প্ৰয়োজন অনুসৰি ব্ৰেইল/ ডাঙৰ ছপা আখৰৰ হ'ব লাগে।

৫) যিমানদূৰ সম্ভৱ যতি চিহ্ন, বানান আৰু ব্যাকৰণৰ ভুলৰ বাবে নম্বৰ কমকৈ দিয়াৰ পৰা বিৰত থাকিব লাগে।

৬) পৰীক্ষাৰ সময়ত দিয়া মৌখিক নিৰ্দেশনাসমূহ ব'ৰ্ডত লিখি দিব।

৭) প্ৰয়োজন হ'লে এজন লিপিকাৰক নিয়োগৰ ব্যৱস্থা কৰিব।

৮) মগজুৰ পক্ষাঘাত থকা শিশুসকলে লিখাৰ সময়ত যথেষ্ট হেঁচি লিখে। সেয়েহে তেনে শিশুসকলক ব্যৱহাৰ কৰিবলৈ দিয়া উত্তৰবহী/কাগজ যথেষ্ট ডাঠ হোৱা উচিত।

৯) মানসিক বাধাগ্ৰস্ত শিশুৰ মূল্যায়নৰ বাবে প্ৰস্তুত কৰা প্ৰশ্নসমূহৰ জটিলতা শিশুৰ বোধগম্যতাৰ ওপৰত ভিত্তি কৰিহে নিৰ্ণয় কৰিব লাগে।

| মূল্যায়ন নং | অনুষ্ঠিত কৰা মাহ | নম্বৰ | মুঠ নম্বৰ | গ্ৰেড |
|---|---|---|---|---|
| গোট মূল্যায়ন - ১ | এপ্ৰিল | ৫০ | ২০০ | |
| গোট মূল্যায়ন - ২ | জুন | ৫০ | | |
| গোট মূল্যায়ন - ৩ | অক্টোবৰ | ৫০ | | |
| গোট মূল্যায়ন - ৪ | ডিচেম্বৰ | ৫০ | | |

**'ক' শ্ৰেণীৰ মূল্যায়ন ঃ**

মূল্যায়ন ব্যৱস্থাই বিভিন্ন দিশত শিশুটিৰ কিমান দূৰ বিকাশ সাধন হৈছে তাৰ এটা খতিয়ান দাঙি ধৰে যাৰ পৰা প্ৰয়োজনীয় সংশোধনীমূলক ব্যৱস্থা ল'বলৈ সুযোগ পোৱা যায়। এইক্ষেত্ৰত 'ক' শ্ৰেণীৰ উদ্দেশ্যসমূহৰ প্ৰতি মনোনিবেশ কৰা উচিত। এই উদ্দেশ্যসমূহ হৈছে —

১) শিশুৰ নিয়মীয়াকৈ বিদ্যালয়লৈ অহাৰ অভ্যাস গঢ়ি তোলা।

২) খেলা-ধূলা, ক্ৰিয়া-কলাপৰ জৰিয়তে শিশুৰ শাৰীৰিক, মানসিক, বোধশক্তি, আৱেগিক-সামাজিক বিকাশ সাধন কৰা।

৩) পৰৱৰ্তী আনুষ্ঠানিক শিক্ষাৰ বাবে ধাউতি বঢ়োৱা আৰু প্ৰস্তুত কৰি তোলা।

এনেধৰণৰ বিকাশৰ পথত শিশুসকল 'কিমানদূৰ' আগবাঢ়িছে তাৰ খতিয়ান ল'বলৈ কোনো আনুষ্ঠানিক পৰীক্ষা লোৱাৰ আৱশ্যক নহয়। আনকি মৌখিক পৰীক্ষাও অনাৱশ্যক। তাৰ পৰিৱৰ্তে শিশুসকলে কৰি থকা বিভিন্ন খেল-ধেমালি, ক্ৰিয়া-কলাপ আদিত অংশগ্ৰহণ, প্ৰতিযোগিতা আৰু মনোযোগৰ প্ৰতি লক্ষ্য ৰাখি 'পৰ্যৱেক্ষণ' কৰিব লাগে। এই 'পৰ্যৱেক্ষণ' এদিনীয়া নহৈ অবিৰতভাৱে কৰিব লাগে আৰু শিক্ষকসকলে প্ৰয়োজনসাপেক্ষে শিশুক সহায় কৰিব লাগে।

বিশেষ প্ৰয়োজন সম্পন্ন শিশুৰ সৰ্বাংগীন বিকাশৰ বাবে প্ৰয়োজনবোধে অতিৰিক্ত সময় দিয়া, নিৰ্ধাৰিত কাৰ্যসূচী আৰু ক্ৰিয়া-কলাপৰ সাল-সলনি কৰাও প্ৰয়োজন হ'ব পাৰে।

**মূল্যায়নৰ খতিয়ান ঃ**

ছাত্ৰ-ছাত্ৰীৰ অবিৰত মূল্যায়নৰ খতিয়ান তলত দিয়া ধৰণে ৰাখি যাব —

(ক) বিদ্যায়তনিক (বিষয়ভিত্তিক)।

(খ) ব্যক্তিগত আৰু সামাজিক গুণৰাজিৰ খতিয়ান।

# ছাত্ৰ-ছাত্ৰীৰ অগ্ৰগতিৰ খতিয়ান

বিদ্যালয়ৰ নাম ঃ

ছাত্ৰী/ছাত্ৰীৰ নাম ঃ

শ্ৰেণী ঃ

শৈক্ষিক বৰ্ষ ঃ

| বিদ্যায়তনিক দিশ | | | | |
|---|---|---|---|---|
| বিষয় / গোট | গোট মূল্যাংকন ১ (১০০) | গোট মূল্যাংকন ২ (১০০) | গোট মূল্যাংকন ৩ (১০০) | গোট মূল্যাংকন ৪ (১০০) |
| ভাষা - ১ | | | | |
| ভাষা - ২ | | | | |
| ভাষা - ৩ | | | | |
| গণিত | | | | |
| পৰিৱেশ অধ্যয়ন | | | | |
| সমাজ বিজ্ঞান | | | | |
| বিজ্ঞান | | | | |
| স্বাস্থ্য আৰু শাৰীৰিক শিক্ষা | | | | |
| কলা শিক্ষা | | | | |
| কৰ্ম শিক্ষা | | | | |
| মুঠ | | | | |

| ব্যক্তিগত-সামাজিক গুণৰাজি (বৰ্ণনামূলক মন্তব্য) | |
|---|---|
| নিয়মানুৱৰ্তিতা | |
| বয়োজ্যেষ্ঠ লোকৰ প্ৰতি সন্মান প্ৰদৰ্শন | |
| প্ৰতিবন্ধীসকলৰ প্ৰতি সন্মান প্ৰদৰ্শন | |
| সত্যবাদিতা | |
| অনুশাসন | |
| সময়ানুৱৰ্তিতা | |
| সমমৰ্মিতা | |
| সহযোগিতা | |
| মনোযোগ | |
| মনোভাৱ ঃ<br>(ক) নিজৰ প্ৰতি, সহযোগীৰ প্ৰতি | |
| (খ) শিক্ষকৰ প্ৰতি | |
| আবেগ নিয়ন্ত্ৰণ | |
| নেতৃত্ববোধ | |
| অন্যান্য | |
| | |

শিক্ষকৰ মন্তব্য ঃ ..........................................................................................................................

পিতৃ-মাতৃ/অভিভাৱকৰ স্বাক্ষৰ ................................................ শ্ৰেণী শিক্ষকৰ স্বাক্ষৰ..................................................................

তাৰিখ ............................................ প্ৰধান শিক্ষকৰ স্বাক্ষৰ..................................................................

**মূল্যায়নত মান (গ্ৰেড) ব্যৱহাৰ ঃ**

যদিও অবিৰত আৰু সামগ্ৰিক মূল্যায়ন ব্যৱস্থাত নম্বৰ/ গ্ৰেডৰ ওপৰত অধিক গুৰুত্ব দিয়া উচিত নহয়, তথাপিও আমাৰ ৰাজ্যত মূল্যায়ন পদ্ধতিৰ সম্পূৰ্ণ পৰিৱৰ্তন নোহোৱালৈকে শিক্ষকৰ সুবিধাৰ্থে সামান্য পৰিৱৰ্তন কৰি আগৰ বছৰৰ দৰে এইবছৰো গ্ৰেড দিয়াৰ ব্যৱস্থা কৰা হৈছে। প্ৰাথমিক পৰ্যায়ত তলত দিয়া ধৰণে গ্ৰেড ব্যৱহাৰ কৰিব।

**(ক) বিদ্যায়তনিক দিশৰ বাবে**

| | | | | | |
|---|---|---|---|---|---|
| গ্ৰেড $A^+$ | — | (৯১-১০০) % | গ্ৰেড $C^+$ | — | (৫১-৬০) % |
| গ্ৰেড A | — | (৮১-৯০) % | গ্ৰেড C | — | (৪১-৫০) % |
| গ্ৰেড $B^+$ | — | (৭১-৮০) % | গ্ৰেড D | — | (৪০% আৰু ৪০% ৰ তলত) |
| গ্ৰেড B | — | (৬১-৭০) % | | | |

**গ্ৰেড নিৰ্ণয় ঃ** $$\frac{\text{বিষয়ভিত্তিক পোৱা মুঠ নম্বৰ}}{\text{বিষয়ভিত্তিক সৰ্বমুঠ নম্বৰ}} \times ১০০$$

**উদাহৰণ ঃ**

**কোনো ছাত্ৰ/ছাত্ৰীয়ে পোৱা মুঠ নম্বৰ**

| **বিষয়** | **মুঠ নম্বৰ** | **প্ৰাপ্ত নম্বৰ** |
|---|---|---|
| ভাষা | ৫০ | ৪৫ |
| গণিত | ৫০ | ৫০ |
| ইংৰাজী | ৫০ | ৪০ |
| পৰিৱেশ অধ্যয়ন | ৫০ | ৪০ |
| শাৰীৰিক শিক্ষা | ৫০ | ৪০ |
| কলা শিক্ষা | ৫০ | ৪০ |
| **সৰ্বমুঠ** | **৩০০** | **২৫৫** |

**গ্ৰেড নিৰ্ধাৰণ ঃ** $$\frac{২৫৫}{৩০০} \times ১০০ = ৮৫\%$$ **গ্ৰেড A**

**(খ) ব্যক্তিগত-সামাজিক গুণৰাজি**

শিক্ষকে এইসম্পৰ্কে গঠনাত্মক মন্তব্য দিয়া উচিত। যদি ছাত্ৰ/ছাত্ৰীগৰাকী কোনো দিশত দুৰ্বল আৰু তেওঁৰ অধিক বিকাশৰ প্ৰয়োজন আছে, তেন্তে **'তেওঁ এই দিশত পিছপৰা'** বুলি কোৱাতকৈ **'এই দিশত অধিক যত্নৰ প্ৰয়োজন আছে'** বুলি উল্লেখ কৰা উচিত।

এটা নিৰ্দিষ্ট বিষয়ৰ বাবে মূল্যায়নৰ পৰ্যায় চাৰি ধৰণৰ হ'ব পাৰে—

**পৰ্যায় ১ ঃ** কৰিবলৈ দিয়া কাৰ্য/ক্ৰিয়া-কলাপ আকাঙ্খিত পৰ্যায়ত সমাধা কৰাৰ বাবে সহায়ৰ আৰশ্যক আছে।

**পৰ্যায় ২ ঃ** কৰিবলৈ দিয়া কাৰ্য/ক্ৰিয়া-কলাপৰ ধাৰণা আছে যদিও সম্পাদন কৰাত অসুবিধা পায়।

**পৰ্যায় ৩ ঃ** কৰিবলৈ দিয়া কাৰ্য নিজাববীয়াকৈ সম্পাদন কৰিব পাৰে।

**পৰ্যায় ৪ ঃ** কৰিবলৈ দিয়া কাৰ্য/ক্ৰিয়া-কলাপতকৈও জটিল কাৰ্য সম্পাদন কৰিব পাৰে।

উল্লিখিত পৰ্যায়সমূহ শিক্ষকে তলত দিয়া চিহ্নৰ দ্বাৰা উপস্থাপন কৰিব পাৰে।

**পৰ্যায় ১ ঃ** △ **পৰ্যায় ২ ঃ** ⩢ **পৰ্যায় ৩ ঃ** ✱ **পৰ্যায় ৪ ঃ** □

**পিতৃ-মাতৃ/অভিভাৱকৰ লগত কি কি দিশ আলোচনা কৰিব ?**

❖ *তেওঁলোকৰ সন্তানে কি কৰিবলৈ ভাল পায় বা কি কৰিবলৈ বেয়া পায় সেই বিষয়ে আলোচনা কৰিব।*

❖ *তেওঁলোকৰ সন্তানে কৰা ভাল কাম বা বেয়া কামৰ ওপৰত আলোকপাত কৰিব। সন্তানৰ কৃতকাৰ্যতা আৰু উন্নতিৰ ক্ষেত্ৰত প্ৰয়োজন হোৱা সহায়ৰ কথা তেওঁলোকক জনাব।*

❖ *সন্তানৰ কোনো প্ৰশংসনীয় কাম বা তেওঁ কৰা প্ৰচেষ্টাক উৎসাহিত কৰিবলৈ পৰামৰ্শ দিব।*

❖ *ছাত্ৰ বা ছাত্ৰীগৰাকীক সহযোগিতা, দায়িত্ববোধ, অন্যৰ প্ৰতি সংবেদনশীলতা, আগ্ৰহ বা ৰাপ ইত্যাদি দিশসমূহ পিতৃ-মাতৃ বা অভিভাৱকৰ লগত আলোচনা কৰিব।*

❖ *সন্তানৰ শিকন কাৰ্যত সহায় কৰিবলৈ পিতৃ-মাতৃ বা অভিভাৱকে কেনেধৰণৰ কাম কৰিব পাৰে বা তেওঁলোকে সন্তানৰ কি কি দিশ নিৰীক্ষণ কৰিব সেই বিষয়েও আলোচনা কৰিব।*

## মাহ অনুসৰি বিস্তৃত কাৰ্যসূচী ঃ

### জানুৱাৰী, ২০১৭

| শ্ৰেণী দিন | উদ্‌যাপন দিন | আন কৰ্ম দিন | মূল্যায়ন দিন | ৰবিবাৰ | আন বন্ধৰ দিন | মুঠ দিন |
|---|---|---|---|---|---|---|
| ১ | ২ | ৩ | ৪ | ৫ | ৬ | ৭ (১+৫+৬) |
| ২,৩,৪,৫,৬, ৭,৯,১০,১১, ১২,১৩,১৬,১৭, ১৮,১৯,২০, ২১,২৪,২৫, ২৭,২৮,৩০ | ১৭ - শিল্পী দিৱস<br>২৬ - গণৰাজ্য দিৱস | — | — | ১,৮,১৫, ২২,২৯ | ১৪, ১৫- মাঘ বিহু আৰু টুচু পূজা<br>২৩ - নেতাজীৰ জন্মদিন<br>২৬ - গণৰাজ্য দিৱস<br>৩১ - মে-ডাম-মে-ফি | |
| ২২ | ২ | — | — | ৫ | ৫ (-১ ৰবিবাৰ) | ৩১ |

**উদযাপন কৰিব লগা দিনত কি কৰিব ঃ**

⇨ **২-৭ জানুৱাৰী ঃ** বিদ্যালয়ত 'বিদ্যাৰম্ভ' হিচাপে ছাত্ৰ-ছাত্ৰীৰ নাম ভৰ্তিকৰণ, বিদ্যাৰম্ভ প্ৰস্তুতি, বিদ্যালয় পৰিচালনা সমিতিৰ আৰু প্ৰধান শিক্ষকৰ তত্বাৱধানত সমূহ শিক্ষকে বছৰটোৰ বাবে শৈক্ষিক আৰু আন কাৰ্যৰ পৰিকল্পনা কৰিব। এই সপ্তাহটোতে বিদ্যালয়ত নেওঁতা অভ্যাস কৰা, হাতৰ আখৰ লিখা, শব্দৰ খেল, কবিতা আবৃত্তি, সাধু কোৱা আদি বিভিন্ন ধৰণৰ শৈক্ষিক ক্ৰিয়া-কলাপসমূহৰ আয়োজন কৰিব।

⇨ **১৭ জানুৱাৰী ঃ** (১) প্ৰাতঃসভাত ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ প্ৰতিমূৰ্তি/আলোকচিত্ৰৰ সন্মুখত চাকি জ্বলাই ফুলেৰে শ্ৰদ্ধাঞ্জলি জনাব আৰু নিৰ্বাচিত ছাত্ৰ/ছাত্ৰীয়ে শিল্পী দিৱসৰ তাৎপৰ্য ব্যাখ্যা কৰিব (২) বিদ্যালয়ত সমূহীয়াভাৱে জ্যোতিপ্ৰসাদৰ গীত, কবিতা, নৃত্য আদিৰ অনুষ্ঠান অনুষ্ঠিত কৰিব।

⇨ **২৬ জানুৱাৰী ঃ** শিক্ষক, ছাত্ৰ-ছাত্ৰীয়ে সমবেত হৈ ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰিব। শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীয়ে গণতন্ত্ৰ দিৱসৰ তাৎপৰ্য ব্যাখ্যা কৰিব আৰু সংবিধানৰ প্ৰতি থকা নাগৰিকৰ দায়বদ্ধতা সম্পৰ্কে আলোচনা কৰিব।

## ফেব্ৰুৱাৰী, ২০১৭

| শ্ৰেণী দিন | উদ্‌যাপন দিন | আন কৰ্ম দিন | মূল্যায়ন দিন | ৰবিবাৰ | আন বন্ধৰ দিন | মুঠ দিন |
|---|---|---|---|---|---|---|
| ১ | ২ | ৩ | ৪ | ৫ | ৬ | ৭ (১+৩+৫+৬) |
| ১,২,৩,৪,৯,১১, ১৩,১৪,১৫,১৬, ১৭,১৮,২০,২১, ২২,২৩,২৪,২৫, ২৭,২৮ | ১ - সৰস্বতী পূজা<br>২৮ - ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস | ৬, ৭, ৮ | — | ৫,১২, ১৯,২৬ | ১০ - বীৰ চিলাৰায় দিৱস | |
| ২০ | ২ | ৩ | — | ৪ | ১ | ২৮ |

**উদ্‌যাপন কৰিব লগা দিনত কি কৰিব ঃ**

⇨ **৬, ৭, ৮ ফেব্ৰুৱাৰী** — বাৰ্ষিক খেল-ধেমালি।

⇨ **১ ফেব্ৰুৱাৰী ঃ সৰস্বতী পূজা।**

⇨ **২৮ ফেব্ৰুৱাৰী ঃ** ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস উপলক্ষে বিদ্যালয়ত বিজ্ঞান প্ৰদৰ্শনীৰ আয়োজন কৰিব আৰু স্থানীয় দক্ষ ব্যক্তিৰ সহযোগত দিৱসৰ তাৎপৰ্য আৰু বিজ্ঞান বিষয়ত আলোচনা চক্ৰ/জনপ্ৰিয় বক্তৃতা অনুষ্ঠিত কৰিব।

## মাৰ্চ, ২০১৭

| শ্ৰেণী দিন | উদ্‌যাপন দিন | আন কৰ্ম দিন | মূল্যায়ন দিন | ৰবিবাৰ | আন বন্ধৰ দিন | মুঠ দিন |
|---|---|---|---|---|---|---|
| ১ | ২ | ৩ | ৪ | ৫ | ৬ | ৭ (১+৫+৬) |
| ১,২,৩,৪,৬,৭, ৮,৯,১০,১১, ১৩,১৪,১৫,১৬, ১৭,১৮,২০,২১, ২২,২৩,২৪,২৫, ২৭,২৮,২৯, ৩০,৩১ | ৪ - শিশু সুৰক্ষা দিৱস<br>২২ - বিশ্ব জল দিৱস | — | — | ৫, ১২, ১৯, ২৬ | ১২ - দৌল যাত্ৰা | |
| ২৭ | ২ | — | — | ৪ | ১ (- ১ ৰবিবাৰ) | ৩১ |

**উদ্‌যাপন কৰিব লগা দিনত কি কৰিব ঃ**

⇨ **৪ মাৰ্চ ঃ** প্ৰাতঃসভাত শিক্ষকে শিশুৰ সুৰক্ষা আৰু ইয়াৰ সজাগতা সম্পৰ্কে আলোকপাত কৰিব।

⇨ **২২ মাৰ্চ ঃ** প্ৰাতঃসভাত পানী সংৰক্ষণ সন্দৰ্ভত সজাগতা সৃষ্টিৰ বাবে নিৰ্বাচিত ছাত্ৰ-ছাত্ৰীয়ে এই দিৱসৰ তাৎপৰ্য চমুকৈ ব্যাখ্যা কৰিব। পূৰ্ব প্ৰস্তুতিৰে ছাত্ৰ-ছাত্ৰীয়ে লিখা শ্ল'গান, পোষ্টাৰ আদি প্ৰদৰ্শন কৰিব। নিয়মীয়া পাঠদান হ'ব।

## এপ্ৰিল, ২০১৭

| শ্ৰেণী দিন | উদ্‌যাপন দিন | আন কৰ্ম দিন | মূল্যায়ন দিন | ৰবিবাৰ | আন বন্ধৰ দিন | মুঠ দিন |
|---|---|---|---|---|---|---|
| ১ | ২ | ৩ | ৪ | ৫ | ৬ | ৭ (১+৫+৬) |
| ১,৩,৪,৫,৬, ৭,৮,১০,১১, ১২,১৩,১৭,১৮, ১৯,২০,২১, ২২,২৪,২৫, ২৬,২৮,২৯ | ৭ - বিশ্ব স্বাস্থ্য দিৱস | — | ৩, ৪, ৫, ৬, ৭, ৮, ১০, ১১ | ২, ৯, ১৬, ২৩, ৩০ | ১৪,১৫,১৬ - - গুড ফ্ৰাইডে আৰু বহাগ বিহু<br>২৭ - দামোদৰ দেৱৰ তিথি | |
| ২২ | ১ | — | ৮ | ৫ | ৪ (- ১ ৰবিবাৰ) | ৩০ |

**উদ্‌যাপন কৰিব লগা দিনত কি কৰিব ঃ**

⇨ প্ৰথম পাঠ গোট মূল্যায়ন ৩ৰ পৰা ১১ তাৰিখলৈ নিৰ্ধাৰণ কৰিব। তাৰ পিছৰ সপ্তাহটোত ছাত্ৰ-ছাত্ৰীৰ মূল্যায়নৰ খতিয়ান অভিভাৱকৰ লগত আলোচনা কৰিব।

⇨ **৭ এপ্ৰিল ঃ** প্ৰাতঃসভাত দিনটোৰ তাৎপৰ্য ব্যাখ্যা কৰিব। ওচৰৰ স্বাস্থ্য কেন্দ্ৰৰ লগত আগতীয়াকৈ যোগাযোগ কৰি জিৰণিৰ পাছত ছাত্ৰ-ছাত্ৰী আৰু বিদ্যালয়ৰ লগত জড়িত সকলোৰে স্বাস্থ্য পৰীক্ষাৰ ব্যৱস্থা কৰিব।

## মে’, ২০১৭

| শ্ৰেণী দিন | উদ্‌যাপন দিন | আন কৰ্ম দিন | মূল্যায়ন দিন | ৰবিবাৰ | আন বন্ধৰ দিন | মুঠ দিন |
|---|---|---|---|---|---|---|
| ১ | ২ | ৩ | ৪ | ৫ | ৬ | ৭ (১+৫+৬) |
| ২,৩,৪,৫,৬,৮, ৯,১১,১২,১৩, ১৫,১৬,১৭,১৮, ১৯,২০,২২, ২৩,২৪,২৫,২৬, ২৭,২৯,৩০,৩১ | ১১ - বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা দিৱস | — | — | ৭, ১৪, ২১, ২৮ | ১ - মে’ দিৱস<br>১০ - বুদ্ধ পূৰ্ণিমা | |
| ২৫ | ১ | — | — | ৪ | ২ | ৩১ |

**উদ্‌যাপন কৰিব লগা দিনত কি কৰিব ঃ**

⇨ **১১ মে’ ঃ** জিৰণিৰ পাছত উচ্চ প্ৰাথমিকৰ ছাত্ৰ-ছাত্ৰীৰ মাজত বিজ্ঞানৰ কুইজ/আকস্মিক বক্তৃতা বা তৰ্ক প্ৰতিযোগিতা অনুষ্ঠিত কৰিব। এইবোৰৰ মূল্যায়নৰ খতিয়ান শিক্ষকে কৰিব। স্থানীয় অভিজ্ঞ ব্যক্তিক জড়িত কৰি উপৰোক্ত ক্ৰিয়া-কলাপখিনি পৰিচালনা কৰিব আৰু বিশিষ্ট ব্যক্তিৰ দ্বাৰা বিজ্ঞানৰ জনপ্ৰিয় বক্তৃতা অনুষ্ঠিত কৰিব।

## জুন, ২০১৭

| শ্ৰেণী দিন | উদ্‌যাপন দিন | আন কৰ্ম দিন | মূল্যায়ন দিন | ৰবিবাৰ | আন বন্ধৰ দিন | মুঠ দিন |
|---|---|---|---|---|---|---|
| ১ | ২ | ৩ | ৪ | ৫ | ৬ | ৭ (১+৫+৬) |
| ১,২,৩,৫,৬,৭, ৮,৯,১২,১৩, ১৪,১৫,১৬, ১৭,১৯,২০, ২১,২২,২৩, ২৪,২৭,২৮, ২৯,৩০ | ৫ - বিশ্ব পৰিৱেশ দিৱস<br>২০ - কলাগুৰু বিষ্ণু ৰাভা দিৱস | — | ১৫,১৬, ১৭,১৯, ২০,২১, ২২,২৩ | ৪, ১১, ১৮, ২৫ | ১০ - শ্ৰীশ্ৰী মাধৱদেৱৰ জন্মোৎসৱ<br>২৬ - ইদুল ফিতৰ | |
| ২৪ | ২ | — | ৮ | ৪ | ২ | ৩০ |

**উদ্‌যাপন কৰিব লগা দিনত কি কৰিব ঃ**

⇨ দ্বিতীয় পাঠ গোট মূল্যায়ন ১৫ৰ পৰা ২৩ তাৰিখলৈ নিৰ্ধাৰণ কৰিব। তাৰ পিছৰ সপ্তাহটোত ছাত্ৰ-ছাত্ৰীৰ মূল্যায়নৰ খতিয়ান অভিভাৱকৰ লগত আলোচনা কৰিব।

⇨ **৫ জুন ঃ** (১) প্ৰাতঃসভাত বিশ্ব পৰিৱেশ দিৱসৰ তাৎপৰ্য ব্যাখ্যা কৰিব। পৰিৱেশৰ ভাৰসাম্যতা ৰক্ষাৰ বাবে গছ-গছনিৰ প্ৰয়োজনীয়তা সম্পৰ্কে ছাত্ৰ-ছাত্ৰীৰ মনোযোগ আকৰ্ষণ কৰিব; (২) পূৰ্ব প্ৰস্তুতিৰে বিদ্যালয় চৌহদত বৃক্ষৰোপণৰ কাৰ্যসূচী ৰূপায়ন কৰিব; (৩) পৰিৱেশ সংৰক্ষণ, প্ৰদূষণৰ হ্ৰাসকৰণ আদি বিষয়ত ৰচনা লিখা, কবিতা লিখা, আকস্মিক বক্তৃতা আদি অনুষ্ঠিত কৰিব; (৪) উচ্চ প্ৰাথমিকৰ ছাত্ৰ-ছাত্ৰীসকলক আগতীয়াকৈ পৰিৱেশ প্ৰদূষণৰ সন্দৰ্ভত ক্ষেত্ৰ অধ্যয়ন/প্ৰকল্প আদি কৰি উপস্থাপন কৰিবলৈ দিব।

⇨ **২০ জুন ঃ** (১) প্ৰাতঃসভাত কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ প্ৰতিমূৰ্তিত/আলোকচিত্ৰত শ্ৰদ্ধাঞ্জলি জনাব; (২) দুটা পিৰিয়ড পাঠদান হোৱাৰ পাছত বিদ্যালয়ত তেখেতৰ জীৱন দৰ্শনৰ আলোচনা, গীত-মাত চৰ্চাৰ আয়োজন কৰিব।

⇨ **৩০ জুন** অৰ্থাৎ গৰম বন্ধৰ আগদিনা বন্ধৰ সময়খিনি সৎ ব্যৱহাৰ কৰাৰ অৰ্থে কিছু গৃহ কাম, প্ৰকল্প ইত্যাদি কৰিবলৈ দিব।

# জুলাই, ২০১৭

| শ্ৰেণী দিন | উদ্‌যাপন দিন | আন কৰ্ম দিন | মূল্যায়ন দিন | ৰবিবাৰ | আন বন্ধৰ দিন | মুঠ দিন |
|---|---|---|---|---|---|---|
| ১ | ২ | ৩ | ৪ | ৫ | ৬ | ৭ (৫+৬) |
| গ্ৰী | ১১ - বিশ্ব জনসংখ্যা দিৱস<br>ষ্ম | ব | ন্ধ | ২, ৯, ১৬,২৩, ৩০ | ১,৩,৪,৫,৬,৭,৮,১০,১১,১২, ১৩,১৪,১৫,১৭,১৮,১৯, ২০,২১,২২,২৪,২৫,২৬, ২৭,২৮,২৯,৩১ | |
| — | ১ | — | — | ৫ | ২৬ | ৩১ |

**উদ্‌যাপন কৰিব লগা দিনত কি কৰিব ঃ**

⇨ গ্ৰীষ্ম বন্ধৰ আৰম্ভণিতে ১০ দিনীয়া কাৰ্যসূচীৰে গ্ৰীষ্ম শিবিৰ পাতিব। এই গ্ৰীষ্ম শিবিৰ বিদ্যালয় পৰিচালনা সমিতিয়ে মাতৃগোটৰ সহায়ত অনুষ্ঠিত কৰিব। এই শিবিৰৰ উদ্দেশ্য ছাত্ৰ-ছাত্ৰীক মনোগ্ৰাহী কাৰ্যকলাপৰ জৰিয়তে স্বাস্থ্য আৰু শাৰীৰিক শিক্ষা, কলা শিক্ষা আৰু কৰ্ম শিক্ষা প্ৰদান কৰা। উক্ত শিতানকেইটাৰ বিষয়ে এই দিনপঞ্জীৰ পৃষ্ঠা নং ৯ ৰ পৰা ১৪ লৈকে বিতংভাৱে সন্নিবিষ্ট কৰা হৈছে।

⇨ গ্ৰীষ্ম বন্ধৰ সময়ছোৱাত ছাত্ৰ-ছাত্ৰীসকলে পিতৃ-মাতৃ তথা অভিভাৱকক দৈনন্দিন কামত সহায় কৰাৰ প্ৰতি আগ্ৰহান্বিত কৰাব।

⇨ সেই সময়ত অনুষ্ঠিত সামাজিক উৎসৱ-পাৰ্বন তথা অন্যান্য অনুষ্ঠানত অংশগ্ৰহণ কৰিবলৈ উৎসাহিত কৰিব।

⇨ ঘৰত কৰিবলৈ দিয়া প্ৰকল্প তথা অন্যান্য কাৰ্যসমূহ এই সময়ছোৱাত সম্পূৰ্ণ কৰাটো নিশ্চিত কৰিব।

⇨ **১১ জুলাই ঃ** জনসংখ্যা বৃদ্ধিৰ ভয়াৱহতা সম্পৰ্কে সজাগতা সৃষ্টি কৰা।

## আগষ্ট, ২০১৭

| শ্ৰেণী দিন | উদ্‌যাপন দিন | আন কৰ্ম দিন | মূল্যায়ন দিন | ৰবিবাৰ | আন বন্ধৰ দিন | মুঠ দিন |
|---|---|---|---|---|---|---|
| ১ | ২ | ৩ | ৪ | ৫ | ৬ | ৭ (১+৫+৬) |
| ১,২,৩,৪,৫,৭, ৮,৯,১০,১১, ১২,১৪,১৬, ১৭,১৮,১৯, ২১,২২,২৪, ২৫,২৬,২৮, ২৯,৩০,৩১ | ১৫ - স্বাধীনতা দিৱস | — | — | ৬,১৩, ২০,২৭ | ১৫ - স্বাধীনতা দিৱস<br>২৩ - শ্ৰীমন্ত শঙ্কৰদেৱৰ তিথি | |
| ২৫ | ১ | — | — | ৪ | ২ | ৩১ |

**উদ্‌যাপন কৰিব লগা দিনত কি কৰিব ঃ**

⇨ **১৫ আগষ্ট ঃ** বিদ্যালয়ৰ চৌহদত ভাৰতৰ ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰিব। শিক্ষক-ছাত্ৰ-ছাত্ৰী সমবেত হৈ ভাৰতবৰ্ষৰ স্বাধীনতা সংগ্ৰাম আৰু স্বাধীনতা দিৱসৰ তাৎপৰ্যৰ ওপৰত আলোচনা কৰিব।

## ছেপ্তেম্বৰ, ২০১৭

| শ্ৰেণী দিন | উদ্‌যাপন দিন | আন কৰ্ম দিন | মূল্যায়ন দিন | ৰবিবাৰ | আন বন্ধৰ দিন | মুঠ দিন |
|---|---|---|---|---|---|---|
| ১ | ২ | ৩ | ৪ | ৫ | ৬ | ৭<br>(১+৫+৬) |
| ১,৪,৫,৬,৭,৮,<br>৯,১১,১২,১৪,<br>১৫,১৬,১৮,<br>১৯,২০,২১,<br>২২,২৩,২৫,<br>২৬ | ৫ - শিক্ষক দিৱস<br>৮ - বিশ্ব সাক্ষৰতা দিৱস<br>২১ -বিশ্ব শান্তি দিৱস | — | — | ৩, ১০,<br>১৭, ২৪ | ২ - ঈদ-উজ-জোহা<br>১০ - শ্ৰীশ্ৰীমাধৱদেৱৰ তিথি<br>১৩ - জন্মাষ্টমী<br>২৭,২৮,২৯,৩০ - দূৰ্গা পূজা, বিজয়া দশমী আৰু শ্ৰীমন্ত শংকৰদেৱৰ জন্মোৎসৱ। | |
| ২০ | ৩ | — | — | ৪ | ৭ (-১ ৰবিবাৰ) | ৩০ |

**উদ্‌যাপন কৰিব লগা দিনত কি কৰিব ঃ**

⇨ **৫ ছেপ্তেম্বৰ ঃ** ড° সৰ্বপল্লী ৰাধাকৃষ্ণণৰ আলোকচিত্ৰত শ্ৰদ্ধাঞ্জলি জনাব আৰু তেখেতৰ জীৱন দৰ্শন সম্পৰ্কে আলোচনা কৰিব। ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত কৰিব।

⇨ **৮ ছেপ্তেম্বৰ ঃ** আগতীয়া ঘোষণাৰ ভিত্তিত প্ৰাতঃসভাত নিৰ্দিষ্ট শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ সন্মুখত সাক্ষৰতা দিৱসৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰিব। ইয়াৰ উপৰি ছাত্ৰ-ছাত্ৰীয়ে নিজাববীয়া আৰু দলগতভাৱে প্ৰস্তুত কৰা সাক্ষৰতা বিষয়ক বিভিন্ন শ্ল’গান, প্লে-কাৰ্ড, ফেষ্টুন আদি প্ৰদৰ্শন কৰিব।

⇨ **২১ ছেপ্তেম্বৰ ঃ** প্ৰাতঃসভাত আগতীয়াকৈ নিৰ্দিষ্ট কৰা ছাত্ৰ-ছাত্ৰীয়ে সমাজত বিশ্ব শান্তিৰ প্ৰয়োজনীয়তা সম্পৰ্কে আলোচনা কৰিব। ছাত্ৰ অৱস্থাতে শান্তি প্ৰতিষ্ঠাৰ হকে কিদৰে অৰিহণা যোগাব পাৰি সেই সম্পৰ্কে আলোচনা কৰিব। শান্তি প্ৰতিষ্ঠাৰ হকে কাম কৰিবলৈ শপত বাণী প্ৰস্তুত কৰি শপত ল’ব।

## অক্টোবৰ, ২০১৭

| শ্ৰেণী দিন | উদ্‌যাপন দিন | আন কৰ্ম দিন | মূল্যায়ন দিন | ৰবিবাৰ | আন বন্ধৰ দিন | মুঠ দিন |
|---|---|---|---|---|---|---|
| ১ | ২ | ৩ | ৪ | ৫ | ৬ | ৭ (১+৫+৬) |
| ৩,৪,৫,৬,৭,৯,১০, ১১,১২,১৩,১৪, ১৬,১৭,২০,২১, ২৩,২৪,২৫,২৭, ২৮,৩০,৩১ | ২ - গান্ধী জয়ন্তী<br>১৩ - আন্তৰ্জাতিক দুৰ্যোগ নিবাৰণ দিৱস<br>১৪ - লক্ষ্মীনাথ বেজবৰুৱাৰ জয়ন্তী<br>১৫ - বিশ্ব হাত ধোৱা দিৱস | — | ৯,১০,১১, ১২,১৩,১৪, ১৬,১৭ | ১,৮,১৫, ২২,২৯ | ২ - গান্ধী জয়ন্তী<br>১৮ - কাতি বিহু<br>১৯ - কালীপূজা আৰু দীপান্বিতা<br>২৬ - ছট্ পূজা | |
| ২২ | ৪ | — | ৮ | ৫ | ৪ | ৩১ |

**উদ্‌যাপন কৰিব লগা দিনত কি কৰিব ঃ**

⇨ তৃতীয় পাঠ গোট মূল্যায়ন ৯ৰ পৰা ১৭ তাৰিখলৈ নিৰ্ধাৰণ কৰিব। তাৰ পিছৰ সপ্তাহটোত ছাত্ৰ-ছাত্ৰীৰ মূল্যায়নৰ খতিয়ান অভিভাৱকৰ লগত আলোচনা কৰিব।

⇨ **২ অক্টোবৰ ঃ** (১) মহাত্মা গান্ধীৰ প্ৰতিমূৰ্ত্তি/আলোকচিত্ৰত শ্ৰদ্ধাঞ্জলি জনাব; (২) সমূহীয়া চাফাই কাম কৰিব; (৩) মহাত্মা গান্ধীৰ জীৱন আৰু দৰ্শনৰ ওপৰত ছাত্ৰ-ছাত্ৰীৰ মাজত ৰচনা প্ৰতিযোগিতা, আকস্মিক বক্তৃতা, তৰ্ক প্ৰতিযোগিতা আদি অনুষ্ঠিত কৰিব।

⇨ **৫ অক্টোবৰ লক্ষ্মী পূজা** উপলক্ষে দৈনিক সময় তালিকাৰ প্ৰথম চাৰিটা পিৰিয়ডত নিয়মীয়া পাঠদান কৰিব আৰু জিৰণিৰ সময়ৰ পৰা অৰ্ধ ছুটী ঘোষণা কৰিব।

⇨ **১৩ অক্টোবৰ ঃ** (১) জিৰণিৰ পাছৰ পিৰিয়ডবোৰত প্ৰাকৃতিক আৰু মানৱ সৃষ্ট দুৰ্যোগৰ সম্ভাব্য ক্ষয়-ক্ষতি কমোৱাৰ কৌশল আৰু সজাগতা সৃষ্টি সন্দৰ্ভত আলোচনা কৰিব; (২) সম্ভৱ হ'লে মণ্ডলভিত্তিত দুৰ্যোগ নিবাৰণ কৰ্তৃপক্ষৰ লগত যোগাযোগ কৰি দুৰ্যোগৰ সময়ত/আগত বা পাছত ল'বলগীয়া ব্যৱস্থাৱলী আৰু সাৱধানতাৰ বিষয়ে প্ৰদৰ্শনৰ ব্যৱস্থা কৰিব।

⇨ **১৪ অক্টোবৰ ঃ** ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ আলোকচিত্ৰত শ্ৰদ্ধাঞ্জলি জনাব। অসমীয়া সাহিত্যলৈ বেজবৰুৱাদেৱৰ অৱদান সম্পৰ্কে আলোচনা কৰিব। ছাত্ৰ-ছাত্ৰীসকলক 'বুঢ়ী আইৰ সাধু'ৰ লগতে দেশী/বিদেশী সাধু কোৱা বা শুনোৱাৰ ব্যৱস্থা কৰিব।

⇨ **১৫ অক্টোবৰ ঃ** বিদ্যালয়ত পাৰদৰ্শী ব্যক্তিৰ উপস্থিতিত স্বাস্থ্য ৰক্ষাৰ বাবে হাত ধোৱাৰ প্ৰয়োজনীয়তা সম্পৰ্কে আলোচনা কৰিব। মধ্যাহ্ন ভোজনৰ পূৰ্বে আৰু পাছত চাবোন ব্যৱহাৰ কৰি হাত ধোৱাৰ কৌশল অভ্যাস কৰিব। লগতে 'বিশ্ব ছাত্ৰ দিৱস' উপলক্ষে ড° এ.পি.জে আব্দুল কালামৰ জীৱন আৰু কাৰ্য সম্পৰ্কে আলোচনা কৰিব।

## নৱেম্বৰ, ২০১৭

| শ্ৰেণী দিন | উদ্‌যাপন দিন | আন কৰ্ম দিন | মূল্যায়ন দিন | ৰবিবাৰ | আন বন্ধৰ দিন | মুঠ দিন |
|---|---|---|---|---|---|---|
| ১ | ২ | ৩ | ৪ | ৫ | ৬ | ৭ (১+৫+৬) |
| ১,২,৩,৬,৭,৮, ৯,১০,১১,১৩, ১৪,১৫,১৬, ১৭,১৮,২০, ২১,২২,২৩, ২৫,২৭,২৮, ২৯, ৩০ | ৫ - সুধাকণ্ঠ দিৱস<br>১১ - ৰাষ্ট্ৰীয় শিক্ষা দিৱস<br>১৪ - শিশু দিৱস<br>১৯ - বিশ্ব অনাময় দিৱস | — | — | ৫, ১২, ১৯, ২৬ | ৪ - গুৰুনানকৰ জন্মদিন<br>২৪ - লাচিত দিৱস | |
| ২৪ | ৪ | — | — | ৪ | ২ | ৩০ |

**উদ্‌যাপন কৰিব লগা দিনত কি কৰিব ঃ**

⇨ **৫ নৱেম্বৰ ঃ** প্ৰাতঃসভাত ড° ভূপেন হাজৰিকাৰ প্ৰতিমূৰ্ত্তি/আলোকচিত্ৰত শ্ৰদ্ধাঞ্জলি প্ৰদান কৰিব। ভূপেন হাজৰিকাৰ জীৱন আৰু কৰ্ম সম্পৰ্কে আলোচনা, গীত-মাত চৰ্চা কৰিব।

⇨ **১১ নৱেম্বৰ ঃ** (১) প্ৰাতঃসভাত স্বাধীন ভাৰতৰ প্ৰথম শিক্ষামন্ত্ৰী মৌলানা আবুল কালাম আজাদৰ জন্ম দিন উপলক্ষে আলোকচিত্ৰত শ্ৰদ্ধাঞ্জলি যাচিব; (২) মৌলানা আবুল কালাম আজাদৰ জীৱন আৰু কৰ্মৰাজি সম্পৰ্কে আলোচনা কৰিব; (৩) ৰচনা লিখা, আকস্মিক বক্তৃতা, তৰ্ক প্ৰতিযোগিতা, কুইজ প্ৰতিযোগিতা আদি অনুষ্ঠিত কৰিব।

⇨ **১৪ নৱেম্বৰ ঃ** (১) জৱাহৰলাল নেহৰুৰ জন্মদিনটো শিশু দিৱস হিচাপে উদ্‌যাপন কৰা হয়। প্ৰাতঃসভাত নেহৰুৰ আলোকচিত্ৰত শ্ৰদ্ধাঞ্জলি যাচিব; (২) শিশুসকলৰ মাজত বিচিত্ৰানুষ্ঠান বা ভেশচন প্ৰতিযোগিতা অনুষ্ঠিত কৰিব।

⇨ **১৯ নৱেম্বৰ ঃ** প্ৰাতঃসভাত দিনটোৰ তাৎপৰ্য আৰু অনাময় ব্যৱস্থাৰ প্ৰয়োজনীয়তা সম্পৰ্কে আলোচনা কৰিব। আগতীয়াকৈ নিৰ্দিষ্ট কৰি দিয়া ছাত্ৰ-ছাত্ৰীক দিনটোৰ তাৎপৰ্য সম্পৰ্কে লিখি আনি পাঠ কৰি শুনোৱাৰ ব্যৱস্থা কৰিব।

## ডিচেম্বৰ, ২০১৭

| শ্ৰেণী দিন | উদ্‌যাপন দিন | আন কৰ্ম দিন | মূল্যায়ন দিন | ৰবিবাৰ | আন বন্ধৰ দিন | মুঠ দিন |
|---|---|---|---|---|---|---|
| ১ | ২ | ৩ | ৪ | ৫ | ৬ | ৭ (১+৩+৫+৬) |
| ১,৪,৫,৬,৭, ৮,৯,১১,১২, ১৩,১৪,১৫, ১৬ | ১ - বিশ্ব এইড্‌ছ দিৱস<br>৩ - বিশ্ব প্ৰতিবন্ধী দিৱস | ১৮,১৯,২০, ২১,২২,২৩, ২৬,২৭,২৮, ২৯,৩০ | ৮,৯,১১, ১২,১৩,১৪ ১৫,১৬ | ৩,১০, ১৭,২৪, ৩১ | ২ - অসম দিৱস (চুকাফা দিৱস)<br>২৫ - বৰদিন (যীশুখ্ৰীষ্টৰ জন্মদিন) | |
| ১৩ | ২ | ১১ | ৮ | ৫ | ২ | ৩১ |

**উদ্‌যাপন কৰিব লগা দিনত কি কৰিব ঃ**

⇨ চতুৰ্থ পাঠ গোট মূল্যায়ন ৮ৰ পৰা ১৬ তাৰিখলৈ নিৰ্ধাৰণ কৰিব। তাৰ পিছৰ সপ্তাহটোত ছাত্ৰ-ছাত্ৰীৰ মূল্যায়নৰ খতিয়ান অভিভাৱকৰ লগত আলোচনা কৰিব।

⇨ **১ ডিচেম্বৰ ঃ** এইড্‌ছ ৰোগৰ ভয়াৱহতা আৰু ইয়াৰ প্ৰতিৰোধ সম্পৰ্কে ছাত্ৰ-ছাত্ৰীসকলক অৱগত কৰাব।

⇨ **৩ ডিচেম্বৰ ঃ** প্ৰাতঃসভাত বিশ্ব প্ৰতিবন্ধী দিৱসৰ তাৎপৰ্য সম্পৰ্কে ছাত্ৰ-ছাত্ৰীসকলক অৱগত কৰাব। প্ৰতিবন্ধী শিশুৰ সফল কাহিনী সংগ্ৰহ কৰি আনিবলৈ আগতীয়াকৈ জনাই দিব আৰু পাঠ কৰিবলৈ দিব। প্ৰতিবন্ধীসকলো যে ভিন্ন উপায়ে সক্ষম তাক ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বুজি পোৱাৰ ব্যৱস্থা কৰিব/অৱকাশ দিব।

⇨ ২৩ ডিচেম্বৰৰ ভিতৰত মূল্যায়নৰ ফলাফল ঘোষণা কৰিব।

⇨ ২৬ ডিচেম্বৰৰ পৰা বিদ্যালয়ত শিক্ষক-শিক্ষয়িত্ৰীসকলে নতুন শিক্ষাবৰ্ষৰ বাবে পাঠ পৰিকল্পনা, শিক্ষণ-শিকন সামগ্ৰী বিতৰণ, ইত্যাদি প্ৰস্তুত কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব।

## ২০১৭ শিক্ষাবৰ্ষৰ মাহ অনুযায়ী ৰবিবাৰ, আন বন্ধৰ দিন, উদ্‌যাপন/কৰ্মদিন আৰু শ্ৰেণীদিনৰ সংখ্যা

| মাহ | শ্ৰেণী দিন | উদ্‌যাপন দিন | আন কৰ্ম দিন | মূল্যায়ন দিন | ৰবিবাৰ | আন বন্ধৰ দিন | মুঠ দিন |
|---|---|---|---|---|---|---|---|
| | ১ | ২ | ৩ | ৪ | ৫ | ৬ | ৭ |
| জানুৱাৰী | ২২ | ২ | - | - | ৫ | ৪ | ৩১ (১+৫+৬) |
| ফেব্ৰুৱাৰী | ২০ | ২ | ৩ | - | ৪ | ১ | ২৮ (১+৩+৫+৬) |
| মাৰ্চ | ২৭ | ২ | - | - | ৪ | - | ৩১ (১+৫+৬) |
| এপ্ৰিল | ২২ | ১ | - | ৮ | ৫ | ৩ | ৩০ (১+৫+৬) |
| মে’ | ২৫ | ১ | - | - | ৪ | ২ | ৩১ (১+৫+৬) |
| জুন | ২৪ | ২ | - | ৮ | ৪ | ২ | ৩০ (১+৫+৬) |
| জুলাই | - | ১ | - | - | ৫ | ২৬ | ৩১(৫+৬) |
| আগষ্ট | ২৫ | ১ | - | - | ৪ | ২ | ৩১ (১+৫+৬) |
| ছেপ্তেম্বৰ | ২০ | ৩ | - | - | ৪ | ৬ | ৩০ (১+৫+৬) |
| অক্টোবৰ | ২২ | ৪ | - | ৮ | ৫ | ৪ | ৩১ (১+৫+৬) |
| নৱেম্বৰ | ২৪ | ৪ | - | - | ৪ | ২ | ৩০ (১+৫+৬) |
| ডিচেম্বৰ | ১৩ | ২ | ১১ | ৮ | ৫ | ২ | ৩১ (১+৩+৫+৬) |
| **মুঠ ঃ** | **২৪৪** | **২৫** | **১৪** | **৩২** | **৫৩** | **৫৪** | **৩৬৫ (১+৩+৫+৬)** |

- বাৰ্ষিক খেল-ধেমালি — ৩ দিন (ফেব্ৰুৱাৰী ৬, ৭, ৮)
- গোট মূল্যায়ন ১ — ৮ দিন (এপ্ৰিল ৩-১১)
- গোট মূল্যায়ন ২ — ৮ দিন (জুন ১৫-২৩)
- গোট মূল্যায়ন ৩ — ৮ দিন (অক্টোবৰ ৯-১৭)
- গোট মূল্যায়ন ৪ — ৮ দিন (ডিচেম্বৰ ৮-১৬)

## দৈনিক সময় তালিকাৰ আৰ্হি (১ম শ্ৰেণীৰ পৰা ৫ম শ্ৰেণীলৈ)

| সময় | ৯.০০-৯.১৫ | | ৯.১৫-১০.০০ | ১০.০০-১০.৪০ | ১০.৪০-১১.২০ | ১১.২০-১২.০০ | ১২.০০-১২.৩০ | ১২.৩০-১.১০ | ১.১০-১.৪০ | ১.৪০-১.৪৫ |
|---|---|---|---|---|---|---|---|---|---|---|
| বাৰ | | শ্ৰেণী | ১ম পিৰিয়ড | ২য় পিৰিয়ড | ৩য় পিৰিয়ড | ৪ৰ্থ পিৰিয়ড | জিৰণি | ৫ম পিৰিয়ড | ৬ষ্ঠ পিৰিয়ড | বিদ্যালয় ছুটী হোৱাৰ সময়ত অসমৰ জাতীয় সংগীতটি সকলোৱে একেলগে গাই বিদ্যালয়ৰ কাৰ্যসূচীৰ সামৰণি মাৰিব। |
| সোম | চাফাই প্ৰাতঃসভা দিনটোৰ চিন্তা | ১ম | ভাষা | গণিত | ইংৰাজী | স্বা. শা. শিক্ষা | জিৰণি | গণিত | কলা শিক্ষা | |
| | | ২য় | গণিত | ভাষা | ইংৰাজী | স্বা. শা. শিক্ষা | | ভাষা | কলা শিক্ষা | |
| | | ৩য় | ভাষা | গণিত | ইংৰাজী | স্বা. শা. শিক্ষা | | কলা শিক্ষা | পৰিৱেশ অধ্যয়ন | |
| | | ৪ৰ্থ | গণিত | ভাষা | ইংৰাজী | পৰিৱেশ অধ্যয়ন | | কলা শিক্ষা | স্বা. শা. শিক্ষা | |
| | | ৫ম | ভাষা | গণিত | ইংৰাজী | পৰিৱেশ অধ্যয়ন | | ইংৰাজী | কলা শিক্ষা | |
| মঙ্গল | চাফাই প্ৰাতঃসভা দিনটোৰ চিন্তা | ১ম | গণিত | ভাষা | ইংৰাজী | গণিত | জিৰণি | স্বা. শা. শিক্ষা | ইংৰাজী | |
| | | ২য় | ভাষা | গণিত | ইংৰাজী | স্বা. শা. শিক্ষা | | কলা শিক্ষা | ভাষা | |
| | | ৩য় | গণিত | স্বা. শা. শিক্ষা | পৰিৱেশ অধ্যয়ন | ইংৰাজী | | ইংৰাজী | ভাষা | |
| | | ৪ৰ্থ | ভাষা | গণিত | ইংৰাজী | পৰিৱেশ অধ্যয়ন | | গণিত | স্বা. শা. শিক্ষা | |
| | | ৫ম | গণিত | ভাষা | পৰিৱেশ অধ্যয়ন | স্বা. শা. শিক্ষা | | ভাষা | ইংৰাজী | |
| বুধ | চাফাই প্ৰাতঃসভা দিনটোৰ চিন্তা | ১ম | ভাষা | গণিত | ইংৰাজী | কলা শিক্ষা | জিৰণি | ভাষা | স্বা. শা. শিক্ষা | |
| | | ২য় | গণিত | ভাষা | ইংৰাজী | স্বা. শা. শিক্ষা | | কলা শিক্ষা | গণিত | |
| | | ৩য় | ভাষা | গণিত | পৰিৱেশ অধ্যয়ন | স্বা. শা. শিক্ষা | | গণিত | ইংৰাজী | |
| | | ৪ৰ্থ | গণিত | ভাষা | ইংৰাজী | ভাষা | | পৰিৱেশ অধ্যয়ন | স্বা. শা. শিক্ষা | |
| | | ৫ম | ভাষা | গণিত | ইংৰাজী | স্বা. শা. শিক্ষা | | পৰিৱেশ অধ্যয়ন | গণিত | |

| বাৰ | ৯.০০-৯.১৫ | শ্ৰেণী | ১ম পিৰিয়ড | ২য় পিৰিয়ড | ৩য় পিৰিয়ড | ৪ৰ্থ পিৰিয়ড | জিৰণি | ৫ম পিৰিয়ড | ৬ষ্ঠ পিৰিয়ড | ১.৪০-১.৪৫ |
|---|---|---|---|---|---|---|---|---|---|---|
| বৃহস্পতি | চাফাই প্ৰাতঃসভা দিনটোৰ চিন্তা | ১ম | গণিত | ভাষা | ইংৰাজী | স্বা. শা. শিক্ষা | জিৰণি | কলা শিক্ষা | পৰিৱেশ অধ্যয়ন | **বিদ্যালয় ছুটী হোৱাৰ সময়ত অসমৰ জাতীয় সংগীতটি সকলোৱে একেলগে গাই বিদ্যালয়ৰ কাৰ্যসূচীৰ সামৰণি মাৰিব।** |
| | | ২য় | ভাষা | গণিত | ইংৰাজী | ভাষা | | কলা শিক্ষা | স্বা. শা. শিক্ষা | |
| | | ৩য় | গণিত | ভাষা | ইংৰাজী | স্বা. শা. শিক্ষা | | কলা শিক্ষা | পৰিৱেশ অধ্যয়ন | |
| | | ৪ৰ্থ | ভাষা | গণিত | স্বা. শা. শিক্ষা | ইংৰাজী | | পৰিৱেশ অধ্যয়ন | ভাষা | |
| | | ৫ম | গণিত | ভাষা | ইংৰাজী | স্বা. শা. শিক্ষা | | পৰিৱেশ অধ্যয়ন | কলা শিক্ষা | |
| শুক্ৰ | চাফাই প্ৰাতঃসভা দিনটোৰ চিন্তা | ১ম | ভাষা | গণিত | গণিত | স্বা. শা. শিক্ষা | জিৰণি | ইংৰাজী | কলা শিক্ষা | |
| | | ২য় | গণিত | ভাষা | পৰিৱেশ অধ্যয়ন | স্বা. শা. শিক্ষা | | গণিত | ইংৰাজী | |
| | | ৩য় | ভাষা | গণিত | ইংৰাজী | পৰিৱেশ অধ্যয়ন | | ইংৰাজী | স্বা. শা. শিক্ষা | |
| | | ৪ৰ্থ | গণিত | ভাষা | ইংৰাজী | স্বা. শা. শিক্ষা | | পৰিৱেশ অধ্যয়ন | কলা শিক্ষা | |
| | | ৫ম | ভাষা | গণিত | ইংৰাজী | পৰিৱেশ অধ্যয়ন | | ভাষা | স্বা. শা. শিক্ষা | |
| শনি | চাফাই প্ৰাতঃসভা দিনটোৰ চিন্তা | ১ম | ভাষা | গণিত | ইংৰাজী | স্বা. শা. শিক্ষা | জিৰণি | | | |
| | | ২য় | গণিত | ভাষা | ইংৰাজী | স্বা. শা. শিক্ষা | | | | |
| | | ৩য় | ভাষা | ইংৰাজী | গণিত | স্বা. শা. শিক্ষা | | | | |
| | | ৪ৰ্থ | গণিত | ভাষা | ইংৰাজী | স্বা. শা. শিক্ষা | | | | |
| | | ৫ম | ভাষা | ইংৰাজী | গণিত | স্বা. শা. শিক্ষা | | | | |

*** প্ৰতি বিদ্যালয়ৰ শিক্ষকে বিষয়ৰ গুৰুত্ব তথা ছাত্ৰ-ছাত্ৰীৰ অগ্ৰগতিৰ ওপৰত ভিত্তি কৰি প্ৰয়োজন অনুসৰি দৈনিক সময় তালিকা প্ৰস্তুত কৰি ল'ব।**

*** দৈনিক সময় তালিকাত থকা স্বা. শা. শিক্ষাই স্বাস্থ্য আৰু শাৰীৰিক শিক্ষাক বুজাইছে।**

# দৈনিক সময় তালিকাৰ আৰ্হি (৬ষ্ঠ শ্ৰেণীৰ পৰা ৮ম শ্ৰেণীলৈ)

| সময় | ৯.০০-৯.১৫ | | ৯.১৫-১০.০০ | ১০.০০-১০.৪০ | ১০.৪০-১১.২০ | ১১.২০-১২.০০ | ১২.০০-১২.৩০ | ১২.৩০-১.১০ | ১.১০-১.৪৫ | ১.৪৫-২.২৫ | ২.২৫-২.৩০ |
|---|---|---|---|---|---|---|---|---|---|---|---|
| **বাৰ** | | **শ্ৰেণী** | **১ম পিৰিয়ড** | **২য় পিৰিয়ড** | **৩য় পিৰিয়ড** | **৪ৰ্থ পিৰিয়ড** | **জিৰণি** | **৫ম পিৰিয়ড** | **৬ষ্ঠ পিৰিয়ড** | **৭ম পিৰিয়ড** | **বিদ্যালয় ছুটী হোৱাৰ সময়ত অসমৰ জাতীয় সংগীতটি সকলোৰে একেলগে গাই বিদ্যালয়ৰ কাৰ্যসূচীৰ সামৰণি মাৰিব।** |
| সোম | চাফাই প্ৰাতঃসভা দিনটোৰ চিন্তা | ৬ষ্ঠ | ভাষা | গণিত | স্বা. শা. শিক্ষা | সমাজ বিজ্ঞান | জিৰণি | ইংৰাজী | বিজ্ঞান | বিজ্ঞান | |
| | | ৭ম | গণিত | ভাষা | সমাজ বিজ্ঞান | স্বা. শা. শিক্ষা | | বিজ্ঞান | ইংৰাজী | কৰ্ম শিক্ষা | |
| | | ৮ম | ভাষা | গণিত | বিজ্ঞান | সমাজ বিজ্ঞান | | ইংৰাজী | সমাজ বিজ্ঞান | কলা শিক্ষা | |
| মঙ্গল | চাফাই প্ৰাতঃসভা দিনটোৰ চিন্তা | ৬ষ্ঠ | গণিত | গণিত | বিজ্ঞান | সমাজ বিজ্ঞান | জিৰণি | হিন্দী | ভাষা | কৰ্ম শিক্ষা | |
| | | ৭ম | ভাষা | ভাষা | সমাজ বিজ্ঞান | বিজ্ঞান | | বিজ্ঞান | ইংৰাজী | কলা শিক্ষা | |
| | | ৮ম | গণিত | স্বা. শা. শিক্ষা | বিজ্ঞান | সমাজ বিজ্ঞান | | ইংৰাজী | ভাষা | কৰ্ম শিক্ষা | |
| বুধ | চাফাই প্ৰাতঃসভা দিনটোৰ চিন্তা | ৬ষ্ঠ | ভাষা | গণিত | ইংৰাজী | সমাজ বিজ্ঞান | জিৰণি | বিজ্ঞান | কলা শিক্ষা | ভাষা | |
| | | ৭ম | গণিত | ভাষা | সমাজ বিজ্ঞান | বিজ্ঞান | | হিন্দী | ইংৰাজী | কলা শিক্ষা | |
| | | ৮ম | ভাষা | গণিত | বিজ্ঞান | সমাজ বিজ্ঞান | | হিন্দী | ইংৰাজী | স্বা. শা. শিক্ষা | |

| বাৰ | ৯.০০-৯.১৫ | শ্ৰেণী | ১ম পিৰিয়ড | ২য় পিৰিয়ড | ৩য় পিৰিয়ড | ৪ৰ্থ পিৰিয়ড | জিৰণি | ৫ম পিৰিয়ড | ৬ষ্ঠ পিৰিয়ড | ৭ম পিৰিয়ড | ২.২৫-২.৩০ |
|---|---|---|---|---|---|---|---|---|---|---|---|
| বৃহস্পতি | চাফাই প্ৰাতঃসভা দিনটোৰ চিন্তা | ৬ষ্ঠ | ভাষা | গণিত | বিজ্ঞান | সমাজ বিজ্ঞান | জিৰণি | হিন্দী | সমাজ বিজ্ঞান | কলা শিক্ষা | বিদ্যালয় ছুটী হোৱাৰ সময়ত অসমৰ জাতীয় সংগীতটি সকলোৱে একেলগে গাই বিদ্যালয়ৰ কাৰ্যসূচীৰ সামৰণি মাৰিব। |
| | | ৭ম | গণিত | ভাষা | সমাজ বিজ্ঞান | বিজ্ঞান | | সমাজ বিজ্ঞান | হিন্দী | কলা শিক্ষা | |
| | | ৮ম | ভাষা | গণিত | বিজ্ঞান | সমাজ বিজ্ঞান | | ইংৰাজী | হিন্দী | কলা শিক্ষা | |
| শুক্ৰ | চাফাই প্ৰাতঃসভা দিনটোৰ চিন্তা | ৬ষ্ঠ | ভাষা | গণিত | ইংৰাজী | সমাজ বিজ্ঞান | জিৰণি | বিজ্ঞান | হিন্দী | স্কাউট আৰু গাইড | |
| | | ৭ম | গণিত | ভাষা | ইংৰাজী | বিজ্ঞান | | সমাজ বিজ্ঞান | হিন্দী | স্কাউট আৰু গাইড | |
| | | ৮ম | ভাষা | গণিত | বিজ্ঞান | সমাজ বিজ্ঞান | জিৰণি | হিন্দী | বিজ্ঞান | স্কাউট আৰু গাইড | |
| শনি | চাফাই প্ৰাতঃসভা দিনটোৰ চিন্তা | ৬ষ্ঠ | ভাষা | গণিত | বিজ্ঞান | ইংৰাজী | | | | | |
| | | ৭ম | গণিত | ভাষা | বিজ্ঞান | সমাজ বিজ্ঞান | | | | | |
| | | ৮ম | ভাষা | গণিত | ভাষা | সমাজ বিজ্ঞান | | | | | |

*** প্ৰতি বিদ্যালয়ৰ শিক্ষকে বিষয়ৰ গুৰুত্ব তথা ছাত্ৰ-ছাত্ৰীৰ অগ্ৰগতিৰ ওপৰত ভিত্তি কৰি প্ৰয়োজন অনুসৰি দৈনিক সময় তালিকা প্ৰস্তুত কৰি ল'ব।**

*** দৈনিক সময় তালিকাত থকা স্বা. শা. শিক্ষাই স্বাস্থ্য আৰু শাৰীৰিক শিক্ষাক বুজাইছে।**

*** শুক্ৰবাৰে শেষৰ পিৰিয়ডত ষষ্ঠ, সপ্তম আৰু অষ্টম শ্ৰেণীক একেলগে স্কাউট আৰু গাইডৰ ক্ৰিয়া-কলাপ কৰাব।**

**প্ৰাতঃসভাত ল'বলগীয়া সংকল্পৰ কেইটামান আৰ্হি তলত দিয়া হ'ল। এনেকুৱা ধৰণৰ সংকল্প প্ৰতিদিনে প্ৰস্তুত কৰি ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা পাঠ কৰাব ঃ**

⇨ আমি সদায় পৰিষ্কাৰ-পৰিচ্ছন্নহৈ থাকিম।

⇨ আমি খোৱাৰ আগতে হাত ধুই লম।

⇨ আমি সদায় খাদ্যবস্তু আৰু খোৱা পানী ঢাকনিৰে ঢাকি ৰাখিম।

⇨ আমি সদায় বিদ্যালয় গৃহ আৰু ঘৰৰ চৌহদ পৰিষ্কাৰকৈ ৰাখিম।

⇨ আমি সদায় জাবৰ-জোঁথৰ ডাষ্টবিন আৰু জাবৰৰ গাঁতত পেলাম।

⇨ আমি সদায় ৰাতি আঠুৱা লগাই শুম।

⇨ আমি য'তে ত'তে থু-নেপেলাওঁ।

⇨ আমি বিদ্যালয়লৈ পৰিষ্কাৰ হৈ আহিম। বিদ্যালয়খন ধুনীয়াকৈ ৰাখিম। বন্ধুসকলৰ লগত মিলাপ্ৰীতিৰে থাকিম। বিদ্যালয়ৰ নীতি-নিয়ম মানি চলিম।

⇨ এইখন আমাৰ বিদ্যালয়। বিদ্যালয়খন আমাৰ আপোন। আমি সদায় বিদ্যালয়লৈ আহিম। শিক্ষা গুৰু আৰু জ্যেষ্ঠসকলক শ্ৰদ্ধা জনাম।

⇨ আমি ছাত্ৰ-ছাত্ৰীসকল দেশৰ ভৱিষ্যত নাগৰিক। আমি দেশৰ সন্মান অটুত ৰাখিবলৈ চেষ্টাৰ পথত অগ্ৰসৰ হ'ম।

⇨ পিতৃ-মাতৃ, জ্যেষ্ঠজন আৰু শিক্ষাগুৰুক শ্ৰদ্ধা জনাম।

❑❑❑

## উদ্‌যাপন কৰিবলগীয়া দিৱসসমূহৰ তাৎপৰ্যৰ সংক্ষিপ্ত বিৱৰণসমূহ তলত উল্লেখ কৰা হ'ল—

**১৭ জানুৱাৰী ঃ (শিল্পী দিৱস)**

অসমীয়া সংস্কৃতিৰ অন্যতম পুৰোধা ব্যক্তি হ'ল ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা। বিশ্বৰ দৰবাৰত অসম আৰু অসমীয়া সংস্কৃতিৰ বৰখুঁটা স্থাপন কৰাত আগভাগ লৈছিল জ্যোতিপ্ৰসাদ আগৰৱালাই। তেখেতৰ কাৰ্য আৰু মহত্ব প্ৰতিজন অসমীয়াৰ বাবে গৌৰৱৰ বিষয়। ১৯৫১ চনৰ ১৭ জানুৱাৰী তাৰিখে এইজন মহান ব্যক্তিয়ে নশ্বৰ দেহ ত্যাগ কৰে। তেখেতৰ অতুলনীয় অৱদানক যাউতিযুগীয়া কৰাৰ মানসেৰে '১৭ জানুৱাৰী' দিনটোক অসম চৰকাৰে **'শিল্পী দিৱস'** হিচাপে পালন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে যাতে আনৰ লগতে আমাৰ কণ কণ শিশুসকলেও জ্যোতিপ্ৰসাদ আগৰৱালাৰ মহানতাৰ প্ৰতি অনুপ্ৰাণিত হয়।

**২৬ জানুৱাৰী ঃ (গণতন্ত্ৰ দিৱস)**

স্বাধীনোত্তৰ ভাৰতৰ এক অন্যতম স্মৰণীয় দিন হ'ল ২৬ জানুৱাৰী। ১৯৫০ চনৰ এই দিনটোতে কাৰ্যকৰী হয় 'ভাৰতীয় সংবিধান' যাক স্বাধীন ভাৰতৰ মেৰুদণ্ড বুলি কোৱা হয়। ভাৰতৰ ঐতিহ্য, সন্মান আৰু পৰিচিতিক বিশ্বৰ আগত সগৌৰৱে প্ৰতিষ্ঠা কৰিছে এই সংবিধানখনে। ভাৰতীয় সংবিধানৰ প্ৰতি সন্মান জনাই ভাৰত চৰকাৰে ২৬ জানুৱাৰী দিনটোক **'গণতন্ত্ৰ দিৱস'** হিচাপে পালন কৰে।

**১ ফেব্ৰুৱাৰী ঃ (সৰস্বতী পূজা)**

হিন্দু শাস্ত্ৰৰ মতে সৰস্বতী হ'ল বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী, যাৰ পূজা-অৰ্চনাই প্ৰতিজন ব্যক্তিৰ বিদ্যা, জ্ঞান অৰ্জনক প্ৰভাৱিত কৰে। সময়ৰ সোঁতত এই ধৰ্মীয় বিশ্বাস ক্ৰমান্বয়ে লোক-বিশ্বাসত পৰিণত হ'ল। সেয়েহে বিদ্যা অৰ্জনৰ কেন্দ্ৰসমূহত বছৰৰ বিশেষ দিন এটাত সৰস্বতী পূজা পালন কৰাৰ পৰম্পৰা স্মৃতিয়ে ঢুকি নোপোৱা দিনৰ পৰা আমাৰ সমাজত চলি আছে, যিয়ে বৰ্তমান ধৰ্মীয় গণ্ডীৰ পৰিধি নেওচি এক সাৰ্বজনীন পৰিচিতি লাভ কৰিছে। শিক্ষানুষ্ঠানসমূহত পালন কৰা এই পূজা অনুষ্ঠানত জাতি, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে সকলো শ্ৰেণীৰ লোকে অংশগ্ৰহণ কৰে।

**২৮ ফেব্ৰুৱাৰী ঃ (ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস)**

মানৱ সভ্যতাৰ বিৱৰ্তনত বিজ্ঞানৰ ভূমিকা অনিৰ্বচনীয়। বিজ্ঞানৰ অভূতপূৰ্ব অৱদান নিহিত হৈ আছে আমাৰ দেশৰ সামগ্ৰিক বিকাশৰ ধাৰাত। বিকাশৰ এই ধাৰাক বিশেষভাৱে উজ্জীৱিত কৰিছিল পদাৰ্থ বিজ্ঞানী চন্দ্ৰশেখৰ ভেংকটৰমনে। তেখেতৰ কাৰ্যাৱলী আৰু বৈজ্ঞানিক তত্ত্বসমূহ আধুনিক পদাৰ্থ বিজ্ঞানৰ বাটকটীয়া হিচাপে বিবেচিত। ১৯২৮ চনৰ ২৮ ফেব্ৰুৱাৰীত আৱিষ্কৃত 'ৰমন পৰিঘটনা' ভেংকটৰমনৰ এক চমকপ্ৰদ কাৰ্য, যাৰ বাবে ১৯৩০ চনত তেখেতে পদাৰ্থ বিজ্ঞানৰ নোবেল বঁটা লাভ কৰে। ভেংকটৰমনৰ বৈজ্ঞানিক আৱিষ্কাৰৰ প্ৰতি যথোচিত সন্মান প্ৰদৰ্শন কৰি ভাৰত চৰকাৰে ২০০০ চনৰ পৰা ২৮ ফেব্ৰুৱাৰী তাৰিখটোক **'ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস'** হিচাপে স্বীকৃতি প্ৰদান কৰিছে। ছাত্ৰ-ছাত্ৰী আৰু সাধাৰণ মানুহৰ মাজত বিজ্ঞানৰ প্ৰচাৰ আৰু প্ৰসাৰেই হৈছে এই দিৱসৰ মূলমন্ত্ৰ।

**৪ মাৰ্চ ঃ (শিশু সুৰক্ষা দিৱস)**

'শিশুৰ অধিকাৰ' ভাৰতীয় সংবিধানৰ এক উল্লেখযোগ্য পদক্ষেপ। সংবিধানপ্ৰদত্ত শিশুৰ অধিকাৰসমূহ সুৰক্ষিত কৰা আৰু সেইবোৰৰ উচিত মৰ্যাদা প্ৰদানৰ প্ৰতি সকলোকে সজাগ আৰু সচেতন কৰাৰ স্বাৰ্থত অসম চৰকাৰে ৪ মাৰ্চ তাৰিখটোক **'শিশু সুৰক্ষা দিৱস'** হিচাপে স্বীকৃতি প্ৰদান কৰিছে।

**২২ মাৰ্চ ঃ (বিশ্ব জল দিৱস)**

বৰ্তমান সমগ্ৰ বিশ্বৰ আগত এক ভয়াৱহ সংকট হিচাপে পৰিগণিত হৈছে পানীৰ সংকট। পানী অবিহনে জীৱজগত অথবা উদ্ভিদজগতৰ কোনেও জীয়াই থাকিব নোৱাৰে। বৰ্তমান বিভিন্ন ভৌতিক আৰু ৰাসায়নিক বিক্ৰিয়াৰ ফলত পৃথিৱীৰ উপৰিভাগত দেখা দিয়া পানীৰ সংকটে মানৱ সভ্যতাৰ অগ্ৰগতিত এক প্ৰত্যাহ্বান হিচাপে থিয় হোৱাৰ আশংকা ঘণীভূত হৈছে। সেয়ে পানীৰ অপচয় ৰোধ কৰাটো সমগ্ৰ মানৱ জাতিৰ বাবে এক অপৰিহাৰ্য কাৰ্য হিচাপে বিবেচিত হৈছে। পানীৰ উচিত ব্যৱহাৰে আমাৰ জীৱনক কেনেদৰে প্ৰভাৱিত কৰে তাৰ ওপৰত গুৰুত্ব প্ৰদান কৰি ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদে ১৯৯৩ চনৰ পৰা ২২ মাৰ্চ তাৰিখটোক **'বিশ্ব জল দিৱস'** হিচাপে স্বীকৃতি প্ৰদান কৰিছে।

**৭ এপ্ৰিল ঃ (বিশ্ব স্বাস্থ্য দিৱস)**

'স্বাস্থ্য হৈছে মানুহৰ পৰম সম্পদ।' এই কথাষাৰক সাৰোগত কৰি সমগ্ৰ বিশ্ববাসীক নিজ স্বাস্থ্য সম্পৰ্কে সজাগ আৰু সুৰক্ষিত কৰাৰ স্বাৰ্থত বিশ্ব স্বাস্থ্য সংস্থাই ১৯৫০ চনৰ পৰা কাৰ্যকৰী হোৱাকৈ ৭ এপ্ৰিল দিনটোক **'বিশ্ব স্বাস্থ্য দিৱস'** হিচাপে নিৰূপিত কৰিছে।

**১১ মে' ঃ (ৰাষ্ট্ৰীয় বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা দিৱস)**

১৯৯৮ চনৰ ১১ মে' তাৰিখটোত ভাৰতৰ প্ৰযুক্তিবিদ্যাই এক অভিলেখ স্থাপন কৰে। এই দিনটোতে ভাৰতে পোখৰাণত পাৰমাণৱিক পৰীক্ষা সফলতাৰে সম্পন্ন কৰে। ইয়াৰ উপৰি এই দিনতেই ভাৰতৰ দেশীয় আকাশীযান 'হংস-৩'য়ে আকাশত উৰিবলৈ সক্ষম হয় তথা এই বিশেষ দিনটোতেই ভাৰতে বাংগালুৰুত ত্ৰিশুল মিছাইলৰ সফল নিক্ষেপণ সম্পন্ন কৰে। প্ৰযুক্তিগত সাফল্যৰ স্বাক্ষৰ হিচাপে ১১ মে' দিনটোক **'ৰাষ্ট্ৰীয় বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা দিৱস'** হিচাপে পালন কৰা হয়।

**৫ জুন ঃ (বিশ্ব পৰিৱেশ দিৱস)**

প্ৰকৃতিক অৱমাননা কৰি মানৱ জীৱনৰ বিকাশৰ ধাৰা ত্বৰান্বিত হোৱাটো অসম্ভৱ। কিন্তু পৰিতাপৰ বিষয় যে নিজৰ ব্যক্তিগত স্বাৰ্থ পূৰণৰ অৰ্থে মানুহে প্ৰকৃতিক ধ্বংস কৰে, নিজৰ চৌপাশৰ পৰিৱেশ বিনষ্ট কৰে। এই ধ্বংসমুখী প্ৰৱণতাৰ পৰা মানুহক ৰক্ষা কৰিবলৈ ৰাষ্ট্ৰসংঘই সমগ্ৰ বিশ্বব্যাপি মানুহৰ মাজত পৰিৱেশ সংৰক্ষণ সন্দৰ্ভত সজাগতা সৃষ্টি কৰাৰ অৰ্থে বহুতো কাৰ্যপন্থা গ্ৰহণ কৰিছে। প্ৰাকৃতিক পৰিৱেশক পৰিপুষ্ট কৰি আমাৰ ভূ-মণ্ডলক মানুহৰ বাবে অধিক বাসোপযোগী কৰাৰ স্বাৰ্থত ৫ জুন তাৰিখটোক ৰাষ্ট্ৰসংঘই **'বিশ্ব পৰিৱেশ দিৱস'** হিচাপে পালন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে।

**২০ জুন ঃ (বিষ্ণু ৰাভা দিৱস)**

অসমীয়া সংস্কৃতিৰ আন এজন নমস্য ব্যক্তি হ'ল কলাগুৰু বিষ্ণুপ্রসাদ ৰাভা। জ্যোতিপ্রসাদ আগৰৱালাৰ উত্তৰসুৰী হিচাপে বিষ্ণুপ্রসাদ ৰাভাইও অসম আৰু অসমীয়া সংস্কৃতিৰ সুদূৰপ্রসাৰী ভেটি ৰচনাত আগভাগ লৈছিল। শোষণ, নিপীড়নৰ বিৰুদ্ধে সততে হুংকাৰ দি জনতাৰ জয়গান গোৱা ৰাভাৰ ৰচনা আৰু গীত-মাতসমূহত উজ্জীৱিত হয় অসমৰ নিভাঁজ ছবি। ১৯৬৯ চনৰ ২০ জুন তাৰিখে এইগৰাকী মহান শিল্পীয়ে মৃত্যুবৰণ কৰে। অসম আৰু অসমীয়া সংস্কৃতিৰ ধ্বজাবাহক এইজনা গুণী ব্যক্তিৰ সোঁৱৰণত ২০ জুন তাৰিখটোক **'ৰাভা দিৱস'** হিচাপে পালন কৰা হয়।

**১১ জুলাই ঃ (বিশ্ব জনসংখ্যা দিৱস)**

বৰ্তমান সমগ্ৰ বিশ্বৰ আগত জনসংখ্যাৰ বিস্ফোৰণ এক ভয়াৱহ প্রত্যাহ্বান হিচাপে চিহ্নিত হৈছে। যদিহে জনসংখ্যা বৃদ্ধিৰ এই গতিক বাধা দিব পৰা নাযায় তেতিয়াহ'লে আগন্তুক সময়ছোৱাত মানৱ সভ্যতা বিঘ্নিত হোৱাৰ সম্ভাৱনা প্রকট। এই ভয়াৱহতাৰ প্রতি বিশ্ববাসীক সজাগ কৰাৰ লগতে জনসংখ্যা বৃদ্ধিক ৰোধ কৰাৰ স্বাৰ্থত সমগ্ৰ বিশ্বই ১১ জুলাই দিনটো **'বিশ্ব জনসংখ্যা দিৱস'** হিচাপে পালন কৰে।

**১৫ আগষ্ট ঃ (স্বাধীনতা দিৱস)**

স্বাধীন ভাৰতৰ ইতিহাসত সোণালী আখৰেৰে লিখা দিন হ'ল ১৫ আগষ্ট। ১৯৪৭ চনৰ এই দিনটোতে দুশবছৰীয়া শাসন-শোষণৰ অন্ত পেলাই বৃটিছ শাসকে সংগ্ৰামী ভাৰতীয়ৰ হাতত সমৰ্পণ কৰিছিল ভাৰতৰ স্বাধীনতা। স্বাধীনতাৰ হকে লক্ষ লক্ষ ভাৰতীয়ৰ আপোচহীন ত্যাগ আৰু গান্ধীজীৰ অহিংস আন্দোলনৰ সন্মুখত স্বেচ্ছাচাৰী বৃটিছ নতশীৰ হ'বলৈ বাধ্য হৈছিল, যাৰ পৰিণতি আছিল ভাৰতৰ স্বাধীনতা। ১৫ আগষ্ট দিনটো সেয়েহে প্রতিজন ভাৰতীয়ৰ বাবে গৌৰৱ আৰু শ্ৰদ্ধাৰ দিন যাক **'স্বাধীনতা দিৱস'** হিচাপে সমগ্ৰ দেশত অতি উলহ-মালহেৰে পালন কৰা হয়।

**৫ ছেপ্তেম্বৰ ঃ (শিক্ষক দিৱস)**

ড° সৰ্বপল্লী ৰাধাকৃষ্ণণৰ জন্মদিনটোক আমাৰ দেশত **'শিক্ষক দিৱস'** হিচাপে পালন কৰা হয়। ৰাধাকৃষ্ণণৰ শিক্ষা আৰু দৰ্শনে মূলতঃ শিক্ষক আৰু শিক্ষকৰ কৰ্তব্যক প্রভাৱিত কৰে। তেখেতৰ মতে এখন সমৃদ্ধিশালী সমাজ গঠনত শিক্ষকসকলেহে অগ্ৰণী ভূমিকা ল'ব পাৰে। এই দিৱসটোৱে সমগ্ৰ দেশৰ শিক্ষক সমাজক নিজৰ দায়িত্ব ও কৰ্তব্যৰ প্রতি সজাগ কৰাত অগ্ৰণী ভূমিকা লৈ আহিছে।

**৮ ছেপ্তেম্বৰ ঃ (আন্তৰ্জাতিক স্বাক্ষৰতা দিৱস)**

আধুনিক বিশ্বৰ প্ৰথম চৰ্ত হৈছে নিৰক্ষৰতা দূৰীকৰণ। অৰ্থাৎ পৰিৱৰ্তিত সময় আৰু পৰিৱেশৰ লগত খাপ খাব পৰাকৈ সৰ্বসাধাৰণ মানুহ সাক্ষৰ হ'ব লাগিব। কিন্তু পৰিতাপৰ বিষয় এই যে বিশ্বৰ অগণন মানুহ আজিকোপতি শিক্ষাৰ ন্যূনতম পোহৰৰ পৰা বঞ্চিত। আনৰ কথা বাদেই ভাৰতৰ দৰে দেশতেই আজিপৰ্যন্ত প্ৰায় ৩৫% লোক নিৰক্ষৰ। এই বৃহৎসংখ্যক নিৰক্ষৰ লোকে দেশৰ অগ্ৰগতিত কিদৰে সহায় কৰিব ? এই ভয়াৱহতাৰ কথা উপলব্ধি কৰিয়েই ইউনেস্ক'ৰ উদ্যোগত সমগ্ৰ বিশ্বই ১৯৬৭ চনৰ পৰা ৮ ছেপ্তেম্বৰৰ দিনটো **'আন্তৰ্জাতিক সাক্ষৰতা দিৱস'** হিচাপে উদ্‌যাপন কৰি বিশ্ববাসীক সাক্ষৰতা সন্দৰ্ভত সজাগ কৰাৰ প্ৰচেষ্টা চলাই আহিছে।

**২১ ছেপ্তেম্বৰ ঃ (বিশ্ব শান্তি দিৱস)**

শান্তি সকলোৰে চিৰন্তন বাসনা। শান্তিপূৰ্ণ জীৱনে মানুহক সঠিক পথত আগুৱাবলৈ অনুপ্ৰাণিত কৰে। বৰ্তমান সমগ্ৰ বিশ্বত এক অশান্তিকৰ পৰিস্থিতি বিৰাজ কৰিছে। যুদ্ধ, হিংসা-প্ৰতিহিংসাৰ দাবানলত পৃথিৱীৰ চৌদিশ আজি আক্ৰান্ত। এনে ভয়াৱহ পৰিস্থিতি চলি থাকিলে পৃথিৱী ধ্বংস হোৱাটো খাটাং। সেয়েহে আজি সমগ্ৰ বিশ্ববাসীয়ে শান্তিৰ সন্ধানত ওলাই আহিছে। শান্তিৰ হকে মানুহক অনুপ্ৰাণিত কৰাৰ বাবেই ৰাষ্ট্ৰসংঘই ২১ ছেপ্তেম্বৰ দিনটোক **'বিশ্ব শান্তি দিৱস'** হিচাপে বিবেচিত কৰিছে।

**২ অক্টোবৰ ঃ (গান্ধী জয়ন্তী)**

জাতিৰ পিতা মহামানৱ মহাত্মা গান্ধী (বাপু)ৰ জন্ম দিৱস ২ অক্টোবৰ তাৰিখটো গান্ধী জয়ন্তী হিচাপে পালন কৰা হয়। ভাৰত আৰু ভাৰতবাসীৰ স্বাধীনতাৰ বাবে বাপুৱে কৰা ত্যাগ, কষ্ট আৰু সহিষ্ণুতাক সন্মান জনাই সমগ্ৰ দেশবাসীয়ে ২ অক্টোবৰ তাৰিখটোত তেওঁক শ্ৰদ্ধাৰে সোঁৱৰণ কৰে।

**১৩ অক্টোবৰ ঃ (আন্তৰ্জাতিক দুৰ্যোগ নিবাৰণ দিৱস)**

অন্যান্য দুৰ্যোগৰ উপৰি প্ৰাকৃতিক দুৰ্যোগ বৰ্তমান বিশ্ববাসীৰ বাবে এক ভয়াৱহ ভাবুকিস্বৰূপ হৈ পৰিছে। বানপানী, ভূমিকম্প, ছুনামি, ঘূৰ্ণীবতাহ আদিৰ দৰে বিধ্বংসী দুৰ্যোগবোৰে জনজীৱনক পদে পদে বিপন্ন কৰি আহিছে। প্ৰকৃতিৰ এই ধ্বংসলীলাক সমূলঞ্চে বাধা দিব নোৱাৰিলেও সময়সাপেক্ষ সিদ্ধান্ত আৰু পদক্ষেপৰ জৰিয়তে কিছু পৰিমাণে তাৰ পৰা পৰিত্ৰাণ পাব পাৰি। সেয়েহে বৰ্তমান দুৰ্যোগ ব্যৱস্থাপনা বিষয়টোৱে সৰ্বত্ৰ যথেষ্ট গুৰুত্ব লাভ কৰিছে। এই ব্যৱস্থাৰ জৰিয়তে সম্ভাব্য দুৰ্যোগৰ পৰা বহু পৰিমাণে পৰিত্ৰাণ পোৱাৰ সম্ভাৱনা থাকে। সেয়েহে এই দিশটোৰ প্ৰতি জনসাধাৰণৰ মনোযোগ আকৰ্ষণ কৰাৰ উদ্দেশ্যে ৰাষ্ট্ৰসংঘই ১৩ অক্টোবৰ তাৰিখটোক **'আন্তৰ্জাতিক দুৰ্যোগ নিবাৰণ দিৱস'** হিচাপে বিবেচনা কৰিছে।

**১৪ অক্টোবৰ ঃ (লক্ষ্মীনাথ বেজবৰুৱা জয়ন্তী)**

অসমীয়া ভাষা সাহিত্যৰ কাণ্ডাৰী লক্ষ্মীনাথ বেজবৰুৱাৰ জন্ম হয় ১৮৬৪ চনৰ ১৪ অক্টোবৰৰ দিনটোত। তেখেতৰ আশাশুধীয়া প্ৰচেষ্টাৰ ফলত চালুকীয়া অসমীয়া ভাষা-সাহিত্যৰ প্ৰাণ সঞ্চাৰ হৈছিল আৰু সৃষ্টি হৈছিল বৰ্ণময় জোনাকী যুগৰ। জোনাকী যুগে অসমীয়া ভাষা-সাহিত্যক ঘঁহি-পিহি প্ৰদান কৰিছিল নিৰ্মল মসৃণতা যাৰ সুবাদত আজি আমি আমাৰ মাতৃভাষাক লৈ গৌৰব কৰাৰ সুবিধা পাইছো। বেজবৰুৱাৰ অমৰ সৃষ্টি— বুঢ়ী আইৰ সাধু, ককাদেউতা আৰু নাতি ল'ৰা, জুনুকা, লিতিকাই, পাচনি, নোমল, বেলিমাৰ, মোৰ জীৱন সোঁৱৰণ আদি প্ৰতিজন অসমীয়াৰ উত্তৰাধিকাৰ সম্পদ স্বৰূপ। সাহিত্যৰ জগতত 'সাহিত্যৰথী', 'সাহিত্য সম্ৰাট', 'ৰসৰাজ' উপাধিৰে পৰিচিত লক্ষ্মীনাথ বেজবৰুৱাৰ ডেৰশ বছৰীয়া জয়ন্তীৰ উপলক্ষত অসম চৰকাৰে ১৪ অক্টোবৰৰ দিনটো **'লক্ষ্মীনাথ বেজবৰুৱা জয়ন্তী'** হিচাপে উদ্‌যাপন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে।

**১৫ অক্টোবৰ ঃ (বিশ্ব হাত ধোৱা দিৱস)**

সুস্থ শৰীৰৰ আধাৰ হ'ল পৰিষ্কাৰ-পৰিচ্ছন্নতা। শিশুকালৰ পৰাই এই চেতনা জাগ্ৰত কৰিব পাৰিলে সুস্থ জীৱনৰ অধিকাৰী হ'ব পাৰি। আমাৰ পাৰিপাৰ্শ্বিকত বিভিন্ন ৰোগৰ বীজাণু বিয়পি থকাটো আমাৰ সকলোৰে বিদিত। ইয়াৰ উপৰি বিভিন্ন প্ৰকাৰৰ প্ৰদূষণেও আমাৰ পৰিৱেশৰ যথেষ্ট ক্ষতিসাধন কৰিছে। এনেধৰণৰ পৰিৱেশৰ পৰা নিজক ৰক্ষা কৰিবলৈ আমি কিছুমান সাৱধানতা অৱলম্বন কৰাটো বাঞ্ছনীয়। আহাৰ গ্ৰহণৰ আগতে চাবোন আৰু পৰিষ্কাৰ পানীৰে হাত ধুই লোৱাটো আমাৰ শৰীৰৰ বাবে অতি প্ৰয়োজনীয়। এই ব্যৱস্থা সফল কৰিবলৈ আমি ল'ৰা-ছোৱালীক জনা হোৱাৰে পৰা ইয়াৰ জ্ঞান দিব লাগিব। এই বিষয়টোৰ গুৰুত্ব অনুভৱ কৰিয়ে বিশ্ব স্বাস্থ্য সংস্থাই ১৯৮০ চনৰ পৰা ১৫ অক্টোবৰ তাৰিখটোক **'বিশ্ব হাত ধোৱা দিৱস'** হিচাপে স্বীকৃতি প্ৰদান কৰিছে।

**১৫ অক্টোবৰ ঃ (বিশ্ব ছাত্ৰ দিৱস)**

ড° এ.পি.জে আব্দুল কালামৰ অসাধাৰণ কৰ্মৰাজিয়ে ভাৰততে নহয় সমগ্ৰ বিশ্ববাসীকে অভিভূত কৰে। এখন দেশৰ সন্মানীয় ৰাষ্ট্ৰপতি হিচাপে তেখেতৰ কাৰ্যকালৰ প্ৰতিটো মুহূৰ্ত নিষ্ঠা আৰু সততাৰ পৰিচয় দিয়া এই মহান ব্যক্তিগৰাকীয়ে নিজকে এগৰাকী শিক্ষক হিচাপে উচৰ্গা কৰিছিল। ড° কালামৰ সমগ্ৰ জীৱন অতিবাহিত হৈছিল নতুন প্ৰজন্মক এক সাৰ্থক জীৱনৰ দীক্ষাৰে দীক্ষিত কৰাৰ প্ৰয়াসেৰে। সেয়েহে মৃত্যু পৰ্যন্ত তেখেতে ছাত্ৰ-ছাত্ৰীসকলক সপোন দেখিবলৈ প্ৰেৰণা যোগাইছিল। তেখেতৰ জীৱনৰ আদৰ্শই বিশ্বৰ প্ৰতিজন ব্যক্তিকে মুগ্ধ কৰে। তেখেতৰ আদৰ্শ, নিষ্ঠা, সততা আৰু ত্যাগৰ চানেকি অক্ষুন্ন ৰখাৰ বাবে ৰাষ্ট্ৰসংঘই তেখেতৰ জন্মদিন ১৫ অক্টোবৰ দিনটো **'বিশ্ব ছাত্ৰ দিৱস'** হিচাপে পালন কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে। সেয়েহে বিদ্যালয়সমূহেও এই দিনটোত তেখেতৰ জীৱন আৰু কাৰ্য সম্পৰ্কে ছাত্ৰ-ছাত্ৰীৰ লগত আলোচনা কৰি উদ্‌যাপন কৰিব।

**৫ নৱেম্বৰ ঃ (সুধাকণ্ঠ দিৱস)**

অসমৰ আন এক কিংবদন্তী পুৰুষ ড° ভূপেন হাজৰিকা, যাৰ অতুলনীয় অৱদানে অসমীয়া কৃষ্টি-সংস্কৃতিক চিৰনমস্য কৰি ৰাখিব। সেইজনা গুণী পুৰুষৰ মৃত্যু দিন ৫ নৱেম্বৰ তাৰিখটোক অসম চৰকাৰে **'সুধাকণ্ঠ দিৱস'** হিচাপে মৰ্যাদা প্ৰদান কৰিছে।

**১১ নৱেম্বৰ ঃ (ৰাষ্ট্ৰীয় শিক্ষা দিৱস)**

শিক্ষা হৈছে এখন স্বাধীন ৰাষ্ট্ৰৰ বিকাশৰ ভেটিস্বৰূপ। স্বাধীন ভাৰতক উচিত শিক্ষাৰে শিক্ষিত কৰাৰ মানসেৰে মৌলানা আবুল কালাম আজাদে দায়িত্ব লৈছিল প্ৰথম শিক্ষামন্ত্ৰীৰ। তেখেতৰ আদৰ্শই ভাৰতৰ শিক্ষা ব্যৱস্থাক সবল আৰু আধুনিক কৰাত যথেষ্ট সমল যোগাইছিল। এইজনা মহান ব্যক্তিৰ জন্মদিন ১১ নৱেম্বৰ তাৰিখটোক ভাৰত চৰকাৰে **'ৰাষ্ট্ৰীয় শিক্ষা দিৱস'** হিচাপে স্বীকৃতি প্ৰদান কৰিছে।

**১৪ নৱেম্বৰ ঃ (শিশু দিৱস)**

স্বাধীন ভাৰতৰ প্ৰথম প্ৰধানমন্ত্ৰী পণ্ডিত জৱাহৰলাল নেহৰু। শিশুসকলৰ মাজত 'চাচা নেহৰু' হিচাপে পৰিচিত নেহৰুৰ জীৱন আৰু দৰ্শন সকলোৰে সমাদৃত। ভাৰতৰ স্বাধীনতা সংগ্ৰামক জীপাল কৰাত নেহৰুৰ কষ্ট আৰু নিষ্ঠা প্ৰতিজন ভাৰতীয়ৰ অনুপ্ৰেৰণাৰ উৎস। শিশুৰ প্ৰতি চেনেহ, অনুৰাগ আছিল নেহৰুৰ স্বভাৱজাত প্ৰকৃতি। সেয়েহে তেখেতৰ জন্মদিন ১৪ নৱেম্বৰ তাৰিখটো সমগ্ৰ ভাৰতত **'শিশু দিৱস'** হিচাপে পৰিচিত।

**১৯ নৱেম্বৰ ঃ (বিশ্ব অনামায় দিৱস)**

বিশুদ্ধ পানী, শৌচালয় তথা অনাময় ব্যৱস্থা শিশুৰ মৃত্যুৰ হাৰ হ্রাস কৰাৰ উত্তম উপায়। বৰ্তমান পৃথিৱীত শিশুৰ মৃত্যুৰ বৰ্ধিত হাৰলৈ লক্ষ্য ৰাখি বিশ্ব স্বাস্থ্য সংস্থাই এই বিষয়ৰ ওপৰত জন-সজাগতা বৃদ্ধিৰ উদ্দেশ্যেৰে ১৯ নৱেম্বৰ তাৰিখটোক **'বিশ্ব অনাময় দিৱস'** হিচাপে পালন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে।

**১ ডিচেম্বৰ ঃ (বিশ্ব এইড্‌ছ দিৱস)**

আধুনিক মানৱ সভ্যতাৰ সন্মুখত এক অন্যতম প্ৰত্যাহ্বান হৈছে এইড্‌ছ ৰোগ। এই ৰোগৰ ভয়াৱহতা আৰু ইয়াৰ সংক্ৰমণক প্ৰতিৰোধ কৰাৰ বাবে প্ৰতিজন ব্যক্তিক সজাগ কৰাৰ অৰ্থে বিশ্ব স্বাস্থ্য সংস্থাই ১ ডিচেম্বৰ তাৰিখটো **'বিশ্ব এইড্‌ছ দিৱস'** হিচাপে পালন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে।

**৩ ডিচেম্বৰ ঃ (বিশ্ব প্ৰতিবন্ধী দিৱস)**

শাৰীৰিক প্ৰতিবন্ধকতা মানুহৰ উন্নতিৰ অন্তৰায় নহয়। এই চিন্তাক সাৰোগত কৰি ৰাষ্ট্ৰসংঘই সকলোকে বিশ্বৰ প্ৰতিবন্ধী শিশুসকলৰ প্ৰতি সহমৰ্মিতা অৱলম্বন কৰি একেলগে আগুৱাই যোৱাৰ আহ্বান জনাই ৩ ডিচেম্বৰ তাৰিখটোক **'বিশ্ব প্ৰতিবন্ধী দিৱস'** হিচাপে পালন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে।

## স্বাস্থ্যবিধি সম্পৰ্কে শিক্ষকৰ দায়িত্ব আৰু ভূমিকা

- ❑ ছাত্ৰ দলৰ দ্বাৰা পাল পাতি শ্ৰেণীকোঠা আৰু বিদ্যালয় চৌহদ পৰিষ্কাৰকৰণ।
- ❑ অনাময় আৰু স্বাস্থ্যবিধিৰ অধীনৰ ক্ৰিয়া-কলাপসমূহ কোনে, কেতিয়া পালন কৰিব তাক নিৰ্ধাৰণ কৰা।
- ❑ শিক্ষক আৰু বিদ্যালয় পৰিচালনা সমিতিৰ পৰামৰ্শ অনুসৰি ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা পাল পাতি খোৱা পানীৰ উৎস আৰু শৌচাগাৰ সুচল কৰি ৰখাৰ তদাৰকীকৰণ।
- ❑ বিদ্যালয়ৰ তত্বাৱধানৰ বাবে পোৱা অনুদানৰ টকাৰে বিদ্যালয় পৰিচালনা সমিতিৰ দ্বাৰা খোৱা পানীৰ উৎস আৰু শৌচাগাৰৰ মেৰামতি কৰা।
- ❑ ছাত্ৰ-ছাত্ৰীয়ে পালন কৰা স্বাস্থ্যবিধি সম্পৰ্কীয় ক্ৰিয়া-কলাপসমূহ শিক্ষকৰ দ্বাৰা দৈনিক নিৰীক্ষণ।

**শিক্ষকসকলৰ সুবিধাৰ্থে অসমৰ জাতীয় সংগীত আৰু ৰাষ্ট্ৰীয় সংগীত সন্নিৱিষ্ট কৰা হ'ল—**

## অসমৰ জাতীয় সংগীত

অ' মোৰ আপোনাৰ দেশ
অ' মোৰ চিকুণি দেশ
এনেখন শুৱলা এনেখন সুফলা
এনেখন মৰমৰ দেশ।

অ' মোৰ সুৰীয়া মাত
অসমৰ সুৱদি মাত
পৃথিৱীৰ ক'তো বিচাৰি জনমটো
নোপোৱা কৰিলেও পাত।

অ' মোৰ ওপজা ঠাই
অ' মোৰ অসমী আই
চাই লওঁ তোমাৰ মুখনি এবাৰ
হেঁপাহ মোৰ পলোৱা নাই।

**— সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা**

(**উৎস ঃ** অসমৰ জাতীয় সংগীত আৰু জনজাতীয় ভাষাৰূপ অধ্যয়ন গৱেষণা প্ৰকল্প, খাৰঘুলি, গুৱাহাটী-৪)

## ৰাষ্ট্ৰীয় সংগীত

জনগণমন-অধিনায়ক জয় হে,
ভাৰতভাগ্যবিধাতা!
পঞ্জাৱ সিন্ধু গুজৰাট মৰাঠা
দ্ৰাবিড় উৎকল বংগ
বিন্ধ্য হিমাচল যমুনা গংগা
উচ্ছলজলধিতৰংগ,
তব শুভ নামে জাগে,
তব শুভ আশিস মাগে,
গাহে তব জয়গাথা।
জনগণমংগলদায়ক জয় হে
ভাৰতভাগ্যবিধাতা!
জয় হে, জয় হে, জয় হে,
জয় জয় জয়, জয় হে।।

**—ৰবীন্দ্ৰনাথ ঠাকুৰ**

# গুণোৎসৱ (গুণগত শিক্ষা প্ৰসাৰৰ এক অভিনৱ পদক্ষেপ)

'শিক্ষাৰ অধিকাৰ আইন, ২০০৯' য়ে ৬ ৰ পৰা ১৪ বছৰ বয়সৰ দেশৰ সকলো শিশুৰ শিক্ষাক সাংবিধানিক অধিকাৰ হিচাপে নিশ্চিত কৰিছে। আইনখনৰ ২৯ নং অনুচ্ছেদে এইটো স্পষ্টভাৱে কৈছে যে উল্লিখিত বয়স সীমাৰ ভিতৰত প্ৰতিজন শিশুৱে নিঃচৰ্তভাৱে সকলোকে সামৰি লোৱা গুণগত আৰু শিশুসুলভ শিক্ষা ব্যৱস্থাৰ সুফল পাবই লাগিব। আইনখনৰ এই নিৰ্দেশ অনুসৰি দেশৰ সৰ্বত্ৰ প্ৰাথমিক শিক্ষাৰ গুণগত মানৰ উত্তৰণৰ বাট মসৃণ কৰিবলৈ আশাসুধীয়া প্ৰচেষ্টা অব্যাহত আছে যাতে দেশৰ ভাৱী প্ৰজন্মৰ শিক্ষাৰ পৰিকাঠামো নিখুট আৰু মজবুত হয়।

বিগত কেবা বছৰৰ পৰা এই প্ৰচেষ্টাই বহুত দিশ সামৰি লৈছে যাৰ ভিতৰত কিছু অন্যতম দিশ হৈছে— ৰাষ্ট্ৰীয় পাঠ্যক্ৰম আধাৰ, ২০০৫ ৰ ভিত্তিত প্ৰস্তুত কৰা পাঠ্যপুথি, কাৰ্যভিত্তিক শিক্ষা ব্যৱস্থাৰ প্ৰবৰ্তণ, শিক্ষক প্ৰশিক্ষণ আৰু গুণগত শিক্ষক নিযুক্তিৰ ব্যৱস্থা গ্ৰহণ। এই সকলো ব্যৱস্থাই শিশুৰ শিক্ষণ ফলাফলক গুণগত দিশেৰে ত্বৰাণ্বিত কৰাত সহায় কৰিছে যদিও বৰ্তমানৰ প্ৰেক্ষাপটত এনে এক প্ৰচেষ্টাৰ প্ৰয়োজন হৈছে যিয়ে শিশুৰ শিকনৰ মান নিৰূপণৰ জৰিয়তে শিকনৰ ব্যৱধানসমূহ চিনাক্ত কৰিব আৰু যথোচিত নিদানমূলক ব্যৱস্থাৰে তাক নাইকীয়া কৰাত সফল হ'ব।

বৰ্তমান আমাৰ ৰাজ্য চৰকাৰখনেও শিক্ষাৰ উৎকৰ্ষতাক অগ্ৰাধিকাৰ প্ৰদান কৰি আগন্তুক শিক্ষাবৰ্ষ (২০১৭)ৰ পৰা পৰ্যায়ক্ৰমে ৰাজ্যখনত 'গুণোৎসৱ' আঁচনি উদ্‌যাপনৰ ব্যৱস্থা গ্ৰহণ কৰিছে। অসম চৰকাৰ, সৰ্বশিক্ষা অভিযান মিছন, ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ আৰু প্ৰাথমিক শিক্ষা সঞ্চালকালয়ৰ দ্বাৰা পৰিচালিত হ'বলগীয়া এই ব্যৱস্থা এক সমকেন্দ্ৰিক প্ৰচেষ্টা হিচাপে নিৰূপিত হ'ব। প্ৰথম পৰ্যায় হিচাপে এই প্ৰচেষ্টাত ৮ খন জিলা সাঙুৰি লোৱা হৈছে য'ত বৰপেটা, চিৰাং, ডিব্ৰুগড়, হাইলাকান্দি, কামৰূপ (মেট্ৰ'), লখিমপুৰ, মৰিগাওঁ আৰু পশ্চিম কাৰ্বি আংলঙৰ নাম সংযোজিত হৈছে।

**<u>আঁচনিখনৰ মূল উদ্দেশ্য</u> ঃ**

- অবিৰত সামগ্ৰিক মূল্যায়নৰ আধাৰত প্ৰতিগৰাকী শিশুৰ মান নিৰূপণ কৰি শিকন ব্যৱধান চিনাক্ত কৰা
- প্ৰাথমিক পৰ্যায়ত প্ৰতিগৰাকী শিশুৰ শিকনৰ অগ্ৰগতি আৰু শিকনৰ সাফল্য লাভ সুনিশ্চিত কৰা
- প্ৰজ্ঞাত্মক, সহ প্ৰজ্ঞাত্মক, বিদ্যালয়ৰ পৰিকাঠামোৰ পৰ্যাপ্ততা আৰু ব্যৱহাৰ, সমাজৰ অংশগ্ৰহণ — এইকেইটা মূল দিশক কেন্দ্ৰ কৰি বিদ্যালয়ৰ সামগ্ৰিক প্ৰদৰ্শনৰ মান নিৰূপণ কৰা
- ফলপ্ৰসু কৌশলৰ অৱলম্বণত শিকন ব্যৱধানসমূহ নাইকীয়া কৰা
- শিক্ষক, ছাত্ৰ-ছাত্ৰী, প্ৰশাসক আৰু সমাজৰ সক্ৰিয় অংশগ্ৰহণেৰে এই প্ৰচেষ্টা ত্বৰাণ্বিত কৰা

আঁচনিখনৰ আকাংখিত ফলাফল ঃ

- সফলতাৰে প্ৰাথমিক শিক্ষা সম্পূৰ্ণ কৰাত প্ৰতিগৰাকী শিশুক সহায় কৰা
- অষ্টম শ্ৰেণীলৈ প্ৰতিগৰাকী শিশুৰ শিকন পৰ্যায় আৰু শিকন ব্যৱধান চিনাক্ত হোৱাত সহায় কৰা
- উন্নতমানৰ প্ৰদৰ্শনৰ বাবে বিদ্যালয়ৰ সামগ্ৰিক দিশৰ বিচাৰ আৰু পৰ্যালোচনাত সহায় কৰা
- আঁচনি সম্পৰ্কে সমাজত সজাগতা সৃষ্টিৰ লগতে প্ৰাথমিক শিক্ষা ব্যৱস্থাৰ লগত জড়িত প্ৰতিজন কৰ্মকৰ্তাৰ সম্পূৰ্ণ অংশগ্ৰহণ নিশ্চিত কৰা
- প্ৰাথমিক শিক্ষা আধৰুৱা কৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যাৰ হাৰ অৱনমিত কৰা
- শিক্ষকৰ দায়িত্ব বৰ্ধনত সহায় কৰা

মান নিৰূপণ ঃ

মান নিৰূপণ সন্দৰ্ভত আঁচনিখনে কেইটামান নিৰ্দিষ্ট দিশ সামৰি লৈছে, সেয়া হ'ল— সামগ্ৰিক দিশত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ প্ৰদৰ্শন, বিদ্যালয়ৰ পৰিকাঠামোৰ পৰ্যাপ্ততা আৰু ব্যৱহাৰ আৰু সমাজৰ সহযোগিতামূলক অংশগ্ৰহণ। এই মান নিৰূপণ প্ৰক্ৰিয়া দুইধৰণে সম্পাদিত হ'ব। প্ৰথম অৱস্থাত বিদ্যালয়ে নিজাববীয়াকৈ উপৰোক্ত দিশকেইটাৰ মান নিৰূপণ কৰিব আৰু দ্বিতীয় পৰ্যায়ৰ নিৰূপণ সম্পাদিত হ'ব বাহ্যিক নিৰ্ধাৰণকাৰীৰ জৰিয়তে য'ত অসমৰ মাননীয় মুখ্যমন্ত্ৰীকে ধৰি, মাননীয় শিক্ষামন্ত্ৰী, অন্যান্য বিভাগীয় মন্ত্ৰীমণ্ডল, বিধানসভাৰ সদস্যবৃন্দ, ভাৰতীয় প্ৰশাসনিক সেৱা বিষয়া, ভাৰতীয় পুলিচ সেৱাৰ বিষয়াকে ধৰি অন্যান্য বিভাগীয় জ্যেষ্ঠ বিষয়া, ৰাজ্য চৰকাৰৰ প্ৰথম আৰু দ্বিতীয় শ্ৰেণীৰ বিষয়াবৰ্গ, বিশ্ববিদ্যালয়, মহাবিদ্যালয়, উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু উচ্চ মাধ্যমিক বিদ্যালয়ৰ সমূহ শিক্ষকবৃন্দ ওতঃপ্ৰোতঃভাৱে জড়িত হৈ থাকিব।

এই মান নিৰূপণ প্ৰক্ৰিয়াই সামৰি লোৱা বিদ্যালয়সমূহ হ'ল— চৰকাৰী বিদ্যালয়/প্ৰাদেশীকৃত বিদ্যালয়/চাহ বাগিচাৰ দ্বাৰা পৰিচালিত বিদ্যালয় আৰু সংযুক্ত বিদ্যালয়ৰ প্ৰাথমিক শাখা য'ত অসমীয়া, বড়ো, বঙালী, হিন্দী আৰু ইংৰাজী মাধ্যম ব্যৱহাৰ কৰা হ'ব। আঁচনি অনুসৰি দ্বিতীয় শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণী পৰ্যন্ত এই মান নিৰূপণ প্ৰক্ৰিয়া অনুষ্ঠিত হ'ব। মান নিৰূপণত ব্যৱহৃত হ'ব অপটিকেল মাৰ্ক ৰিকগনিশ্যন (OMR) পদ্ধতি। প্ৰশ্নসমূহ বহু বিকল্প প্ৰশ্নৰ আৰ্হি সম্বলিত য'ত চাৰিটাকৈ বিকল্প থাকিব আৰু মুঠ নম্বৰ নিৰ্ধাৰিত হ'ব বিগত শিক্ষাবৰ্ষৰ পৰা ৭৫ শতাংশ আৰু চলিত শিক্ষা বৰ্ষৰ ২৫ শতাংশ।

মান নিৰূপণৰ পৰবৰ্তী পৰ্যায়ত প্ৰতিটো বিষয়ৰ অন্তৰ্গত প্ৰতিটো প্ৰশ্নৰ বিপৰীতে প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীৰ প্ৰদৰ্শনৰ লিখিত টোকাৰ ভিত্তিত খতিয়ান পত্ৰ যুগুত কৰা হ'ব। এই প্ৰক্ৰিয়াৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীৰ শিকন ব্যৱধান চিনাক্ত কৰি যথোচিত নিদানমূলক ব্যৱস্থা গ্ৰহণ কৰা হ'ব যাতে তাৰ ভিত্তিত শিকন ব্যৱধানসমূহ নোহোৱা কৰি প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীক এক প্ৰত্যাশিত শিকন পৰ্যায়ত উপনীত কৰিব পাৰি।

*শিশুসকলে যি দেখে তাকে শিকে —*

- যদি শিশুহঁতে সমালোচনাৰ মাজত বাস কৰে, সিহঁতে গৰিহণা দিবলৈ শিকে;
- যদি শিশুহঁতে শত্ৰুতাৰ স'তে বাস কৰে, সিহঁতে কাজিয়া কৰিবলৈ শিকে;
- যদি শিশুহঁতে ভয় আৰু শংকাৰ পৰিৱেশত বাস কৰে, সিহঁতে উদ্বিগ্ন হ'বলৈ শিকে;
- যদি শিশুহঁতে পুতৌৰ স'তে বাস কৰে, সিহঁতে নিজকে দুখী বুলি অনুভৱ কৰিবলৈ শিকে;
- যদিহে শিশুহঁতে ঠাট্টা মস্কৰাৰ মাজত বাস কৰে, সিহঁতে ইতস্ততঃ, সংকোচ কৰিবলৈ শিকে;
- যদিহে শিশুহঁতে লোক লজ্জাৰ স'তে বাস কৰে, সিহঁতে নিজকে দোষী বুলি অনুভৱ কৰিবলৈ শিকে;
- যদিহে শিশুহঁতে উৎসাহ উদ্দীপনাৰ মাজত বাস কৰে, সিহঁতে আত্মবিশ্বাসী হ'বলৈ শিকে;
- যদিহে শিশুহঁতে সহনশীলতাৰ স'তে বাস কৰে, সিহঁতে ধৈৰ্য ধৰিবলৈ শিকে;
- যদি শিশুহঁতে প্ৰশংসাৰ মাজত বাস কৰে, সিহঁতে আনকো প্ৰশংসা কৰিবলৈ শিকে;
- যদি শিশুহঁতে আদৰৰ মাজত বাস কৰে, সিহঁতে আনকো আদৰ কৰিবলৈ শিকে;
- যদি শিশুহঁতে নিজৰ কামৰ অনুমোদন লাভ কৰে, তেওঁলোকে নিজকে ভাল পাবলৈ শিকে;
- যদি শিশুহঁতে স্বীকৃতিৰ স'তে বাস কৰে, সিহঁতে লক্ষ্য স্থিৰ কৰিবলৈ শিকে;
- যদি শিশুহঁতে ভাবৰ আদান-প্ৰদানৰ স'তে বাস কৰে সিহঁতে উদাৰতা শিকে;
- যদি শিশুহঁতে সততাৰ স'তে বাস কৰে, সিহঁতে সত্যবাদী হ'বলৈ শিকে;
- যদি শিশুহঁতে নিকা পৰিৱেশৰ স'তে বাস কৰে, সিহঁতে ন্যায়পৰায়ণ হ'বলৈ শিকে;
- যদি শিশুহঁতে সৰলতা আৰু বিবেচনাৰ স'তে বাস কৰে, সিহঁতে আনক সন্মান কৰিবলৈ শিকে;
- যদি শিশুহঁতে নিৰাপত্তাৰ স'তে বাস কৰে, সিহঁতে নিজৰ মাজতে ভৰসা ৰাখিবলৈ আৰু তেওঁলোকৰ ওপৰত আনক ভৰসা কৰিবলৈ শিকে;
- যদি শিশুহঁতে বন্ধুত্বৰ মনোভাবেৰে বাস কৰে, তেওঁলোকে পৃথিৱীখনক বসবাসৰ সুন্দৰ ঠাই বুলি বিবেচনা কৰে।

*[**উৎস ঃ** http://www.empowermentresources.com/info2/childrenlearn.html ]*

# ২০১৭

## জানুৱাৰী

| ৰ | সো | ম | বু | বৃ | শু | শ |
|---|---|---|---|---|---|---|
| ১ | ২ | ৩ | ৪ | ৫ | ৬ | ৭ |
| ৮ | ৯ | ১০ | ১১ | ১২ | ১৩ | ১৪ |
| ১৫ | ১৬ | ১৭ | ১৮ | ১৯ | ২০ | ২১ |
| ২২ | ২৩ | ২৪ | ২৫ | ২৬ | ২৭ | ২৮ |
| ২৯ | ৩০ | ৩১ | | | | |

## ফেব্ৰুৱাৰী

| ৰ | সো | ম | বু | বৃ | শু | শ |
|---|---|---|---|---|---|---|
| | | | ১ | ২ | ৩ | ৪ |
| ৫ | ৬ | ৭ | ৮ | ৯ | ১০ | ১১ |
| ১২ | ১৩ | ১৪ | ১৫ | ১৬ | ১৭ | ১৮ |
| ১৯ | ২০ | ২১ | ২২ | ২৩ | ২৪ | ২৫ |
| ২৬ | ২৭ | ২৮ | | | | |

## মাৰ্চ

| ৰ | সো | ম | বু | বৃ | শু | শ |
|---|---|---|---|---|---|---|
| | | | ১ | ২ | ৩ | ৪ |
| ৫ | ৬ | ৭ | ৮ | ৯ | ১০ | ১১ |
| ১২ | ১৩ | ১৪ | ১৫ | ১৬ | ১৭ | ১৮ |
| ১৯ | ২০ | ২১ | ২২ | ২৩ | ২৪ | ২৫ |
| ২৬ | ২৭ | ২৮ | ২৯ | ৩০ | ৩১ | |

## এপ্ৰিল

| ৰ | সো | ম | বু | বৃ | শু | শ |
|---|---|---|---|---|---|---|
| ৩০ | | | | | | ১ |
| ২ | ৩ | ৪ | ৫ | ৬ | ৭ | ৮ |
| ৯ | ১০ | ১১ | ১২ | ১৩ | ১৪ | ১৫ |
| ১৬ | ১৭ | ১৮ | ১৯ | ২০ | ২১ | ২২ |
| ২৩ | ২৪ | ২৫ | ২৬ | ২৭ | ২৮ | ২৯ |

## মে'

| ৰ | সো | ম | বু | বৃ | শু | শ |
|---|---|---|---|---|---|---|
| | ১ | ২ | ৩ | ৪ | ৫ | ৬ |
| ৭ | ৮ | ৯ | ১০ | ১১ | ১২ | ১৩ |
| ১৪ | ১৫ | ১৬ | ১৭ | ১৮ | ১৯ | ২০ |
| ২১ | ২২ | ২৩ | ২৪ | ২৫ | ২৬ | ২৭ |
| ২৮ | ২৯ | ৩০ | ৩১ | | | |

## জুন

| ৰ | সো | ম | বু | বৃ | শু | শ |
|---|---|---|---|---|---|---|
| | | | | ১ | ২ | ৩ |
| ৪ | ৫ | ৬ | ৭ | ৮ | ৯ | ১০ |
| ১১ | ১২ | ১৩ | ১৪ | ১৫ | ১৬ | ১৭ |
| ১৮ | ১৯ | ২০ | ২১ | ২২ | ২৩ | ২৪ |
| ২৫ | ২৬ | ২৭ | ২৮ | ২৯ | ৩০ | |

## জুলাই

| ৰ | সো | ম | বু | বৃ | শু | শ |
|---|---|---|---|---|---|---|
| ৩০ | ৩১ | | | | | ১ |
| ২ | ৩ | ৪ | ৫ | ৬ | ৭ | ৮ |
| ৯ | ১০ | ১১ | ১২ | ১৩ | ১৪ | ১৫ |
| ১৬ | ১৭ | ১৮ | ১৯ | ২০ | ২১ | ২২ |
| ২৩ | ২৪ | ২৫ | ২৬ | ২৭ | ২৮ | ২৯ |

## আগষ্ট

| ৰ | সো | ম | বু | বৃ | শু | শ |
|---|---|---|---|---|---|---|
| | | ১ | ২ | ৩ | ৪ | ৫ |
| ৬ | ৭ | ৮ | ৯ | ১০ | ১১ | ১২ |
| ১৩ | ১৪ | ১৫ | ১৬ | ১৭ | ১৮ | ১৯ |
| ২০ | ২১ | ২২ | ২৩ | ২৪ | ২৫ | ২৬ |
| ২৭ | ২৮ | ২৯ | ৩০ | ৩১ | | |

## ছেপ্টেম্বৰ

| ৰ | সো | ম | বু | বৃ | শু | শ |
|---|---|---|---|---|---|---|
| | | | | | ১ | ২ |
| ৩ | ৪ | ৫ | ৬ | ৭ | ৮ | ৯ |
| ১০ | ১১ | ১২ | ১৩ | ১৪ | ১৫ | ১৬ |
| ১৭ | ১৮ | ১৯ | ২০ | ২১ | ২২ | ২৩ |
| ২৪ | ২৫ | ২৬ | ২৭ | ২৮ | ২৯ | ৩০ |

## অক্টোবৰ

| ৰ | সো | ম | বু | বৃ | শু | শ |
|---|---|---|---|---|---|---|
| ১ | ২ | ৩ | ৪ | ৫ | ৬ | ৭ |
| ৮ | ৯ | ১০ | ১১ | ১২ | ১৩ | ১৪ |
| ১৫ | ১৬ | ১৭ | ১৮ | ১৯ | ২০ | ২১ |
| ২২ | ২৩ | ২৪ | ২৫ | ২৬ | ২৭ | ২৮ |
| ২৯ | ৩০ | ৩১ | | | | |

## নৱেম্বৰ

| ৰ | সো | ম | বু | বৃ | শু | শ |
|---|---|---|---|---|---|---|
| | | | ১ | ২ | ৩ | ৪ |
| ৫ | ৬ | ৭ | ৮ | ৯ | ১০ | ১১ |
| ১২ | ১৩ | ১৪ | ১৫ | ১৬ | ১৭ | ১৮ |
| ১৯ | ২০ | ২১ | ২২ | ২৩ | ২৪ | ২৫ |
| ২৬ | ২৭ | ২৮ | ২৯ | ৩০ | | |

## ডিচেম্বৰ

| ৰ | সো | ম | বু | বৃ | শু | শ |
|---|---|---|---|---|---|---|
| ৩১ | | | | | ১ | ২ |
| ৩ | ৪ | ৫ | ৬ | ৭ | ৮ | ৯ |
| ১০ | ১১ | ১২ | ১৩ | ১৪ | ১৫ | ১৬ |
| ১৭ | ১৮ | ১৯ | ২০ | ২১ | ২২ | ২৩ |
| ২৪ | ২৫ | ২৬ | ২৭ | ২৮ | ২৯ | ৩০ |